# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৬/০৩/২০২২ বুধবাৰ

**আজি ইংৰাজী ১৬-০৩-২০২২ তাৰিখে পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচীমতে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২১

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ যিখিনি দিয়া আছে ক্লজ-বি আৰু ক্লজ-চি এই দুটা উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। কাৰণ প্ৰশ্ন আছিল গোৱালপাৰা জিলাৰ পূৰ্ব প্ৰান্তৰ পৰা পশ্চিম প্ৰান্তলৈ গোটেই নদীতো, ব্ৰহ্মপুত্ৰ নদী আৰু জলজলী নদীও আছে গোটেইখিনি অঞ্চলত গৰাখহনীয়া হৈ আছে আৰু ঘৰমাৰা আৰু নিচিনপুৰৰ যিখিনি মথাউৰি তাহানিতে বনোৱা মথাউৰি, কেইবা ঠাইতো ইতিমধ্যে চিঙি গৈছে। দীৰ্ঘদিন ধৰি সেই মথাউৰি মেৰামতি হোৱা নাই বা সেইখিনি শক্তিশালী কৰাৰ বাবে কোনো ব্যৱস্থা কৰা নাই। মই নিজেই ২০০১ চনৰ পৰা লক্ষ্য কৰিছো প্ৰত্যেকজন জলসম্পদ বিভাগৰ মন্ত্ৰীয়ে চায়, আশ্বস্ত কৰে, দুখ প্ৰকাশ কৰে তাৰে হাজাৰ হাজাৰ বিঘা মাটি ইতিমধ্যে গৰাখহনীয়া গ্ৰস্ত হৈ গৈছে। মানুহ বিলাক তাৰ পৰা গৃহহীন হৈছে, কৰবাত তেওঁলোকে ভূমিহীন হৈছে, কৰবাত তেওঁলোকে বে-দখলকাৰী হৈছে, কৰবাত আকৌ উচ্ছেদিত হৈছে। গতিকে এই গৰাখহনীয়া ব্যৱস্থাটো স্থায়ী ভাবে প্ৰতিৰোধ নোহোৱাৰ বাবে গৰুখুটিৰ নিচিনা ঘটনাও হৈছে। গতিকে ইয়াতে কোৱা হৈছে যে পুঁজি সাপেক্ষে এই ব্যৱস্থা লোৱা হ'ব। যদি এই পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হয় তেনেহ'লে সমস্যাৰ সমাধান নহ'ব। সেই কাৰণে মই চৰকাৰক অনুৰোধ জনাওঁ কাৰণ বৰ্তমান মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন ঠাইত গৈছে, আঁচনি দিছে আৰু কামো হৈ আছে কিন্তু গোৱালপাৰা জিলাৰ সীমলূতুলাৰ পৰা আৰম্ভ কৰি নিচিন্তপুৰলৈকে য'ত মথাউৰি নাই তাত মথাউৰি বনাব লাগে। তাত থকা মন্দিৰ বিলাকৰ অৱস্থা নোহোৱা হ'ব ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কথা কৈছে সেইটো গুৰুত্বপূৰ্ণ। ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াটো অসমৰ কাৰণে ডাঙৰ সমস্যা অকল তেখেতৰ সমষ্টিত নহয় অসমৰ প্ৰায় ৬.৩০ কি.মি. ধৰি ব্ৰহ্মপুত্ৰ নদীখন বৈ গৈছে আৰু প্ৰায় ৬.৩০ কি.মি. গোটেই খিনিতে কেৱল গুৱাহাটী খনক বাদ দি সকলোতে গৰাখহনীয়াৰ ডাঙৰ সমস্যা। আমি এই বিষয়ে গুৰুত্ব সহকাৰে কাম-কাজ কৰিছো, যথেষ্ট খিনি কামত আগবাঢ়িছো। তেখেতৰ সমষ্টিত এইবাৰ আমি ১০.৩ কোটি আঁচনি অনুমোদন জনাইছো তেখেতৰ সমষ্টিত আৰু তেখেতে শুনি ভাল পাব কিন্তু কৰিবলৈ আমাৰ সময় লাগিব। এছিয়ান ডেভেল'পমেন্ট বেংকৰ পৰা আমি প্ৰায় ৩৭০০ কোটি মান টকাৰ এটা আঁচনিত এপ্ৰুভেল হৈছে। অসমৰ ১৩ খন জিলাত হ'ব কিন্তু কামখিনি অলপ জটিল। তেখেত সকলে অৱহেলা নকৰে কিন্তু সাধাৰণতে আমি অসম চৰকাৰ পৰা বা কেন্দ্ৰীয় চৰকাৰৰ পৰা হওঁক এছ অ' পি ডিৰ বা অন্য শিতানৰ পৰা হওঁক যিমান সহজ এ ডি বি বা বিশ্ব বেংকৰ কাম খিনি কৰিবলৈ অলপ জটিল । কিন্তু এটা সময়ত এইখিনি পাই যাম। খুব বেছি এক বছৰ লাগিব পাৰে। গোৱালপাৰা জিলাত গোৱালপাৰা ইষ্ট, গোৱালপাৰা ৱেষ্ট আৰু জলেশ্বৰ সমষ্টিলৈ

এই তিনিটা সমষ্টিত ১৯৫.১৭ কোটি টকাৰ প্ৰটেকচন অব্ গোৱালপাৰা টাউন এণ্ড সোণাৰী টু জলেশ্বৰ ফ্ৰম ড্যা ইৰোচন অৱ ৰিভাৰ ব্ৰহ্মপুত্ৰ এই দুটাত সন্নিৱিষ্ট কৰা আছে । গতিকে এই বিষয়ে আমাৰ বিভাগৰ লগত সকলো অভিযন্তাকে গুৱাহাটীলৈ মাতি আনি মিটিং কৰিছো এই প্ৰক্ৰিয়া আৰম্ভ হৈছে। গতিকে কামখিনি নিশ্চয়কৈ আমি কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** Second Supplimentary

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো আৰু মই গম পাইছিলো এটা প্ৰপোজেল এ ডি বি ত আছে, আজি মন্ত্ৰী মহোদয়ে হাউচত আশ্বাস দিয়াৰ বাবে মই তেখেতৰ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে মন্ত্ৰী মহোদয়ে পৰিদৰ্শন কালত দেখা পাইছিল যে লক্ষীপুৰ, শিৰবাৰী অঞ্চলৰ এটা অংশত যেতিয়া বল্ডাৰ দিয়া হ'ল তেতিয়া তাৰ কাউন্টাৰ পাৰ্টটোৰ প্ৰতি খহনীয়াৰ ভাবুকি আহি পৰিছে। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ৰ পৰা মই আশ্বাস বিচাৰিম লগতে ২০০৮ চনত শলমাৰীত হোৱা গৰাখহনীয়াই ইয়াৰ মথাউৰিত আঘাট হানি ক্ষতি কৰিছিল। যিটো ৰিং বান্ধৰ দ্বাৰা কোনোমতে ধৰি ৰখাৰ ব্যৱস্থা কৰা হৈছে কিন্তু পুনৰ খহনীয়া হ'লে হয়তো ইয়াৰ কাষত থকা জয়বৎ, কামাখ্যা মন্দিৰটো ভাঙি যাব । মই অনুৰোধ কৰিব বিচাৰিছো যে হয় ভঙা অংশটো মেৰামতি কৰি বন্ধ কৰিব লাগে নহ'লে ৰিং বান্ধতো আৰু বহল কৰি শক্তিশালী ৰূপত বনাই দিব লাগে।

মই মন্ত্ৰী মহোদয়ক এটা পৰামৰ্শ দিব বিচাৰিছো যে চৰ অঞ্চল বিলাকত বহুতো জিপি নিচিহ্ন হোৱাৰ উপক্ৰম হৈছে। জলসম্পদ বিভাগৰ সহায় লৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে সেই বিলাক অঞ্চলত উন্নয়নমূলক কাম কৰিব পাৰে ।

মাননীয় অধ্যক্ষ ঃ হ'ব আপুনি আৰু ক'ব নালাগে। ইমান বিলাক পইন্টৰ উত্তৰ মন্ত্ৰীয়ে দিব নোৱাৰে।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মোৰ আৰু ক'বলগীয়া আছে চাৰ । অনুসূচিত জনজাতি সম্প্ৰদায়ৰ বসতি প্ৰধান অঞ্চল ৰংচাই, জুৰিগাওঁ, পালপাৰা আদি অঞ্চলত বসবাস কৰা মানুহখিনি বৰ্তমান খহনীয়াৰ কবলত পৰিছে । জলসম্পদ বিভাগৰ বান প্ৰতিৰোধৰ ব্যৱস্থা নকৰাৰ বাবে এই গ্ৰাম্যাঞ্চলৰ মানুহখিনি খহনীয়াৰ কবলত পৰিব লগীয়া হৈছে। গতিকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে যাতে জলসম্পদ বিভাগৰ সহায় আৰু পৰামৰ্শ লৈ বান্ধ নিৰ্মাণ কৰে। ইয়াৰ ওপৰত মই মন্ত্ৰী মহোদয়ৰপৰা আশ্বাস বিচাৰিছো ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে এ ডি বি ৰপৰা প্ৰায় ৩৭০০ কোটি টকাৰ অনুমোদন লাভ কৰিবলৈ সক্ষম হৈছো। এতিয়া কথাটো হ'ল এই আঁচনি সমূহ ১৩ খন জিলাত ৰূপায়ণ কৰা হ'ব। যেনে- নগাওঁ, ডিব্ৰুগড, মৰিগাওঁ, গুৱাহাটী (পশ্চিম), বৰপেটা, ধুবুৰী, পলাশবাৰী, ধেমাজি, যোৰহাট গোৱালপাৰা, তেজপুৰ, শিৱসাগৰ, তিনিচুকীয়া অগ্ৰাধিকাৰ ভিত্তিক খহনীয়াৰ জৰুৰীকালীন কাম সমূহ কৰিবই লাগিব । এনেক্ষেত্ৰত আমি অসম চৰকাৰৰ এছ অ' পিডি ৰ পৰা ধন লৈ হলেও কৰিবই লাগিব। উদাহৰণ স্বৰূপে ১৯৫ কোটি টকাৰ অনুমোদন লাভ কৰিছো। তাত যদি অসম চৰকাৰৰ পুঁজি ব্যয় কৰি নিৰ্মাণ কৰিলে গোটেই কামখিনি বেয়া হোৱা বুলি যদি ভাবে তেতিয়া গোটেই প্ৰক্ৰিয়াটো স্থবিৰ হৈ যায়। গতিকে মই আশ্বাস এইখিনি কামৰ ক্ষেত্ৰতহে দিম য'ত মষ্ট ভালনাৰেৱল পইন্ট বিলাকতহে নিৰ্মাণ কৰাৰ বাবে পৰামৰ্শ দিম।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছৰ চাপ্লিমেন্টৰি দিব মঃ আবুল কালাম মহোদয়ে ।

**শ্ৰী আবুল কালাম ৰচিদ আলম, (পূৱ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ, প্ৰথমে মই মন্ত্ৰী মহোদয়ক

বৰতবাৰী চৰৰ উন্নয়নৰ বাবে ৪.৫ কোটি টকা দিয়াৰ বাবে আশা ৰাখিছো, খহনীয়া নিশ্চয় বন্ধ হ'ব।

চাৰ মোৰ সমষ্টিত শিমলীতোলাৰ পৰা গোৱালপাৰা চহৰ পৰ্য্যন্ত প্ৰায় ৭০কিলোমিটাৰ দীঘল ব্ৰহ্মপুত্ৰৰ পাৰ অঞ্চলত মাত্ৰ তিনি কিলোমিটাৰ মান ঠাইত হে মথাউৰি আছে। মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব বুলি আশা ৰাখিলো।

মোৰ আন এটা অনুৰোধ হ'ল আৱৰ্ত ভৱনৰ পৰা যি মথাউৰিৰ ব্যৱস্থা কৰা হৈছে সেই মথাউৰিটো বহল কৰাৰ বাবে আৰ আই ডি এফত প্ৰায় বিশ কোটি টকা আছে । এই খিনিৰ নিৰ্মাণৰ কামখিনি জলসম্পদ বিভাগৰ পৰা কৰিলে ভাল হয়, যিহেতুকে এই কাম বিলাকৰ ডি পি আৰ, এষ্টিমেট আদি সকলো জলসম্পদ বিভাগেই বনাইছে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** ইতিমধ্যে মই ৰচিদ মণ্ডল ডাঙৰীয়াৰ উত্তৰতে কৈছো যে গোৱালপাৰাত আঁচনি অনুমোদন পোৱা হৈছে তাত গোৱালপাৰা টাউনৰ সুৰক্ষা ও আছে । গতিকে মই এই ক্ষেত্ৰত এটা কথায়ে ক'ব বিচাৰিছো যে মোষ্ট ভালনাৰেবল কিবা আছে যদি বৰ্তমান সেইখিনি কামহে কৰি দিম । এইখিনিয়ে আশ্বাস মই দিব পাৰিম ।

**শ্ৰী কমলাক্ষ দে পুৰুকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ তাতে দুখন ব্ৰীজ হৈছে বা গৰাখহনীয়া হৈছে। অকল মোৰ সমষ্টিৰ বাবে নহয়, ওচৰে পাজৰে যিখিনি সমষ্টি আছে, সেইখিনি সমষ্টিও প্লাবিত হৈছে। মন্ত্ৰী মহোদয়ৰ ওচৰত এইখিনি অনুৰোধ থাকিব, যেতিয়া এই আঁচনি বিলাক ধৰা হয়, এটা আঁচনিও যাতে বাদ নপৰে। লগতে ব্ৰহ্মপুত্ৰৰ কাষেৰে হাইৱে কৰা কথা আছিলে এইটো কিমানখিনি আগবাঢ়িছে?

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেত পুৰণা সদস্য। জানিও নজনাৰ ভাও ধৰে। জনা মানুহক বুজাব অসুবিধা আৰু যি বিলাকে বুজিও নুবুজাৰ ভাও ধৰে তাক বুজাবলৈ আৰু অসুবিধা। এইটো জড়িত গড়কাপ্তানী বিভাগৰ লগত। তথাপিত মই কওঁ আমি এইবাৰ ৮০০ কিঃমিঃ মথাউৰি পকীকৰণৰ কাৰণে ইতিমধ্যে কাম হৈ গ'ল। টেনদাৰ হৈ গ'ল। আপোনাৰ তাত মথাউৰি নাই মই কি কৰিম? আজি আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট ভাষণ দিব, আজি আশা কৰি আছো, যিটো মথাউৰি পকীকৰণৰ প্ৰক্ৰিয়াটো আকৌ দূৰন্ত গতিত চলি থাকিব। বিত্ত বিভাগে কি ক'ব মই নাজানো, আশাহে কৰিছো। গৰাখহনীয়াটো এটা সমষ্টি কেন্দ্ৰীক নহয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নম্বৰ ২২। মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ৰ আগত অৱগত কৰিব বিচাৰিছো যে, জনসংযোগ বিভাগে আৰু চৰকাৰে গ্ৰহণ কৰা জনমুখী আঁচনি সমূহ ৰাইজৰ মাজলৈ লৈ যোৱাত যিখিনি গুৰু দায়িত্ব পালন কৰিবলগীয়া হয়, তাৰ কাৰণে আমাৰ চৰাইদেউ জিলাৰ আমাৰ জনসংযোগ বিভাগৰ বহুতো ত্ৰুতি আছে কাৰণ আমাৰ জনসংযোগ বিভাগৰ কৰ্মচাৰীৰ অভাৱ, এটা কাৰ্য্যালয়ৰ অভাৱ, আমাৰ গাড়ীৰ অভাৱ গতিকে এইখিনি হোৱাৰ কাৰণে আমাৰ জনসাধৰণৰ লগত যোগাযোগৰ কিছু অসুবিধাত পৰিবলগীয়া হৈছে। আমাৰ যিটো Man Power টো আটাইতকৈ প্ৰয়োজন। এইখিনি মই মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি চৰাইদেউৰ বিধায়ক ধৰ্মেশ্বৰ

কোঁৱৰ ডাঙৰীয়া, হোজাইৰ বিধায়ক ডাঙৰীয়া আছে, দক্ষিণ শালমৰা বিধায়ক ডাঙৰীয়া আছে, বিশ্বনাথৰ বিধায়ক ডাঙৰীয়া আছে, পশ্চিম কাৰ্বি আংলঙৰ বিধায়ক ডাঙৰীয়া আছে, মোক নালাগে বিভাগৰ, প্ৰধান সচিব, সচিব, যুটীয়া সচিব সকলোকে ধন্যবাদ দিব লাগে। কাৰণ এই জিলা কেইখনত আগতে জিলা নাছিলে। চৰাইদেউখন শিৱসাগৰৰ হৈ আছিলে, হোজাই নগাঁৱৰে হৈ আছিলে, আজিৰ পৰা ৩ মাহৰ আগতে নতুন জিলা ঘোষণা কৰা হৈছে। মই জিলা কেইখনৰ বিধায়ক সকলক, মোক নালাগে আমাৰ বিষয়া-কৰ্মচাৰী সকলে যি সকলে কষ্ট কৰি কামটো কৰিলে তেখেত লোককো ধন্যবাদ দিবলৈ অনুৰোধে কৰিলো।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** माननीয় অধ্যক্ষ মহোদয়, জনসংযোগ জিলা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জনসংযোগ মোৰ বিভাগৰ কথাটো কৈছো। জলসম্পদ বিভাগৰ গোটেই কেইখন নতুন জিলা হ'ল। তাতে নতুন অফিচৰ প্ৰয়োজন। এইবাৰ গোটেই কেইখন জিলাতে আমি অফিচ বনোৱাৰ কাৰণে পদক্ষেপ ল'ম। গাড়ীৰ কাৰণে পদ sanction ও হৈ গৈছে। মই আকৌ কৈছে, নতুন অফিচ লাগিব, নতুন গাড়ী লাগিব, নতুন পোষ্ট লাগিব। অকমান সময় লাগিব গোটেইখিনি কৰি দিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নম্বৰ ২৩। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তাত থকা পাবা বিলৰ পানী পাহাৰৰ পৰা আহি থাকে। আহি পানীখিনি জমা হয়। সেইটো কাৰণে মই মন্ত্ৰী মহোদয়ক উত্তৰ দিছে, সেইটো আঁচনি প্ৰস্তুত কৰা হৈ আছে। আঁচনি প্ৰস্তুত কৰা আগৰ চৰকাৰৰ দিনতো হৈছিল। কিন্তু কাৰ্য্যকাৰী হোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা আশা কৰো মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিব লাগে, কিমান দিনৰ ভিতৰত এইটো কাৰ্য্যকাৰী হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে এইখন এখন বিল, বিলত জলসিঞ্চন বিভাগে কাম নকৰে, জলসিঞ্চন বিভাগে বোৱতী নদীত কাম কৰে। তথাপিও নতুন বিধায়ক, তেখেতৰ প্ৰশ্নটোৰ প্ৰতি সন্মান জনাই কালি মই প্ৰধান সচিব আৰু জলসিঞ্চন বিভাগৰ মুখ্য অভিযন্তাৰ লগত আলোচনা কৰি তেখেতৰ কামটো কৰিম বুলি সিদ্ধান্ত লৈছো। আপোনাৰ কাৰণে হে কৰিম। এইটো নিয়ম মতে কৰিব নালাগে। শ্লুইচ গেটখন আপোনাৰ বিলখনত কৰি দিয়া হ'ব।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নম্বৰ ২৪। মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনৰ এটা প্ৰধান উদ্দেশ্য হ'ল বানমুক্ত অসম গঠন কৰা। মোৰ নিজৰ সমষ্টি শিৱসাগৰৰ ব্ৰহ্মপুত্ৰ, দিচাং নদী, দিখৌ, দৰিকা এইখিনিয়ে বানপানী গৰাখহনীয়াৰ সৃষ্টি কৰি আহিছে। মই মূলত এতিয়া দৰিকা নদী আৰু যি কেইখন ডাঙৰ নদী তাৰ কাৰণে বিভিন্ন ধৰণৰ বিভিন্ন আঁচনি ইতিমধ্যে জলসিঞ্চন বিভাগৰ মন্ত্ৰী হাতত দাখিল কৰা আছে। মুখ্যমন্ত্ৰীৰ হাতত দাখিল কৰা আছে। বিত্ত মন্ত্ৰীৰ হাততো দাখিল কৰা হৈছে। প্ৰত্যকটো আঁচনি দাখিল কৰা হৈছে। কিন্তু মই যিটো প্ৰশ্ন ইয়াত সুধিব বিচাৰিছো, সেইটো হ'ল যে আমাৰ তাত এখন দৰিকা নামৰ এখন সৰু নদী আছে। দৰিকা নদী খনত যিটো জলসিঞ্চন বিভাগে প্ৰতিবেদন দিছে, তাত কৈছে যে, দৰিকা নদীৰ বানপানী মুক্ত কৰাটো অসম্ভৱ। তাত মথাউৰি বনোৱাটো সম্ভৱ নহয় আৰু তাৰ পৰা এটা সুতি কাটি দিখৌ নদীত পেলোৱাটো অসম্ভৱ।

তাৰ মানে জলসিঞ্চন বিভাগে এইটো কথা ক'ব খুজিছে নেকি ? অসমখন বানমুক্ত কৰাটো সম্ভৱপৰ নহয়। মই সেই কাৰণে আজিৰ দিনটোত জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ক'ব খুজিছো, তেখেতে কালি মোক প্ৰতিবেদনটো দিছে। আমাৰ অফিচাৰ বিলাকে গোটেই বিষয়টো ভালকৈ অধ্যয়ন নকৰাকৈ এনেকৈ উপৰুৱাকৈ এই দীঘলীয়া মৌজাটোক এনেকৈ মৃত্যু মুখলৈ ঠেলি দিয়াটো উচিত নহয়। গতিকে আজিৰ দিনটোত মই জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো, তেখেতে গোটেই বিষয়টোৰ ওপৰত এটা তেখেতৰ বিভাগৰ কি স্থিতি জনাব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দৰিকা নদীৰ কথাটো সন্মানীয় বিধায়ক গৰকীয়ে কেইবাবাৰো কৈ আছে, আচলতে নতুন মথাউৰিৰ কাৰণে বনাবলৈ সিদ্ধান্ত লৈছিলো, প্ৰায় ১০০ কিঃমিঃ বনাইছো। মই কেইবা গৰাকী বিধায়কক ফোন কৰিছিলো নিজে। মোৰ লগত অখিল গগৈ ডাঙৰীয়াৰ কথা বাৰ্তা হৈয়ে থাকে। গতিকে তেখেতক মই সুধিছিলো। তেখেতে দৰিকা নদীৰ কথাটো ক'লে কিন্তু বিভাগে দৰিকা নদীৰ কথাটো দিনাই কৰে। তাৰ পৰা বেলেগ জৈৱিক বৈচিত্ৰৰ প্ৰব্লেম হ'ব পাৰে বুলি এটা প্ৰতিবেদন মোৰ লগত আছে। নদীখনত যদি দিয়া যায় পানীটো সোমাই আহিব। তেনেকুৱা এটা বিষয় আছে। কিন্তু মই তেখেতক এটা কথা কৈছো, আজিও কওঁ নদীখন কি বেলেগ উপায়েৰে বানপানীৰ পৰা মানুহক ৰক্ষা কৰিব পাৰি সেই বিষয়ে চিন্তা-চৰ্চা কৰি গুৱাহাটীৰ পৰা অতি সোনকালে আমি টীম বনাই আমি তালৈ পঠাম। তেখেতে সহযোগিতা কৰিবলৈ যত্ন কৰিব।

**মাননীয় অধ্যক্ষঃ** দ্বিতীয় পৰিপূৰক আপোনাৰে আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বানমুক্ত অসমত যদি এনেকুৱা হয়, ৰাজনৈতিক ভাবে যদি টকা পইচা দিয়া হয়, অৰ্থাৎ ৰুলিং পাৰ্টীৰ সমষ্টি বিলাকত অধিক পৰিমাণে ধন আৰু আমাৰ বিৰোধী পাৰ্টীৰ বিধায়ক বিলাকৰ কম পৰিমাণে ধনৰ বিনিয়োগ কৰা হয়। তেনেকৈ কিয় কৰি থকা হৈছে। **তেনেকৈ কৈ থাকে, কালিও কোৱা হৈছিল। এতিয়া মই সেইকাৰণে স্পষ্টকৈ মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে এ ডি বি ত এইবাৰ যিটো লোন হোৱা হৈছে তাত আমাৰ শিৱসাগৰৰ যিটো Anti Erosion ৰ স্কীম আছে, সেইটো আঁচলতে এইবাৰ একেবাৰে গ্ৰহণ কৰিব নে নকৰিব ?**

**মাননীয় অধ্যক্ষ ঃ চাপ্লিমেণ্টৰী প্ৰশ্ন এটা য়ে কৰিব পাৰে।**

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ তাৰ লগত দিচাং, দিখৌ এই আটাইবিলাকৰ য'ত য'ত নতুন মথাউৰি বনাব লাগে, য'ত য'ত ব্ৰীজ বিলাক মেৰামতি কৰিব লাগে তাৰ সম্পূৰ্ণ তালিকা তেখেতৰ হাতত দিয়া আছে। সঁচাকৈ যদি বানমুক্ত অসম কৰিব লাগে তেনেহ'লে শিৱসাগৰক এনেকৈ মাহীআইৰ চকুৰে চালে নহ'ব।**

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়।**

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ **মাননীয় অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই চি এম ৰিলিফ ফাণ্ডৰ ২৩ লাখ টকা পোৱা বুলি কৈছে, মই ৩ লাখ ও পোৱা নাই। আৰ. আই. ডি. এফ ত পি. ডব্লিউ. ডি ৰ ৰাস্তা মই পোৰ নাই তেখেতৰ সমষ্টিত এইবাৰ ১০ কোটি টকা পাইছে। গতিকে কেনেকৈ মাহী আইৰ দৃষ্টিৰে চোৱা হ'ল ? মই এ. ডি. বি ত ১৩ টা স্কীমৰ কথা কওঁতে শিৱসাগৰ সমষ্টিৰ নাম মই কৈছিলো। তেখেতে নুশুনিলে, তেখেতৰ শুনাৰ ধৈৰ্য্য নাই। আপোনাৰ সমস্যা এইটোৱে আপুনি বেলেগক শুনাব কিন্তু বেলেগৰ কথাটো নুশুনে। থাওৰা, শিৱসাগৰ আৰু আমগুৰি সমষ্টিত ৩১৭.৪৯ লাখ টকা এই স্কীমত আছে আৰু দিচাং মুখ , অফলাৰ কামটো মই ৩ কিলোমিটাৰ-**

৪ কিলোমিটাৰ হ'লেও কৰিম। আপুনি কোৱাৰ কাৰণে নহয়, মাননীয় মন্ত্ৰী শ্ৰী ৰণোজ পেগু ডাঙৰীয়াই কৈছিলে মই নিজে তালৈ গৈছিলো। কামটো কৰিম বুলি মই আপোনাক প্ৰতিশ্ৰুতি দিছো। আৰ. আই. ডি. এফত পি. ডব্লিউ. ডি ৰ ৰাস্তাত ৮০০ কিলোমিটাৰৰ ৬.২ কিলোমিটাৰ আপুনি পাইছে। ১২৬ টা সমষ্টিত আপুনি বেছিকৈ পাইছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভাস্কৰ বৰুৱা।

**শ্ৰী ভাস্কৰ বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন কৰিব বিচাৰিছো যে, আমাৰ তিতাবৰ সমষ্টিৰ বৰহ'লা অঞ্চলৰ যিটো বেকাজান, তাৰ কাষতে নগা পাহাৰৰ সমীপৱৰ্ত্তী এটা বৃহৎ অঞ্চল আছে যিটো মৰিয়ণিৰ পৰা আৰম্ভ হৈ গোলাঘাটৰ মেৰাপানীত শেষ হৈছেগৈ। এতিয়া তাত থকা বেকাজান নদীৰ যিবিলাক পাশ্ববৰ্ত্তী এলেকা তাত নগা পাহাৰৰ যি মুক্ত কয়লা খনন হৈছে, সেই খননৰ ফলত প্ৰায় ১০০০ বিঘা মাটি চিলটিং হৈ পোট খাই গৈছে। মানুহৰ বাৰী বিলাকো পোট খাই গৈছে। প্ৰাৰম্ভিক সময়তে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক কৈছিলো। তেখেতে মোৰ লগত তালৈ যাম বুলিও কৈছিল। কিন্তু তেখেতে হয়তো সময়ৰ অভাৱত তালৈ যাব পৰা নাই। মোৰ অনুৰোধ যে মন্ত্ৰী মহোদয়ে তালৈ এবাৰ যাব লাগে আৰু দ্বিতীয়তে, এই যি সমস্যা হৈছে হাজাৰ হাজাৰ খেতিয়কৰ মাটি পোট খাই গৈছে সেই কথাটো খুব গুৰুত্বপূৰ্ণ। তাত যদি আমাৰ বোৰ্ডাৰত এটা ৰাস্তা বনাই দিয়া হয় বা কিবা এটা যদি বান্ধ দিয়ে তেতিয়াহ'লে কৃষকৰ বহুখিনি উপকাৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ভাস্কৰ বৰুৱাৰ কথাখিনি মই গুৰুত্ব সহকাৰে চাম। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ প্ৰশ্ন এটাৰ মই উত্তৰ দিব পাহৰিছিলো। এতিয়া ক'ব খুজিছো। আঁচলতে অখিল গগৈ ডাঙৰীয়াই এ ডি বি ৰ লোনৰ পইচা তেওঁৰ সমষ্টিত বিচাৰিব নালাগে। কিয়নো আমাৰ এই বিধান সভাতেই তেওঁ লোনৰ বিৰুদ্ধে বহু ত উৎপাত কৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী গণেশ লিম্বু।

**শ্ৰী গণেশ লিম্বু (বৰচলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বৰচলাত বানপানী আৰু গৰাখহনীয়াৰ যথেষ্ট সমস্যা আছে। মোৰ সমষ্টিৰ তিনিখোৰীয়াৰ পৰা আৰম্ভ কৰি ঝাৰনি, তেলী গাওঁ, বতলা আৰু ভৰা শিঙৰী লৈকে প্ৰায় ২০ কিলোমিটাৰ মান ঠাইত কোনো ধৰণৰ মথাউৰি নাই। যাৰ ফলত এই ঠাই সমূহ ব্ৰহ্মপুত্ৰ নদীৰ ওচৰ চাপি গৈছে। সেয়েহে বৰ্তমান সেই অঞ্চলৰ লোক সকল যথেষ্ট সন্ত্ৰাসত আছে। মই আশা কৰিছো যাতে এই অঞ্চল সমূহত মাননীয় মন্ত্ৰী মহোদয়ে বানপানী আৰু গৰাখহনীয়াৰ সমস্যাৰ এটা স্থায়ী সমাধানৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই অনুৰোধ জনালো।

শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী লিম্বু ডাঙৰীয়াৰ সমষ্টিৰ কাম সমূহ সমাধানৰ কাৰণে আগবঢ়াইছো আৰু লগতে তাত কৰিব লগীয়া কাম আৰু বহুত আছে। গৰাখহনীয়াৰ প্ৰতিৰোধ নকৰিলে হয়তো কেতিয়াবা টুমুকী মেডিকেল কলেজ খনো ব্ৰহ্মপুত্ৰৰ কৱলত পৰিব পাৰে। গতিকে সেই কামখিনি সমাধানৰ কাৰণে যত্ন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপেশ গোৱালা, প্ৰশ্ন নং ২৫।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰূপেশ গোৱালা (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমা বিধান সভা সমষ্টিত দখন

পশু চিকিৎসা কেন্দ্ৰ আছে। এখন হৈছে ডুমডুমাত আৰু আনখন হৈছে কাকপথাৰত। কাকপথাৰৰ পশু চিকিৎসা কেন্দ্ৰটো শদিয়া সমষ্টিৰ ওচৰত যদিও ডুমডুমা সমষ্টিৰ লোক সকলও তাৰ পৰা উপকৃত হয়। মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ডুমডুমা আৰু মাৰ্ঘেৰিটা সমষ্টিক সামৰি ফিলবাৰী অঞ্চলত এখন পশু চিকিৎসা কেন্দ্ৰ স্থাপন কৰিব পাৰি নেকি ?

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ সমষ্টিত দুখন পশু চিকিৎসালয় কেন্দ্ৰ আছে। এখন ৰাজ্যিক পশু চিকিৎসালয় ডুমডুমাত আৰু দ্বিতীয়খন হৈছে খণ্ড পশু চিকিৎসা কেন্দ্ৰ কাকপথাৰত। তেখেতে কৈছে যে এখন তেখেতৰ সমষ্টিত নহয়, শদিয়া সমষ্টিত আছে। আমি ভৱিষ্যতে প্ৰয়োজনীয়তাক প্ৰতি লক্ষ্য ৰাখি আৰু ফাণ্ডৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থা গ্ৰহণ কৰিম।**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। দ্বিতীয় চাপ্লিমেন্টৰী।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ মাননীয় অধ্যক্ষ মহোদয়, যি দুখন পশু চিকিৎসালয়ৰ কথা কোৱা হৈছে, আমি জনা মতে পশু চিকিৎসা কেন্দ্ৰ সমূহত বিনামূলীয়া কৈ ঔষধ পাতি যোগান ধৰা হয়। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে বিনামূলীয়া যিবিলাক ঔষধ পতি দিয়া হয়, সেইবিলাক পশু পালক সকলে কিন্তু কেতিয়াও নাপায়। তেওঁলোকে সদায় ক্লিনিকৰ পৰা কিনিহে ওষধ পাতি ল'ব লগীয়া হয়। গতিকে এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?**

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কিছুমান ঔষধ বিভাগৰ তৰফৰ পৰা যোগান ধৰো। সকেলা ঔষধেই যোগান ধৰিব পৰা নাযায় আৰু আমি যোৱা সময়চোৱাত পৰ্য্যাপ্ত পৰিমাণৰ ঔষধ চিকিৎসাৰ বাবে যোগান ধৰিবলৈ চেষ্টা কৰিছো।**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৬, শ্ৰী চামচুল হুডা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।**

**শ্ৰী চামচুল হুডা, (পূৰ বিলাসীপাৰা) ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথাটো হৈছে আমাৰ অলপ হাই-কাজিয়া কৰাৰ অভ্যাসটো কম। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো আমৰ কাম-কাজৰ কাৰণে আমাকো যাতে গুৰুত্ব দিয়া হয়।** মাননীয় অধ্যক্ষ মহোদয়, বিলাসীপাৰা পূৱ সমষ্টিত গীৰাঙ্গ, চম্পাৱতী আৰু ব্ৰহ্মপুত্ৰ এই তিনিটা নদীয়ে গৰাখহনীয়াত জুৰুলা কৰি পেলাইছে। ৰাঙা মাটি জিপি, বহলপুৰ, দিৰেশ্বৰ, টাৰাঙাপুৰ, পুঠিমাৰী গাওঁ পঞ্চায়ত, এই অঞ্চলকেইটা চম্পাৱতী নদীৰ গৰাখহনীয়াত মানুহবিলাকৰ ঘৰ-দূৱাৰ ভাঙি গোটেই মানুহখিনিয়ে বন বিভাগৰ মাটিত বসবাস কৰি আছে। গৌৰাঙ্গ নদীয়ে হাতীপোতা আৰু কাঠালদি অঞ্চল বিলাকত খুব বেয়াকৈ গৰাখহনীয়া হৈ আছে আৰু বহ্মপুত্ৰ নদীয়েও ভালে কেইখন গাওঁ পঞ্চায়ত গৰাখহনীয়াই শেষ কৰি দিলে। মই মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলে, উত্তৰটো ঠিকে দিছে যে **২০২০** চনত এটা আঁচনি আমাৰ তাত দিয়া হৈছিল। সেইটো ইতিমধ্যে সমাপ্ত কৰিছে। কিন্তু তাৰ পিছত কোনো ধৰণৰ আঁচনি দিয়া হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছোঁ যে আমাৰ তাত গৰাখহনীয়া ৰোধ কৰাৰ যাতে আঁচনি দিয়া হয়।

**শ্ৰীপিযুয় হাজৰিকা (মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ আগন্তুক বিত্তীয় বৰ্ষত আপোনাৰ সমষ্টিত যিখিনি গুৰুত্বপূৰ্ণ কাম আছে, সেইখিনি কৰাৰ কাৰণে চেষ্টা কৰিম।

**শ্ৰীছামছুল হুদা (পূৰ বিলাসীপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, SDRF ৰ পৰা মন্ত্ৰী মহোদয়ে

কিছুমান scheme দিয়াৰ কথা কৈছে, অনুমোদন হৈছে। কিন্তু এতিয়াও দিয়া হোৱা নাই। গতিকে SDRF ৰ scheme খিনিও যাতে দিয়া হয়, তাৰ কাৰণে মই অনুৰোধ জনাইছোঁ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, SDRF ৰ scheme খিনি ইতিমধ্যে হৈ গৈছে, tender ৰো হৈছে। কাম আৰম্ভ হৈ যাব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰী নৰুল হুদা।

**শ্ৰীনৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গৰাখহনীয়া সম্পৰ্কে এই সদনত বহুত বাৰ আলোচনা হৈছে। যোৱা ফ্ৰেব্ৰুৱাৰী মাহত মাননীয় অধ্যক্ষ মহোদয়ে দায়িত্ব দিছিলে Revenue Minister ৰ আছে, আগৰ Water Resource Minister, Revenue Commissioner আৰু মোক আলোচনা কৰি যে এই যে শ শ পৰিয়াল মথাউৰিত বসবাস কৰি আছে। সেই সকলক ভুমিৰ পট্টা দিয়াৰ কাৰণে কৈছিলে। কিন্তু আজিলৈকে নহ'ল। এই সদনতে আলোচনা হৈছিলে, Water Resource Minister ডাঙৰীয়া চাম বুলি কৈছিলে। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব খুজিছো যে তেখেতসকলক অতি সোনকালে ভুমি-পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো আচলতে Water Resource Deparment ৰ related question নহয়, এইটো কৰে revenue department তে। কিন্তু আমাৰ চৰকাৰখনে এই বিষয়ে সচেতন। মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে উত্তৰতো দিছো, আমি এই ক্ষেত্ৰত সচেতন, যিসকল মানুহে মথাউৰিত বসবাস কৰি আছে, কষ্টৰে কৰি আছে। কেইদিনমান আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাজুলীৰ কথা কৈছে। মই কেইদিনমান আগত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ সমষ্টিলৈ গৈছিলো, তেখেতৰ সমষ্টিতো তেনেকুৱা আছে শিমলুগুৰীৰ টেতেলীগুৰিত। মই শিৱসাগৰ জিলাৰ উপায়ুক্ত ডাঙৰীয়াক follow up কৰিবলৈ নিৰ্দেশ দিছো। কিন্তু মানুহখিনিয়ে এতিয়ালৈকে উপায়ুক্তৰ ওচৰলৈ অহা নাই।

গতিকে As a whole চৰকাৰখনে যাৰ মাটি নাই, তেখেতসকলক মাটি দিয়াৰ কাৰণে চৰকাৰখনে চেষ্টা কৰি আছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ খানামুখৰ বামুনৰ জান নদীত যিখন guard wall দিয়া আছে, আধাৰুৱা অৱস্থাত আছে। আজি তিনি চাৰি বছৰ হৈ গ'ল। সেইখিনি যদি সম্পূৰ্ণ কৰা নহয়, তেনেহলে সেই অঞ্চলটো গৰাখহনীয়াত জাহ যাব। এই সংক্ৰান্তত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই কামটো কৰাৰ ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে সন্মানীয় সদস্য গৰাকীয়ে মোক কৈ আছিলে যাবলৈ। বিভিন্ন ব্যস্ততাৰ কাৰণত সময় উলিয়াবলৈ পৰা নাই। মই মাননীয় জেষ্ঠ্য সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ লগত আজিয়ে বহিম আৰু সমস্যাটো সমাধান কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং **২৭,** মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰীপ্ৰদীপ হাজৰিকা (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা হৈছে সত্ৰ নগৰী। যিটো প্ৰশ্ন কৰিছিলো তাৰে উত্তৰটো পাইছো। এই সত্ৰ নগৰীখনত **৯১** খন সত্ৰ আছে সৰু ডাঙৰ মিলাই। **১১** খন নৈ আছে আৰু **৫১**খন বিল আছে। মাননীয় অধ্যক্ষ মহোদয়, বৈষ্ণৱ আন্দোলনৰ সময়ত গুৰু শংৰদেৰ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱ, এই চাৰিগৰাকীৰ মিলনৰ স্থান অসমৰ আৰু কোনো ঠাইত নাই। একমাত্ৰ বৰপেটাতে সেইটো মিলন হৈছে। এই সকল সেই স্থানলৈ অহাৰ বাট-পথ এক মাত্ৰ নৈ আৰু বিল। এতিয়া কি হৈছে, উত্তৰ যদিও ঠিকে আছে আৰু উত্তৰত মাননীয় মন্ত্ৰীয়ে জনাইছে যে ইয়াত **২৪** কোটি টকা, তাৰ ওচৰত যিকেইখন বিশেষ নৈৰ যোগেদি তেওঁলোকে অহা -যোৱা কৰিছিলে, তাৰ উন্নয়নৰ কাৰণে তেখেতে পইচা দিছে। কিন্তু মোৰ কথাটো হ'ল এই কামবিলাক বহুত দীঘলীয়া সময়ৰ কাৰণে অৱহেলিত হৈ আছে আৰু ইয়াৰ চোৱা চিতা কোনেও কৰা হোৱা নাই। এতিয়া ইয়াত নাওঁ খেল হৈছিল **২০০৬** চনলৈকে। ইয়াতে বিদেশৰ পক্ষী বিলাক আহি পেলাই এই নৈ বিল বিলাকত এটা সুন্দৰ পৰিবেশ সৃষ্টি কৰিছে আৰু ইয়াতে শ শ মৌয়ুৰপক্ষী আগতে আহিছিলে। যিটো পৰিবেশ আমি নষ্ট কৰি পেলোৱা হ'ল। এই পৰিবেশটো ঘুৰাই আনিবৰ কাৰণে প্ৰকৃততে সত্ৰ মহানগৰী কৰাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে এটা survey কৰি বিশেষ ব্যৱস্থা ল'ব নেকি ?

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো Water Resource Department ৰ related নহয়। মাননীয় সদস্য গৰাকীয়ে অত্যন্ত জ্যেষ্ঠ, সেই কাৰণে তেখেতক উত্তৰটো দিছো। Water Resource Department বান নিয়ন্ত্ৰণ কৰে। আমাৰ clarity ৰ অলপ অভাৱ আছে। অলপ আগতে হাইলাকাণ্ডিৰ বিধায়কজনে বিল এখন ছুইচ গেট দিয়াৰ কথা কলে। বিলত আমি কাম নকৰো, বোৱতি নদীত কাম কৰো। কিন্তু বোৱতি নদীত নাওঁ খেলোৱা বা সংৰক্ষণৰ কাম আমি নকৰো। নদীৰ গোটেই সম্পদখিনি চাই মীন বিভাগে। নদীৰ পৰা বাহিৰত যদি পানী ওলাই যায়, সেইখিনিহে মোৰ দায়িত্ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীপ্ৰদীপ হাজৰিকা (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কথাটো বুজি পাইছো। কিন্তু কথাটো হ'ল এটা প্ৰশ্ন কৰিবলৈ হলে বহুতো বিভাগ জড়িত হৈ থাকে। সেই কাৰণে প্ৰশ্ন কৰা হয়, নহলে সমাধান নহয়।

**মাননীয় অধ্যক্ষ** ঃ সদনত বন আৰু মীন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াও আছে, আপোনালোকৰ ফালৰ পৰা কিবা কৰিব পাৰি নেকি, সেইটো চাব। Tourism Minister ও আছে, ইয়াত নৌকা-বিহাৰৰ কথাও কৈছে, আপুনিও চাব।

**শ্ৰীপিযুয় হাজৰিকা (মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ clarity ৰ দৰকাৰ আছে বুলি মই ভাৱো। কোনো কি চাব আমি আলোচনা কৰি লম।

**মাননীয় অধ্যক্ষ** ঃ যিটো সন্মানীয় সদস্য গৰাকীয়ে express কৰিছে, সেই সংৰক্ষণ কৰাৰ কাৰণে concern Minister সকলে কিবা ব্যৱস্থা লব পাৰে নেকি, চালে হ'ল।

প্ৰশ্ন নং ২৮ শ্ৰী ৰফিকুল ইছলাম

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত আছে।

**মাননীয় অধ্যক্ষ** ঃ বিভাগেই নাই, আৰু ক'ত চাপ্লিমেন্টৰী হ'ব। এইটো water resource ত নপৰে কাৰণে । যিজন প্ৰশ্নকৰ্তাই বৰপেটা সত্ৰ নগৰী বিষয়ত , যিবোৰ প্ৰশ্ন কৰিছিল। নদীৰ বিষয়টো

হৈ গ'ল নালাগে। আপুনি বেলেগত সোধক আৰু আছে, এইটো ৰফিকুল ইছলাম, চাওঁক, বৰপেটাৰ মানুহ হলেই নহ'ব নহয়, হৈছে নদীৰ কথা পুখুৰীৰ কথা, নৌকাবিহাৰৰ কথা।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া) ঃ-** মাননীয় অধ্যক্ষ মহোদয় এই উত্তৰত এটা মোৰ সমষ্টিৰ এটা কামৰ কথা কৈছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এইটোত মোৰ উত্তৰ দিবলৈ অসুবিধা নাই। কিন্তু এই প্ৰশ্নটো মোৰ related নহয়। মাননীয় প্ৰদীপ হাজৰিকা ৰ প্ৰতি সন্মান ৰক্ষা কৰিহে, উত্তৰ দিছো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত argument ত নাযাব। বৰপেটা সত্ৰনগৰীৰ ক্ষেত্ৰত আমাৰ মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো বিষয় তেখেতে ইয়াত উত্থাপন কৰিছে, নাই,নাই দিব নোৱাৰো next question 28. আপোনাৰ আছে আপুনি নিজৰ প্ৰশ্নত নালাগি বেলেগৰ প্ৰশ্নত কিয় লাগি আছে।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল, ইয়াৰ আগৰটো মোক কৰিব নিদিলে, নকৰো সেইটো, মাননীয় অধ্যক্ষ মহোদয়, মই কৃষি বিভাগক সুধিছিলো যে MSP ৰ ওপৰত কি কি কৃষিজাত সামগ্ৰী ক্ৰয় কৰা হয় অসমত, ইয়াৰ উত্তৰত দিছে যে একমাত্ৰ ধান এইবাৰ আৰম্ভ কৰিছে। ঠিকে আছে ,কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত বহু কেইবিধ সামগ্ৰী MSP ৰ ওপৰত ক্ৰয়, বিক্ৰী হয়। কিন্তু আমি মাত্ৰ অসমত ধান এতিয়াহে আৰম্ভ কৰিছো। গতিকে মন্ত্ৰী মহোদয়লৈ মোৰ আহ্বান থাকিব যে এই Financial year ৰ আমি ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত যিবোৰ সামগ্ৰী MSP ৰ ওপৰত কিনা হয়, আৰু সেই সামগ্ৰী আমাৰ অসমতো আছে। মাকৈ আছে, আলু আছে, মৰাপাট আছে, আৰু যিবিলাক সামগ্ৰী আমাৰ আছে, এই বিলাকৰ ওপৰতো MSP ধাৰ্য্য কৰি MSP ৰ ওপৰত কিনা হ'বনে নাই। সেই উত্তৰটো মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিম। খেতিয়ক সকলে খেতি কৰিবলৈ গৈ এই বছৰ আমি দেখিছো, ইউৰিয়া সাৰৰ ইমান নাটনি, ডিলাৰ সকলে খেতি কৰিবলৈ গৈ, এইবছৰ আমি দেখিছো, ইউৰিয়া সাৰৰ ইমান নাটনি, ডিলাৰ সকলে সাৰ পাই আছে, আৰু বৰপেটা জিলাত, বৰপেটা ৰোডত ৪-৫ জন ডিলাৰ আছে তেখেত সকলৰ ওচৰত যথেষ্ট পৰিমানে সাৰ আহে। কিন্তু যিসকল খুচুৰা বিক্ৰী কৰা দোকানী আছে, তেখেতসকলে গ'লে কম কমকৈ দিয়ে আৰু অতিৰিক্ত মূল্য লৈ দিয়ে। যিটো প্ৰিন্ট আছে, যিটো চৰকাৰী মূল্য ধাৰ্য্য কৰা আছে, ৪৫-৫০ কেজিৰ বেগ থাকে, ১ বেগত ডেৰ, দুশ টকা অতিৰিক্ত লৈ বৰপেটা জিলাত এনেকুৱা ধৰণে ইউৰিয়া সাৰ দিছে। যাৰ নাটনিৰ কাৰণে কৃষকে সময় মতে সাৰ পোৱা নাই। মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো, বৰপেটাত এইটো তদন্ত কৰি ইয়াৰ বিহীত ব্যৱস্থা ল'ব নে নাই মই উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া,

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় সন্মানীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই ঠিকেই কৈছে যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত ধানৰ উপৰিও অন্যান্য কৃষিজাত সামগ্ৰীও MSP ত ক্ৰয় কৰে, নিম্নতম সমৰ্থিত মূল্যত ক্ৰয় কৰে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত যিখিনি উৎপাদন হয়, জহা চাউলটো আচলতে আমাৰ কৃষক সকলেই দিবলৈ নাযাব। আৰু অন্যহাতে মই সদনৰ মজিয়াত জনাবলৈ পালে সুখী হ'ম যে পোন প্ৰথমবাৰৰ বাবে এইবাৰ ভাৰত চৰকাৰৰ মূল্য সন্তুলনকাৰী নিধিৰ অধীনত নাফেড, নাফেডৰ জৰিয়তে প্ৰথমবাৰৰ বাবে অসমত প্ৰতি কুইন্টলত ৬৩০০ টকা নিম্নতম সমৰ্থিত মূল্যত মাটি মাহ ক্ৰয় কৰাৰ প্ৰক্ৰিয়া আমি আৰম্ভ কৰিছো। মই

সন্মানীয় সদস্য সকলৰ সহযোগিতা বিচাৰিছো, আৰু সন্মানীয় সদস্যজনে কোৱাৰ দৰে ধান , জোৱাৰ, মাকৈ, ৰাগি, ৰহৰ, মগু, মাটিমাহ, কপাঁহ, বাদাম, সূৰ্য্যমূখী ফুলৰ গুটি, ছয়াবিন, তিল আৰু গুজিতিল, ঘেহু, বাৰ্লি, বুটমাহ, মচুৰ, সৰিয়হ, চান ফ্লাৱাৰ আৰু টুৰিয়া, নাৰিকলৰ শুকুৱা সাহ, বাকলি গুচোৱা শুকান নাৰিকল আৰু মৰাপাট এনেধৰণৰ ২৪ বিধ ৰবি শস্যৰ নিম্নতম সমৰ্থিত মূল্য এম এচ পি ভাৰত চৰকাৰে ঘোষণা কৰি আহিছে। গতিকে আমি পৰ্য্যায় ক্ৰমে চেষ্টা কৰিম খেতিয়কৰ যদি লাভ হয়, নিম্নতম সমৰ্থিত মূল্যত এই সমূহ ক্ৰয় কৰিবলৈ আৰু মই সদনৰ মজিয়াত এই কথাটো ক'বলৈ পালে সুখী হম। যোৱা কালিও paddy procurement ৰ ওপৰত বহুখিনি আলোচনা হৈছিল। সন্মানীয় মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়াই ইয়াৰ উত্তৰত কৈছিল, যোৱা কালিৰ আগৰ দিনটোলৈকে মুঠ আমি procurement কৰিছিলো ৯০৪২২ মেট্ৰিকটন। এতিয়া ৯৮ হাজাৰত কৈ যোৱা কালিৰ দিনটোত পাৰ হৈছে ৯৮৪২২ মেট্ৰিকটন। আৰু যি সকলে paddy ইতিমধ্যে procure কৰিছে ১৩৭৩১ জনে আৰু ৭৩০২৯ জনে ৰেজিষ্টাৰ কৰিছে। এই হিচাপত চাবলৈ গ'লে আমি অহা দিন বিলাকত বহুতখিনি ক্ৰয় কৰিব পাৰিম। এতিয়ালৈকে Total paddy available with registered farmers হৈছে ৪২৩৭৪৯ জন আৰু তেখেতে এটা আনুসংগিক গুৰুত্বপুৰ্ণ বিষয় উত্থাপন কৰিছে সাৰৰ ওপৰত । আমি এই বছৰ সাৰ সৰ্ম্পকত, সাৰ চাপ্লাই সৰ্ম্পকত, সাৰ বাহিৰত বিক্ৰী সৰ্ম্পকত যিবিলাক অভিযোগ ৰাজহুৱা ভাবে উৎথাপিত হৈছে, সংবাদ মাধ্যমত প্ৰকাশ পাইছে, সেই বিলাকৰ ওপৰত আমি তদন্ত কৰিছো, বিভাগীয় তদন্তৰ লগতে মাননীয় মুখ্যমন্ত্ৰীয়েও অনুসন্ধান দিছে আৰু streamline কৰিবৰ কাৰণে আমি কেতবোৰ ব্যৱস্থা লৈছিলো। কিছুমান লোকৰ আই ডি আছে, আমি জানো Retailer কিছুমান আছে, wholeseller কিছুমান আছে, এইবিলাকে আচলতে বিভিন্ন ঠাইত অধিক মূল্যত বিক্ৰী কৰাৰ খবৰ আমালৈ আহি আছে। গতিকে সেই বিলাক আমি অনুসন্ধান কৰি বিহীত ব্যৱস্থা ল'বলৈ চেষ্টা কৰিছো। বৰপেটাত যি অভিযোগ আছে, আমি ইতিমধ্যে বহু আই ডি কেঞ্চেল কৰিছো। গতিকে নতুন যোগ্য ব্যক্তিক বিভাগৰ পৰা যি ক্ৰাইটেৰিয়া ঠিক কৰি দিয়া হৈছে, সেই সকলক আমি খুব কম দিনৰ ভিতৰতে এই খিনি দিয়াৰ ব্যৱস্থা কৰিম ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, আৰু কিবা আছে নেকি ?

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ অন্য ৰাজ্যত বহু কেইবিধ বস্তু এম এচ পি ৰ ওপৰত ক্ৰয় কৰে। তেখেতে লিষ্টখন কৈছে মই সেইটো পুনৰাবৃত্তি নকৰো। সময়ো কম, কিন্তু আমি কেৱল ধানহে আৰম্ভ কৰিছো. তেখেতে কৈছে পৰ্য্যায় ক্ৰমে, পৰ্য্যায় ক্ৰমে কিয় ? সৰিয়হ আছে, মাটিমাহ আছে, ইত্যাদি ইত্যাদি যিবোৰ বস্তু আমাৰ আছে, কিনিলে আমাৰ কৃষকে দাম পাব। গতিকে এতিয়াই আৰম্ভ কৰিব লাগে, আৰু তদন্তৰ কথা তেখেতে যিটো কৈছে, wholeseller বিলাকে দুই নম্বৰী কৰি আছে। সেই সকলৰ লাইচেঞ্চ বাতিল কৰিব লাগে। এজন খুচুৰা বিক্ৰেতাৰ আই ডি কেঞ্চেল কৰিলে কি হ'ব ?

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, এতিয়া পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এম এচ পি ৰ জৰিয়তে যিটো ধান ক্ৰয়ৰ ব্যৱস্থা কৰিছে আমিও দাবী জনাইছো যে চৰকাৰলৈ আহ্বান জনাইছো যে বাকী উৎপাদিত সামগ্ৰীও যাতে ক্ৰয় কৰাৰ ব্যৱস্থা কৰে। সাৰৰ ক্ষেত্ৰত যিটো চলি আছে, মাজে মাজে যোৱা বছৰটোত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে যে কৃষকে যাতে উচিত মূল্যত সাৰ পায়। নৰ্থ বেংকৰ কথাটো মই বিশেষকৈ মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে জনাও যে, নৰ্থ

বেংকত কিন্তু আগতে পোৰা নাছিল। আমি জনাত আগতে কিন্তু সাৰ পোৰা নাছিল। যোৰা বছৰ আমাৰ চৰকাৰৰ তৎপৰতাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ব্যৱস্থা গ্ৰহণ কৰিলে, শোণিতপুৰ জিলাৰ ডেকাৰ গাওঁ, লক্ষীমপুৰ এই নৰ্থ বেংক বা উজনিত সাৰ পোৱাৰ ব্যৱস্থাটো হৈছে আৰু ৫০ হাজাৰ ওপৰত এই ক্ষুদ্ৰ চাহ খেতিয়ক নৰ্থ বেংকত আছে সাৰ পাবলৈ যোৱাবাৰহে তেওঁলোকে ভালকৈ সাৰ পাবলৈ সক্ষম হৈছে। গতিকে এইবাৰ যাতে এই সাৰ পোৱা ব্যৱস্থাটোত আকৌ বেমেজালি নাহে তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই চোকা দৃষ্টি দিবলৈ আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াই তেখেতে নিজে কৈছে যে যোৱা বছৰ এইখিনি ঠিক হৈছে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই যিবিলাক Whole seller আছিল, Whole seller সকলৰ লগত পোনপটীয়াকৈ আমি একেলগে বহি তেখেতৰ উদ্যোগত আমি আলোচনা কৰিছিলো। ইয়াৰ পাছতো আমি কেইবাবাৰো তেওঁলোকৰ লগত মিলিত হৈছো যাতে আমি প্ৰয়োজন অনুসৰি সকলো ঠাইতে ৰাজ্য খনৰ য'ত য'ত খেতিয়কৰ প্ৰয়োজন হয় সেইখিনি সাৰ নিয়মমতে জাতে আমি যোগান দিব পাৰো। এতিয়া গাৰ্ডেনৰ যি requirement সেই requirement ভাৰত চৰকাৰক আমি ডিমাণ্ড দিবলগীয়া হয়। সাৰ বহুত গাৰ্ডেনত যায় অন্য ঠাইতো যায় কিন্তু rack point আমাৰ কম আছে। Whole seller বিলাকে য'ত rack point ঠিক কৰি দিছে কিন্তু সেই ঠাইত তেওঁলোকে নিয়ম মতে কামখিনি নকৰে। এনেকুৱা ধৰণৰ অসুবিধা কেতবোৰ হৈ উঠা নাছিল। আমি সেইখিনি ঠিক ঠাক কৰি আগবাঢ়িবলৈ চেষ্টা অব্যাহত ৰাখিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে কৃষি মন্ত্ৰী ডাঙৰীয়াই ইউৰিয়া সাৰৰ ওপৰত যিখিনি কথা কৈছে তেখেতে তদন্ত কৰা বুলি কৈছে। আপোনাৰ জৰিয়তে তেখেতক অনুৰোধ জনাম যে তদন্তৰ প্ৰতিবেদন কি হ'ল? তদন্তৰ প্ৰতিবেদন ৰাজহুৱা কৰিব লাগে কাৰণ আমাৰ হাতত খবৰ আছে আৰু এই কথাবিলাক বিভাগক আমি বহুবাৰ অৱগত কৰিছো যে বৰপেটা জিলাৰ যিখিনি ইউৰিয়া সাৰৰ ডিলাৰ আছে সেই ডিলাৰৰ পৰা ভূটানলৈ ইউৰিয়া সাৰ বিক্ৰী কৰে, West Bengal ত ইউৰিয়া সাৰ বিক্ৰী কৰে, নাগালেণ্ড, অৰুণাচল প্ৰদেশত ইউৰিয়া সাৰ বিক্ৰী কৰে। গতিকে এই কথাবিলাক তদন্ত কৰি সামৰি থাকিলে নহ'ব। ইয়াৰ উপযুক্ত ব্যৱস্থা ল'ব লাগিব। গতিকে আপোনাৰ জৰিয়তে আজি মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো, চৰকাৰৰ প্ৰতি অনুৰোধ জনাইছো। ইউৰিয়া সাৰৰ যি কেলেংকাৰী তাৰ কাৰণে তদন্ত ঘোষণা কৰিব লাগে আৰু তদন্ত ৰাজহুৱা কৰিব লাগে আৰু সেই ক্ষেত্ৰত দৰকাৰ হ'লে বিধায়ক সকলৰ সহযোগ ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে সকলোৱে নিশ্চয় গম পাইছে নামৰূপ ফাৰ্টিলাইজাৰৰ কেইগৰাকীমান বিষয়া এনে ধৰণৰ কেতবোৰ অভিযোগ থকাত তেওঁলোকৰ ওপৰত ইতিমধ্যে আইনী ব্যৱস্থা গ্ৰহণ কৰিছে আমাৰ চৰকাৰে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত বিশেষভাৱে উদ্যোগ লৈছিল আৰু আপোনালোকৰ যদি কিবা information আছে এনেকুৱা ধৰণৰ খেলিমেলি কৰা সাৰৰ যদি তেওঁলোকে ভূটানৰ ক'ৰবাত পঠাই, অৰুণাচলৰ মিজোৰামত পঠাইছে তেনেকুৱা খবৰ পালে আপোনালোকে যদি জনাই তেতিয়াহ'লে নিশ্চিতভাৱে চৰকাৰে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই পবিত্ৰ বিধান সভাত উপযুক্তভাৱে প্ৰমাণ সহকাৰে কথাখিনি কৈছো আপুনি তদন্ত ঘোষণা কৰক। তদন্ত ঘোষণা কৰিলে গোটেইখিনি ওলাই যাব।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)ঃ** তদন্ত হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** আজিলৈকে বৰপেটা জিলাত আৰু বজালী জিলাত ডিলাৰৰ ওপৰত কোনো ব্যৱস্থা হোৱা নাই। তেওঁলোকে উঠি ৰজা বহি ৰজা হৈছে।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয় এই কথাটো মই সদনত কবলৈ ভাল পাম যে আমি দায়িত্ব লোৱাৰ পাছত সাৰৰ যোগান যাতে নিয়মীয়া হয় কোনো অসৎ দুস্কৃতিকাৰী সাৰ ব্যৱসায়ীৰে আমাৰ সাৰ বিলাক বাহিৰলৈ প্ৰেৰণ কৰিব নোৱাৰে তাৰ কাৰণে যাৱতীয় ব্যৱস্থা যোৱা ছয় টা বছৰে গ্ৰহণ কৰা হৈছে।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** বহক। এইটো প্ৰশ্ন শিতান। এনেকুৱা ধৰণৰ কিয় পৰিবেশ সৃষ্টি কৰে। আপোনালোকে অনুৰোধ কৰিছে বিভিন্ন বেমেজালি কিবা কিবি হৈ আছে সেইখিনিৰ ওপৰত তদন্ত কৰিব লাগে। Initiative লম বুলি মন্ত্ৰী ডাঙৰীয়াই ক'লে সেইটোৱে উত্তৰ।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** বহক, বহক। সকলোৱে বহক। সন্মানীয় সদস্য অখিল গগৈ live ত সকলোৱে দেখি আছে। বিচাৰটো বাহিৰত কৰিব যে তেওঁলোকক কি লাগে, ৰাইজক কি লাগে।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** বহক। মই অধ্যক্ষই থিয় হৈ আছো। আপোনালোকে বহকচোন। আপোনালোকৰ লিডাৰ সকলক সুধি লওঁক, আপোনালোক জুনিয়ৰ মানুহ। চিনিয়ৰ সকলক সুধি লওঁক। এনেকৈ ব্যৱহাৰ কৰিব নাপায় নিজৰ মাজত। সকলোৱে ইয়াত ১ নম্বৰ চিটিজেন আছে। চাৰে ৩ কোটি মানুহৰ ভিতৰত ১২৬ জনক ইয়াত পঠাই দিছে। যি ১২৬ জনৰ দায়িত্ব আছে, এই দেশখন চলাই লৈ যোৱাত। ইয়াৰ নাগৰিকক চলাই লৈ যোৱাত, ৰাইজৰ লগত যদি আছে। বহকচোন।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** কমলাক্ষ আপুনি বহকচোন। আপুনি ডাঙৰ নেতা। আপোনাৰ পাৰ্টীয়ে দায়িত্ব লৈছে। আপুনি কেৱল বিধায়কে নহয়, পাৰ্টিৰো দায়িত্বত আছে। এই অসমখনৰ নেতৃত্ব লৈ যোৱাৰ কথা আপোনালোকে দোহাৰি থাকে। শুনকচোন, এইটো প্ৰশ্ন শিতান। প্ৰশ্ন শিতানত যিজন মন্ত্ৰীৰ দায়িত্বত আছে, তেওঁ উত্তৰ দিব। মই মাজত আছো। গোটেই প্ৰক্ৰিয়াটো মই চাই আছো। আপোনালোকে প্ৰশ্ন কৰিছে, মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে। আপুনি কৈছে, তদন্ত কৰিব লাগে, মন্ত্ৰী ডাঙৰীয়াই কৈছে ইয়াৰ ওপৰত বিহীত ব্যৱস্থা লোৱা হ'ব। আপুনি শুনক কথাটো। সকলোৱে এনেকৈ উত্তৰ দি থাকে নেকি। সদনত নিয়মৰ কথা আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, তদন্ত ঘোষণা কৰি দিম বুলি কলেই হ'ল।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দুই নম্বৰ কাৰ্য্যসূচী হাতত লৈছো। যোৱা ১৪-০৩-২০২২ তাৰিখে, বহা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকৰ সিদ্ধান্ত মৰ্ম্মে নিম্নোক্ত মঞ্জুৰী **দুটা** অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনিৰ লগতে বাকী মঞ্জুৰীসমূহ ক্ৰম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

মঞ্জুৰী **দুটা** হ'ল- **১)** 'শিক্ষা' **আৰু**

**২)**'পথ আৰু দলং'।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পইণ্ট অফ অৰ্ডাৰ ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰকালত মই সোধা প্ৰশ্নৰ ক্ষেত্ৰত বিভাগৰ উত্তৰকেইটা সঠিক নোহোৱা বাবে এনেকুৱা কিছু সমস্যাৰ সৃষ্টি হৈছিল। আপুনি এই বিষয়ত যোৱা সময়ছোৱাত. মন্ত্ৰী সভাত পৰামৰ্শ দিম বুলি কৈছিল। আজি কৃষি বিভাগৰ কথা আহিলে যোৱা সময়ছোৱাতো কৃষি বিভাগৰ বিভিন্ন কেলেংকাৰীৰ কথা ওলাইছিল আৰু চৰকাৰেও এখন কমিটি গঠন কৰি দিম বুলি কৈছিল। ইয়াৰ পূৰ্বে জিষ্ণু বৰুৱা কমিটিৰ ৰিপোৰ্ট এতিয়াও সদনত দাখিল হোৱা নাই। সেইকাৰণে কৃষিবিভাগৰ ওপৰত কিছু সন্দেহ হৈছে আৰু আমাৰ বিধায়কসকলে কৃষিবিভাগৰ ওপৰত এটা তদন্ত বিচাৰিছিল। মই আশা কৰো তদন্ত ঘোষণা কৰা হ'লে এনেকুৱা হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি নহ'লহেঁতেন আৰু লগতে পূৰ্বৰ জিষ্ণু বৰুৱাৰ ৰিপোৰ্টটো অতি সোনকালে আপুনি সদনত দাখিল কৰিবলৈ আপুনি বিভাগক নিৰ্দেশ দিয়াৰ বাবে অনুৰোধ জনাই মই মোৰ পইণ্ট অফ অৰ্ডাৰ সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিৰোধী দলপতি ডাঙৰীয়া, সদনত যেতিয়া আমাৰ যিকোনো বিষয়ৰ ওপৰত আলোচনা হয়, মন্ত্ৰীসকলে সকলো বিষয়ে শুনে আৰু সন্মানীয় সদস্য সকলে তেওঁলোকৰ ফালৰ পৰা যিখিনি জানিবলগীয়া থাকে বা যিখিনি দাবী কৰিবলগীয়া থাকে সেইবোৰৰ ওপৰত দাবী কৰে। কিন্তু কেতিয়াবা এনেকুৱা পৰিস্থিতি হয় যে মন্ত্ৰীসকলে হয়তো এক মিনিটৰ ভিতৰত সিদ্ধান্ত ল'ব নোৱাৰিব পাৰে। মই যেতিয়া বিধান সভা আৰু ৰাজ্যসভাৰ সদস্য আছিলো তেতিয়া মন্ত্ৰীসকলে বিভিন্ন সময়ত এইবিষয়ে ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰা দেখিবলৈ পাইছিলো। ইয়াৰ পিছত স্পীচটো যদি আপোনালোকৰ হাতত থাকে মই ভাৱো আপোনালোকে মন্ত্ৰী ডাঙৰীয়াক কোনটো ঠাইত কি কেলেংকাৰী হৈছে সেই বিষয়ে স্পষ্টকৈ লিখি দিলে নিশ্চয় মন্ত্ৰী ডাঙৰীয়াৰ তদন্ত কৰিবলৈ সুবিধা হ'ব আৰু তাৰ ওপৰত বিহীত ব্যৱস্থা ল'বলৈ সুবিধা হ'ব। এনেকৈ কৈ থাকিলে বিষয়টো আগবাঢ়ি নাযায়। সেইকাৰণে মন্ত্ৰী ডাঙৰীয়াকো যাতে আপোনালোকে লিখিতভাৱে অৱগত কৰে আৰু মন্ত্ৰী ডাঙৰীয়াকো মই অনুৰোধ কৰিছো যাতে তেওঁলোকে লিখিতভাৱে পোৱাৰ পিছত তদন্ত ঘোষণা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক অলপমান ক'বলৈ সুবিধা দিব লাগে। যিহেতু এই বিষয়ে আলোচনা হৈছে। যোৱা কাৰ্য্যকালৰ সদনতো কৃষি বিভাগৰ সাৰৰ কেলেংকাৰীৰ ওপৰত আলোচনা হৈছিল আৰু সেই সময়তো আমি গুৰুত্বসহকাৰে গ্ৰহণ কৰি বিভিন্ন সময়ত আমি বিভাগৰ জৰিয়তে তদন্ত ঘোষণা কৰিছিলো। এতিয়াও ক'ত খেলিমেলি হৈ আছে আৰু কোন পৰ্য্যায়ত খেলিমেলি হয় আৰু এই সমূহ ষ্ট্ৰীমলাইন কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত প্ৰথমৰ পৰাই প্ৰচেষ্টা হাতত লৈছো। সেইবাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ফাৰ্টিলাইজাৰৰ ডিলাৰ, হোলচেলাৰ সকলোকে মাতি আনি সতৰ্ক কৰি দিছে যে অতীতত কি হৈছে, সেইখিনিতো চাবই লগতে ভৱিষ্যতে যাতে খেলিমেলি নহয়। তথাপিও সময়ে সময়ে আমি কেতবোৰ অভিযোগ সংবাদ মাধ্যম আদিত প্ৰকাশ হোৱা দেখিবলৈ পাওঁ আৰু মই এই কথাসমূহ লুকাই থোৱা নাই, মুকলিকৈ কৈছো। মাননীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত

মই খুব স্পষ্টভাৱে কৈছো। মাননীয় সদস্যসকলে যদি ক'ত খেলিমেলি হৈছে আঙুলিয়াই দিয়ে আমি বিভাগৰ জৰিয়তে তদন্ত কৰিম আৰু এই খেলিমেলি দূৰ কৰিবলৈ আমাৰ বিভাগেও গুৰুত্বসহকাৰে লৈছে। আমাৰ বহু মাননীয় সদস্য আমাৰ ওচৰলৈ আহে যে আই ডি কাৰ্ড দিব লাগে আৰু আমি তাত চহী কৰি দিব লাগে। মই সেই গোটেইখিনি যদি চহী কৰিলোহেঁতেন কেলেংকাৰী তাতেই ওলালেহেঁতেন। আমাৰ আই ডি কোনে পায় নাপায় সেইটো এটা টেক্‌নিকেল কথা। এই ক্ষেত্ৰত কোন যোগ্য হ'ব সেই বিষয়ে বিভাগে কিছুমান ক্ৰাইটেৰিয়া ঠিক কৰি দিছে। সেইটো হ'বলৈ দিব লাগে। এনেকুৱা ধৰণৰ অনুৰোধ লৈ বহু বিধায়ক আমাৰ ওচৰলৈ আহে। কিন্তু আমি সদায় কৈছো যে আমাক এইবোৰত অন্তৰ্ভুক্ত নকৰিব আৰু আমাক আচলতে মুকলিকৈ কাম কৰিবলৈ দিব লাগে। মাজতে বৰাকভেলীত এনেকুৱা এটা অভিযোগ উঠিছিল আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গৃহ বিভাগৰ জৰিয়তে তদন্ত ঘোষণা কৰিছিল আৰু তাৰ ব্যৱস্থাও গৃহবিভাগে গ্ৰহণ কৰিছে। মাজতে নামৰূপতো নামৰূপ ফাৰ্টিলাইজাৰৰ কেইজনমান বিষয়াৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছিল আৰু তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে। যিসমূহ হোলচেলাৰ আছিল, যি সমূহ ৰেট পইণ্ট ডিলাৰবোৰে ঠিক কৰি দিছিল। তেওঁলোকে য'ত ঠিক কৰা আছে তাত নিদিয়ে, সাত টা যদি আছে তেওঁলোকে দুটা দিয়ে। এনেকুৱাধৰণৰ বহুতো কথা আছে। এইবিলাক ঠিক কৰিবলৈ আমি বিভাগৰ জৰিয়তে চেষ্টা কৰি আছো আৰু আপোনালোকৰ সহযোগিতা বিচাৰিছো। তদন্ত নকৰাৰ কথাটো নাহে। কাৰণ তদন্ত চলি আছে। গৃহবিভাগেও কৰিছে আৰু বিভাগেও কৰিছে। গতিকে এইখিনিত মই সন্মানীয় সদস্যসকলৰ সহযোগিতা বিচাৰিছো। কাৰণ ফাৰ্মাৰ্চ লাভান্বিত হ'ব লাগে আৰু আমি কৃষিক্ষেত্ৰখনলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছো। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৃষকৰ উপাৰ্জন দুগুণ কৰিবলৈ ২০২২ চনক লক্ষ্য হিচাপে লৈছে। ......interruption....

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ ফালৰ পৰা দূৰ্নীতি কৰা সকলৰ অভিযোগ বিচাৰিছে। মই এটা ক'বলৈ বিচাৰিছো যে বৰপেটা জিলাৰ এচ ডি অ', জনৈক বায়নৰ নেতৃত্বত দূৰ্নীতি চলি আছে। তেওঁৰ বিৰুদ্ধে তদন্ত কৰিবৰ বাবে সদনত অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত তদন্ত কৰা হ'ব আৰু এনেধৰণৰ কিবা অভিযোগ থাকিলে আমাক দিব আমি তদন্ত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ কৰ্তন প্ৰস্তাৱ আছে আৰু দুটা বজাত কৰ্তন প্ৰস্তাৱ শেষ হ'ব। আপোনালোকে যদি এনেধৰণে যদি পইণ্ট অফ অৰ্ডাৰ কৈ থাকে আৰু কৰ্তন প্ৰস্তাৱ আলোচনা নকৰে মোৰ একো আপত্তি নাই।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ. আমার একটা point of order আছে। মূল কথা হচ্ছে যে বিধান সভায় বাংলার একজন ইন্টারপ্রেটার লাগে। বিগত শীতকালীন অধিবেশনে আমরা বলেছিলাম যে বাংলাকে ইনক্লুড করার জন্য, কিন্তু আমরা দেখতে পারছি যে এখনও সেটা হয় নি। অনেক উন্নতি সাধন হয়েছে। আপনি অনেক পরিবর্তন করেছেন। কিন্তু সামান্য একটা বিষয় সেটা এখনও হয় নি। সেইজন্য আপনাকে অনুরোধ করছি যে তিনটা ভাষার সাথে বাংলাকে ইনক্লুড করার জন্য।

**মাননীয় অধ্যক্ষ ঃ** ইমান বছৰে আৰম্ভ হোৱা নাছিল। এতিয়া আৰম্ভ হৈছে। অলপ সময় লাগিব। পাঁচটা ভাষাত ইণ্টাৰপ্ৰেটৰ হ'ব আৰু পাঁচটা ভাষাত ইণ্টাৰপ্ৰেটাৰ হোৱাৰ কাৰণে পোষ্ট এতিয়া

চেংশ্যন হোৱা নাই। যি খিনি বেঙ্গলীৰ পোষ্ট চেংশ্যন হৈ আছে তেওঁলোকে ইণ্টাৰপ্ৰেটৰ হ'বলৈ এতিয়াও প্ৰস্তুত হোৱা নাই। বৰ্তমান যিখিনি বেঙ্গলী ৰিপোৰ্টাৰ আছে তেওঁলোকে বেঙ্গলী ইণ্টাৰপ্ৰেটৰ হ'বৰ বাবে প্ৰস্তুত নহয়। সেইকাৰণে নতুন ইণ্টাৰপ্ৰেটৰ লাগিলে নতুন পোষ্ট লাগিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা তৰাবিহীন প্ৰশ্ন নং- ৯৫ দ্বীপৰ বিলৰ ওপৰত অনা হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, তালিকা এখন এনক্লোজ কৰা হৈছে বুলি কৈছে । কিন্তু হাৰ্ডকপিবোৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** এইটো সদনৰ সিদ্ধান্ত যে সদনত লে কৰাৰ আগতে কোনেও উত্তৰবোৰ নাপাব। ৯ বজাৰ লগে লগে সকলোবোৰ অন লাইন দিয়া হয়। ডাঙৰ এনেক্সাৰবোৰৰ হাৰ্ড কপি আজিকালি দিয়া নহয় অন লাইনত দিয়া হয়।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Question No. 96 (d) আৰু (e) টো বন বিভাগৰ ওপৰত আছিল। কিন্তু, দেখা গৈছে যে ইয়াৰ উত্তৰটো দিয়া নাই। গোৱালপাৰাৰ পঞ্চৰত্নত যি অবৈধ বালিৰ মহল হৈ আছে, সেই বিষয়ত প্ৰশ্ন কৰিছিলো, কিন্তু উত্তৰত এই সম্পৰ্কে একো কোৱা নাই। এই কথাটো আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, বিভাগক অৱগত কৰা হ'ব।

এতিয়া, আমাৰ Supplementray Demand ত কৰ্তন প্ৰস্তাৱ আছে। প্ৰথমে, মই শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব বিচাৰিছো যে ২০২২ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ ' মঞ্জুৰী নং ৭১ - শিক্ষা' ৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১০০০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এতিয়া এই মঞ্জুৰী প্ৰস্তাৱটোত চাৰিটা কৰ্তন প্ৰস্তাৱ আছে । প্ৰথমটো হ'ল- শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ৰাজেদ আলী চৌধুৰী, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰীমতী নন্দিতা দাস, শ্ৰী আব্দুল বতিন খন্দকাৰ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী দিগন্ত বৰ্মন, শ্ৰী সিদ্দেক আহমেদ, শ্ৰী খলিল উদ্দিন মজুমদাৰ, শ্ৰী আবুল কালাম ৰশিদ আলম। দ্বিতীয়টো- হাফিজ বছিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), ড° ৰফিকুল ইছলাম, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী নজৰুল হক, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) শ্ৰী কৰিম উদ্দিন বৰভূঞা, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী সুজাম উদ্দিন লস্কৰ, শ্ৰী চিৰাজ উদ্দিন আজমল, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰী আব্দুল আজিজ, শ্ৰী নিজাম উদ্দিন চৌধুৰী, তৃতীয়টো- শ্ৰী মনোৰঞ্জন তালুকদাৰ আৰু চতুৰ্থটো শ্ৰী অখিল গগৈৰ ।

এতিয়া, যিসকল সদস্যই কৰ্তন প্ৰস্তাৱ আনিছে, ক্ৰম অনুযায়ী তেওঁলোকক কৰ্তন প্ৰস্তাৱ কেইটা উত্থাপন কৰিবক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। প্ৰথমে, ৰাজেদ আলী চৌধুৰী ডাঙৰীয়া।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৩৫-৩৭ পৃষ্ঠাত থকা "শিক্ষা" শিতানৰ ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক, অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০০০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** দ্বিতীয়টো কৰ্তন প্ৰস্তাৱ উত্থাপন কৰক।

**শ্ৰী আমিনুল ইছলাম, (মানকাছাৰ)ঃ** ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৩৫-৩৭ পৃষ্ঠাত থকা "শিক্ষা" শিতানৰ ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০০০ লাখ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৩৫-৩৭ পৃষ্ঠাত থকা "শিক্ষা" শিতানৰ ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০০০ লাখ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৩৫-৩৭ পৃষ্ঠাত থকা "শিক্ষা" শিতানৰ ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০ কোটি টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০ কোটি টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰাজেদ আলী চৌধুৰী ডাঙৰীয়াক কৰ্তন প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা হৈছে আমাৰ জাতিৰ মেৰুদণ্ড। কিন্তু, এই শিক্ষা ব্যৱস্থাত, বিশেষকৈ, অসমৰ ক্ষেত্ৰত গুৰুত্ব দিয়া দেখিবলৈ পোৱা নাই। ২০০৯ চনত RTE Act খন সংসদত পাছ কৰা হৈছিল। তাত স্পষ্টভাৱে আছে- প্ৰতি এক কিঃমিঃ অন্তৰালত এখনকৈ এল.পি. স্কুল, প্ৰতি তিনি কিঃমিঃ অন্তৰালত এখনকৈ এম.ই. স্কুল আৰু প্ৰতি পাঁচ কিঃমিঃ অন্তৰালত এখনকৈ হাইস্কুল স্থাপন হ'ব লাগে। কিন্তু, দেখা গৈছে যে- এতিয়ালৈকে চৰ আৰু পাহাৰৰ বহুতো অঞ্চলত স্কুল নাই। মোৰ সমষ্টিত সৰ্বাধিক চৰ অঞ্চল আছে। কিন্তু , তাৰে বহু পঞ্চায়তত স্কুল নাই। এইটো অত্যন্ত দুৰ্ভাগ্যজনক কথা। এতিয়া ২০২২ চন, কিন্তু ২০০৯ চনতে পাছ হোৱা সেই শিক্ষাৰ আইনমতে একো কাম হোৱা নাই। এতিয়াও তিনিশৰো অধিক স্কুলত শিক্ষক নাই। শিক্ষক বিহীনভাৱে স্কুল চলি আছে। চাৰি হাজাৰৰো অধিক স্কুলত মাত্ৰ এজনকৈ শিক্ষক আছে য'ত তিনি-চাৰিশকৈ ছাত্ৰ-ছাত্ৰী আছে। আধুনিক শিক্ষা পদ্ধতিৰ কথা কোৱা হৈছে। স্কুলবিলাকত যদি এজনেই শিক্ষক থাকে, তেন্তে আমি আধুনিক শিক্ষাৰ কথা কেনেকৈ চিন্তা কৰিব পাৰো? অধ্যক্ষ মহোদয়, স্কুলবোৰত শৌচাগাৰ, বিদ্যুতৰ ব্যৱস্থা নাই। যিহেতু, স্কুলবোৰত ইয়াৰ ব্যৱস্থাই নাই তেন্তে আধুনিক শিক্ষা পদ্ধতি বুলি কিদৰে ক'ব পাৰিম? আমাৰ কিছু ভেঞ্চাৰ স্কুল এই চৰকাৰে চৰকাৰীকৰণ কৰিলে। সেই স্কুলসমূহৰ কিছুমান শিক্ষকক Tutor হিচাপে ওচৰৰ স্কুলত কাম কৰিবলৈ দিয়া হ'ল। যিবোৰ ভেঞ্চাৰ স্কুলত পাঁচশ লৈকে ছাত্ৰ-ছাত্ৰী আছে, সেই স্কুলবোৰ চৰকাৰে চৰকাৰীকৰণ কৰাৰ পৰিৱৰ্তে শিক্ষক সকলক অন্য স্কুলত Tutor হিচাপে নিযুক্তি দিয়াৰ ক্ষেত্ৰত চতুৰ্দশ বিধান সভাৰ শেষৰটো অধিবেশনত উত্থাপন কৰিছিলো । এনে অৱস্থাত পূৰ্বৰ স্কুলৰ ছাত্ৰ-ছাত্ৰী সমূহে ক'ত লিখা-পঢ়া কৰিব, তেওঁলোকৰ ভৱিষ্যত কি হ'ব, এই কথাবোৰ উত্থাপন কৰাৰ পিছতেই attach কৰা শিক্ষক সকলক উভতাই আনি পূৰ্বৰ স্কুলখনতে কাম কৰিবলৈ দিয়া হ'ল। আমি গম পাইছো যে, এই ক্ষেত্ৰত Amalgamation ৰ

ব্যৱস্থা চলি আছে। কিছুমান স্কুল amalgamate কৰিব পাৰি যদিহে ওচৰত এখন পুৰণি স্কুল থাকে, তেতিয়া নতুন স্কুলখনৰ লগত amalgamate কৰিলে তাৰ ছাত্ৰ-ছাত্ৰীসকলে নতুন স্কুলখনলৈ আহিব পাৰিব । মোৰ সমষ্টিৰ মোৰ জন্মস্থান- বিচিং গাওঁ পঞ্চায়ত, য'ত প্ৰায় ২০ হাজাৰ জনসংখ্যা আছে। তাত এখন ভেঙ্কাৰ হাইস্কুল আছে। সেই স্কুলৰ শিক্ষক সকলক যদি অন্য স্কুলত attach কৰি দিয়া হয় তেন্তে সেই স্কুলখনৰ ছাত্ৰ-ছাত্ৰী সকলৰ কি অৱস্থা হ'ব? যদি সেই স্কুলৰ শিক্ষক সকলক অন্য স্কুলত attach কৰি দিয়া হয় সেই স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কি হ'ব আৰু সেই অঞ্চলৰ ভৱিষ্যত কি হ'ব? যতিকে এনে ক্ষেত্ৰত আমি ভাৱো amalgamation কৰাৰ পৰা বিৰত ৰাখিব লাগে। য'ত বিকল্প আছে, ওচৰা ওচৰিকৈ স্কুল আছে তাত amalgamation কৰি দিয়ক। তেতিয়া সেই স্কুলৰ ছাত্ৰ-ছাত্ৰী সমূহো ইখন স্কুলত আহিব পাৰিব আৰু শিক্ষক সকলৰো কোনো অসুবিধা নহ'ব। আমাৰ যি সমূহ শিক্ষকক tutor হিচাপে নিযুক্তি দিয়া হ'ল তেওঁলোকে নিশ্চয় মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰীৰ ওচৰলৈ গৈছে। আমাৰ প্ৰতিজন বিধান সভাৰ সদস্যৰ ওচৰলৈও তেওঁলোক আহিছে। আজিৰ যুগত তেওঁলোকে ৮-১০ হাজাৰ টকা দৰমহাত কেনেকৈ চলে। তেওঁলোকে কিছুমান উদাহৰণ দিছে compassionate ground ত যদি চাকৰি পায় তেওঁলোকে TET পৰীক্ষা দিব নালাগে। ঠিক তেনেকৈ সেই সকলৰ চাকৰি নিয়মীয়াকৰণ কৰি তেওঁলোকৰ দৰমহা বঢ়াই দিব লাগে। তেওঁলোক আপোনালোকৰ ওচৰলৈ আহিছিল। আপুনি কৈছিলে যে মই হ'লে তেওঁলোকক ৩০-৪০ হাজাৰ টকা দি দিব পাৰো। গতিকে এই ক্ষেত্ৰত শিক্ষা মন্ত্ৰী মহোদয়ে নিশ্চয় গুৰুত্ব দিব আৰু যিবিলাক স্কুল চৰকাৰীকৰণ কৰা হ'ল একেলগে বহুখিনি স্কুল চৰকাৰীকৰণ নহ'ল। সেইসমূহৰ শিক্ষকে tutor হিচাপে নিযুক্তি নাপালে। সেই স্কুল সমূহৰ ক্ষেত্ৰত চৰকাৰে কিবা নতুন ব্যৱস্থা হাতত ল'ব নেকি? Diace code ক লৈ কিছুমান স্কুল বঞ্চিত কৰা হ'ল। কিছুমান block ত শিক্ষা বিষয়াৰ গাফিলতিৰ কাৰণে বহু স্কুলে ২০০৯-১০ ৰ Diace code নাপালে। এই ক্ষেত্ৰত মই ভাৱো sympathetical ground ত এই শিক্ষক সকলৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা হাতত ল'ব লাগে।

২০০৯ চনৰ RTE Act মতে প্ৰতি ১ কিঃ মিঃ ত এল পি স্কুল, প্ৰতি ৩ কিঃ মিঃ এম ই স্কুল থাকিব লাগে। এতিয়া ২০২২ চন চলি আছে। যিসমূহ স্থানত স্কুল নাই সেই ঠাই সমূহত এতিয়া নতুনকৈ স্কুল স্থাপন কৰাৰ ক্ষেত্ৰত চৰকাৰে অলপ গুৰুত্ব দিব। বিশেষকৈ চৰ অঞ্চলত উচ্চ শিক্ষাৰ ব্যৱস্থা একেবাৰেই নাই। মোৰ চৰ অঞ্চলত এখনো কলেজ নাই। এটা চৰ অঞ্চল লৈ মোৰ সমষ্টিত এটা development block আছে, তাত এখনো কলেজ নাই। গতিকে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আমাৰ ইতিমধ্যে MSDP Prime Minister বিকাশ যোজনাৰ অধীনত কিছুমান residential school বনোৱা হৈছে । কিন্তু য'ত ইতিমধ্যে স্কুল আছে তাতে এই স্কুল সমূহ বনোৱা হৈছে। বিলাসিপাৰা, গোলকগঞ্জত residential school বনোৱাৰ ব্যৱস্থা কৰা হৈছে। অছত য'ত স্কুলৰ কোনো ব্যৱস্থাই নাই তাত কিন্তু Prime Minister বিকাশ যোজনাৰ অধীনত, আগতেই যিটো MSDP আছিলে তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ বহু টকা আহে। তেওঁলোকে ইচ্ছা কৰিলে চৰ অঞ্চল বা সংখ্যা লঘু অঞ্চলত বহু স্কুল কৰিব পাৰিলেহয়। গতিকে সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এতিয়াও বহু কলেজত বিজ্ঞান শাখা নাই। বিশেষকৈ মোৰ সমষ্টিত থকা একমাত্ৰ কলেজ দক্ষিণ শালমৰাত বিজ্ঞান শাখাৰ ব্যৱস্থা নাই। পশ্চিম গোৱালপাৰা সমষ্টিৰ খৰগোজাত বিজ্ঞান শাখাৰ ব্যৱস্থা নাই।

এনেকুৰা বহু মহাবিদ্যালয় আছে য'ত বিজ্ঞান শাখাৰ ব্যৱস্থা নাই। গতিকে এই মহাবিদ্যালয় সমূহত বিজ্ঞান শাখাৰ ব্যৱস্থা কৰিবৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই কৰ্তন প্ৰস্তাৱৰ জৰিয়তে অনা বক্তব্য ইমানতে সামৰণি মাৰিছো।

**সভাপতি ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় সভাপতি মহোদয়, বিৰোধী দলে শিক্ষা বিভাগলৈ যি কৰ্তন প্ৰস্তাৱ আনিছে এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই বক্তব্য দাঙি ধৰিব বিচাৰিছো। নিয়মঅনুসৰি বিৰোধীয়ে এই কৰ্তন প্ৰস্তাৱ আনিছে। কিন্তু সন্মানীয় জ্যেষ্ঠ সদস্য ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যৰ প্ৰথম শাৰীটোতে স্বীকাৰ কৰিছে  যে শিক্ষা হ'ল এখন ৰাজ্যৰ মেৰুদণ্ড। এওঁৰ কথাত ইয়াকে বুজা যায় যে আমি বিৰোধীতা কৰিছো নিয়ম অনুযায়ী কিন্তু শিক্ষা বিভাগক আৰু টকা দিবহে লাগে শিক্ষা বিভাগৰ উন্নয়ণৰ দিশত।  তেখেতে মনৰ তেনেকুৰা এটা ভাৱ প্ৰকাশ কৰা যেন আমি অনুভৱ কৰিলো। ২০০৬ চনৰ পৰা মোৰ বিধান সভাত সদস্য হোৱাৰ সৌভাগ্য হৈছে। তেতিয়া মই অন্য এটা ৰাজনৈতিক দলৰ বিধায়ক হৈ আছিলো। মই যিহেতু চাহ বাগানৰ সন্তান গতিকে তাৰ ছাত্ৰ-ছাত্ৰী সকলে কি পৰিবেশত শিক্ষা লাভ কৰিবলগা হয় সেয়া মই ভালদৰে জানো। যদিও ৫০-৬০ বছৰ আগতে ৰাইজে প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰিছিলে কিন্তু হাইস্কুল ওচৰত নথকাৰ বাবে বহুতে মাধ্যমিক স্কুলৰ পৰা শিক্ষা এৰি দিছিল। মই ধন্যবাদ জনাম মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমান চৰকাৰখনে আজি চাহ বাগানৰ সন্তান সকলক আগুৱাই লৈ যাবৰ বাবে প্ৰত্যেক সমষ্টিতে হাই স্কুল কৰাৰ কথা কৈছে। অকল কোৱাই নহয় কৰিও দেখুৱাইছে। ইতিমধ্যে মোৰ সমষ্টিতে তিনিখন হাইস্কুল পাইছো।

(Hon'ble Deputy Speaker on the chair)

অসম , নাগালেণ্ডৰ সীমামূৰীয়া নাগাঝাংকা চাহবাগিচাত এখন হাই স্কুল পাইছো। উপাধ্যক্ষ মহোদয়, আপুনি যদি কেতিয়াবা যায় আপুনি দেখি ভাল পাব যে তাৰপৰা ৫-৬ কিঃ মিঃ দূৰত্ব হোৱা বাবে এটা generation  উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈছিল। আজি এই চৰকাৰখনে বিভিন্ন গ্ৰাম্যাঞ্চল, পাহাৰীয়া অঞ্চল, চৰ অঞ্চল, জনজাতীয় অঞ্চলৰ লোক সকলক  আগুৱাই নিয়াৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিলে তাৰবাবে চৰকাৰখনৰ শলাগ ল'বই লাগিব।

দ্বিতীয়তে, মই যদি চাওঁ এল পি স্কুল আৰু হাই স্কুল সমূহত যি শিক্ষকৰ নাটনি হৈছিলে সেইটো দূৰ কৰাৰ বাবে  এই চৰকাৰখনে দায়িত্ব লোৱাৰ পাছত ২০১৬ চনৰ পৰাই যি ব্যৱস্থা হাতত লৈছে, বিভিন্ন বিভাগত খালী পদ সমূহ পূৰণ কৰিছে তাৰবাবে চৰকাৰখনৰ শলাগ ল'বই লাগিব। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনোৱাৰ লগতে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। যিটো বহু বছৰ আগতে হ'ব লাগিছিল। এটা নতুন শিক্ষা নীতি গোটেই দেশজুৰি লৈছে, সমগ্ৰদেশতে ধনী দুখীয়া, জাতি-জনজাতিৰ সকলো ছাত্ৰ ছাত্ৰীকে  সামন্তৰালভাবে একেথন মঞ্চতে শিক্ষাৰ দিশত আগুৱাই লৈ যোৱাৰ বাবে চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ অসমত কাৰোবাৰ জানুৱাৰী মাহত পৰীক্ষা হৈ যায়, আকৌ চেন্ট্ৰেল বোৰ্ডৰ পৰীক্ষা মাৰ্চত হৈ যায়। ৰিজাল্টবিলাক পলমকৈ ওলায় যায় বাবে ইউনিভাৰ্চিটিবিলাকত এডমিশ্যনৰ বাবে এপ্লাই কৰিব পৰা নাছিলে। বহুতো মেধাসম্পন্ন ছাত্ৰ ছাত্ৰীও ইউনিৰ্ভাচিটিৰ চিট পোৱাৰ পৰা আদি কৰি বিভিন্নধৰণৰ চাকৰিৰ পৰা বঞ্চিত হৈছিল। কিন্তু এতিয়া নতুন শিক্ষা নীতিয়ে  আমাক সকলোকে সমান অধিকাৰ প্ৰদান কৰিব

। মাননীয় প্ৰধানমন্ত্ৰী গৰাকীয়ে যিটো শ্লোগান কৈছে “চবকা চাথ চবকা বিকাশ ” এই কথাষাৰে এই নতুন শিক্ষা নীতিত প্ৰযোজ্য কৰিবলৈ গৈছে তাক মই অন্তৰেৰে সলাগ লৈছো। আগৰ চৰকাৰৰ দিনত অংগণবাড়ী কেন্দ্ৰসমূহ বনাব লাগে কাৰণে বনাইছিলে আই চি ডি চিৰ এটা নিয়ম অনুসৰি। আগৰ কংগ্ৰেছ চৰকাৰখনে গুৰুত্ব সহকাৰে নোলোৱা বাবে আজি হয়তো ক'ব লাগিব তেখেতসকলৰ এই বিধান সভাত আজি দখল নাই। আজি এই বিজেপি চৰকাৰখনে এটা সৎ মনেৰে, গুৰুত্ব সহকাৰে কাম কৰিব বিচাৰিছে বাবে আৰু অংগণবাড়ী চেন্টাৰসমূহ নতুনকৈ মেৰামতি কৰা ব্যৱস্থা গ্ৰহণ কৰিলে। আজি চৰকাৰে নতুন মডেল অংগণবাড়ী কেন্দ্ৰ দিবলৈ লৈছে সেয়েই নহয় নতুন শিক্ষা নীতিৰে আজি অংগণবাড়ী কেন্দ্ৰৰ পৰা ওলায় কোনো শিশুয়ে বেচৰকাৰী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিব নালাগে। প্ৰত্যেকখন চৰকাৰী প্ৰাথমিক, মধ্য ইংৰাজী বিদ্যালয় লগতে হাইস্কুল বিলাকো সুন্দৰভাৱে নিৰ্মাণ কৰাৰ বাবে মাননীয় শিক্ষা মন্ত্ৰীয়ে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেটত ৫০ লাখ টকাকৈ বিদ্যালয়সমূহৰ আন্তগাঁথনিৰ বাবে লোৱা আমি. দেখিবলৈ পাইছো আৰু তাৰ বাবে আমি সলাগ ল'বই লাগিব। কেইদিনমান আগত মই মোৰ মৰিয়নী সমষ্টিত জংঘল ব্লক হাইস্কুল বুলি এখন বিদ্যালয়ৰ চাইন্স বিল্ডিঙ, কম্পিউটাৰ বিল্ডিঙৰ গৃহ উদ্বোধন কৰিছিলো। তাত থকা এগৰাকী শিক্ষক যিগৰাকীয়ে ২৫-৩০ বছৰে চাকৰি কৰি আছিল তেওঁ ক'লে মই ৩১ মাৰ্চত অৱসৰ ল'ম । তেখেতে চকুপানী টুকিছিল। তেখেতক আমি উদ্বোধনৰ সময়ত চাকি বন্তি জ্বলাবলৈ দিছিলো। অসম নাগালেণ্ড সীমান্তৰ মোৰ মৰিয়নী সমষ্টিৰ এই জংঘল ব্লক স্কুলখন আজি **৩৫-৪০** বছৰীয়া হ'ল। এই বিদ্যালয়খনে আজি আমাৰ বি জে পি চৰকাৰৰ দিনতহে চাইন্স বিল্ডিঙ, কম্পিউটাৰ বিল্ডিং লাভ কৰিছে। কেইদিনমান আগলৈকে সেই বিদ্যালয়ত পঢ়া গ্ৰাম্যঞ্চলৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে নাজানিছিল কেনেকৈ ভেঁকুলী এটা কাটিব লাগে, কোনটো কেমিকেলত জুই জ্বলি যায় বা কোনটো কেমিকেলে ৰং সলাব পাৰে , একোকে জনা নাছিলে। সেই ছাত্ৰসকলে কোনো দিনে বিজ্ঞান গৃহ, কম্পিউটাৰ ক্লাচৰ বিল্ডিঙ দেখি পোৱা নাছিল। আজি এই চৰকাৰৰ দিনত এই পাহাৰীয়া অঞ্চলটোৰ ছাত্ৰ ছাত্ৰীয়ে আজি কম্পিউটাৰ ক্লাচৰ বিল্ডিং দেখিছে , বিজ্ঞানৰ গৃহ দেখিছে। স্কুলসমূহৰ বিভিন্ন অভাৱ দুৰীকৰণৰ বাবে যিটো পুঁজিৰ প্ৰয়োজন এই চৰকাৰৰ দিনত প্ৰত্যেক বিদ্যালয়তে দিয়াৰ ব্যৱস্থা কৰিছে। মই স্বীকাৰ কৰিছো যে কেইদিনমান আগলৈকে মই কংগ্ৰেছ দলৰ বিধায়ক আছিলো, কিন্তু কোনো দিনে দেখা পোৱা নাছিলো যে হাইস্কুলৰ ফিল্ড সমূহৰ উন্নয়ণৰ বাবে কোনোধৰণৰ পুঁজি আবন্টণ দিছিল। মই নিজেও এগৰাকী ফুটবল খেলুৱৈ হওঁ, খেল পথাৰত এটা গেলেৰীয়ে হওঁক বা ছাত্ৰই কাপোৰ সলনি কৰিবলৈ ব্যৱহাৰ কৰা গ্ৰীণৰুম ইত্যাদিয়ে হওঁক, কোনোদিনে আগৰ চৰকাৰে পুঁজি দিয়া দেখা পোৱা নাছিলো। বৰ্ত্তমান চৰকাৰৰ দিনত বিদ্যালয়ৰ খেলপথাৰ উন্নয়ণৰ বাবে ২০ লাখকৈ টকাকৈ প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এই বিষয়টোত আমি চৰকাৰৰ সলাগ ল'বই লাগিব। আজি ৩০-৪০ বছৰে যিবোৰ বিদ্যালয় গাওঁ অঞ্চলত আছে সেই বিদ্যালয় সমূহৰ গাওঁৰ ৰাইজৰ লগতে সেই বিদ্যালয়ত শিক্ষকতা কৰি থকা শিক্ষক সকলে নিজৰ গাঠিৰ ধন ভাঙি বিদ্যালয় গৃহ নিৰ্মাণ কৰিছিলে, বহু দান বৰঙনি, টিনপাত আদি আগবঢ়াইছিলে ৰাইজে। তৎ সত্বেও তেখেতসকলে চকুপানী টুকি আছিল যে আমাৰ বিদ্যালয়সমূহ চৰকাৰীকৰণ হ'বনে নহ'ব? আজি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া নেতৃত্বাধীন চৰকাৰখনে লগতে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিটো স্কুলবিলাক চৰকাৰীকৰণৰ ষ্টেপ ল'লে আমি ধন্যবাদ জনাবই লাগিব। আজি কেইদিনমান আগতে আমাৰ চৰকাৰে এল পি আৰু এম ই স্কুলৰ কেইবাগৰাকীও শিক্ষকক

এপইন্টমেন্ট বিতৰণ কৰিছো। মই এগৰাকী চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ বিধায়ক হিচাপে লগতে বিশেষকৈ অসম নগালেণ্ড সীমামুৰীয়া সমষ্টিৰ বিধায়ক হিচাপে আজি চৰকাৰক বহুত ধন্যবাদ জনাইছো। এই শিক্ষা বিভাগটোক যেনেকৈ নহওঁক আমি আগুৱাই লৈ যাব লাগিব । মই আগতে কেতিয়াও এনে শিক্ষামন্ত্ৰী পোৱা নাছিলো। শিক্ষামন্ত্ৰী গৰাকীয়ে নিজে আগ্ৰহ কৰি কৈছে যে মোক চাহ বাগান থকা সমষ্টি বিলাকলৈ লৈ যোৱা, মই নিজে গৈ চাব বিচাৰো । সেই অঞ্চলবিলাকত যিখিনি ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন স্কুল-কলেজত পঢ়ি আছে সেই সকলক লগ পাবলৈ তেওঁৰ যি সদিচ্ছা, এই সদিচ্ছাৰ ওপৰত আমাৰ বিৰোধীয়ে ভৰসা ৰাখিব লাগিব । আমাৰ চৰকাৰে খুৱ সৎ মনেৰে ৰাইজৰ বাবে, ৰাজ্যৰ ভালৰ বাবে কাম কৰিছে। বিভিন্ন জাতি জনগোষ্ঠী, চৰ চাপৰি, পাহাৰীয়া অঞ্চলৰ পৰা আদি কৰি সকলোৰে সমস্যাবিলাক দুৰ কৰাৰ বাবে যথেষ্ঠ চেষ্টা কৰিছে, তাৰ বাবে আমি সকলোৱে চৰকাৰক ধন্যবাদ জনোৱা উচিত গতিকে মই বিৰোধীয়ে অনা এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ), আপোনাক ১১ মিনিট দিয়া হৈছে।

**শ্ৰীআমিনুল ইছলাম, (মানকাচাৰ) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, মোক আজি কৰ্ত্তণ প্ৰস্তাৱৰ সপক্ষে দুআষাৰ ক'বলৈ দিয়া বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে আমাৰ এগৰাকী বক্তাই কৈছে যে, শিক্ষাই জাতিৰ মেৰুদণ্ড । আমি ঠিক এই কথাটোৰ ওপৰত গুৰুত্ব ৰাখি আগবাঢ়িব লাগে। এডুকেশ্যন ডিপাৰ্টমেন্টৰ ইমান বেছি ইছু আছে যে এই গোটেইবিলাক ইছু একেলগে সদনত আনিবলৈ ১১ মিনিট সময় যথেষ্ঠ কম হ'ব। ডেপুটি লীডাৰ ডাঙৰীয়া ইয়াত আছে । কথাখিনি ক'বলৈ মই অলপ বেছি সময় বিচাৰিম । এতিয়া কথাটো হৈছে আমি দেখিছো যে, যেনেকৈ আজি চেকেণ্ডৰী স্কুলত এচ এম ডি চি বিলাক গঠন হৈছে, এটা চিষ্টেমৰ মাজত গঠন হৈছে। কিন্তু প্ৰাইমেৰী আৰু আপাৰ প্ৰাইমেৰী বিলাকত মই সেই চিষ্টেমৰ কথাটো ক'ব বিচাৰিছো । প্ৰাইমেৰী আৰু আপাৰ প্ৰাইমেৰী বিলাকত যেনেকৈ এচ এম ডি চি বিলাক গঠন হৈছে, তাৰ চিষ্টেমটোৰ কথাটো ক'ব বিচাৰিছো। সেই চিষ্টেমটোত ইলেকশ্যন হয় । তাত লাখ লাখ টকা খৰচ কৰি ভোট কিনা হয়। নিৰ্ব্বাচিত হোৱাৰ পিচত তেখেতসকলে বিল্ডিঙৰ পইচাই হওঁক বা মিড ডে মিলৰ পইচাই হওঁক, যথেষ্ঠ খেলি মেলি কৰি আছে । এনেধৰণৰ বহুতো কেচ হাইকোৰ্টত পেণ্ডিং আছে। তাৰ কাৰণে কোনো ডেভল'পমেন্ট ফাণ্ড হোৱা নাই। বহুত কেইখন কমিটি ডিফাং হৈ আছে। তাৰ কাৰণে মিড ডে মিল ডিষ্ট্ৰিবিউট হোৱা নাই , এনেধৰণৰ বহুত খেলিমেলি চলি আছে । তাৰ কাৰণে এটা স্পিচিয়েলী ব্যৱস্থা ল'ব লাগে । মই লক্ষ্য কৰিছো যে যিটো চিষ্টেমত আজি এডুকেশ্যন চলি আছে , আমি যেতিয়া সৰুতে পঢ়িছিলো " ছাত্ৰানাং অধ্যায়নং তপো" , যে অধ্যয়ণ কৰাটোৱে ছাত্ৰৰ মূল কৰ্ত্তব্য। কিন্তু পৰৱৰ্ত্তী সময়ত কিছু ক্ষেত্ৰত আমাক উদাহৰণ দিয়া হৈছে যে ছাত্ৰৰ জীৱন সুখৰ জীৱন, যদি নাথাকে এক্সামিনেশ্যন। এডুকেশ্যন চিষ্টেমটো এনেকুৱা এটা পৰ্য্যায়ত গৈ আছে য'ত এক্সামিনেশ্যনটোয়ে নোহোৱা কৰি গৈ আছে। আজি আমি এইটো বুজি পোৱা নাই। আমি সৰ্বশিক্ষা দেখিলোঁ, সমগ্ৰ শিক্ষা আৰম্ভ হ'ল, বিভিন্ন পলিচি, নতুনকৈ New Education Policy আহি আছে, এই চিচ্‌টেম বিলাকৰ মাজত আমি দেখিছো যে শিক্ষাৰ চিচ্‌টেমটো মাৰাত্মক ভাৱে এটা ধ্বংসৰ পিনে গতি কৰিছে। শিক্ষাৰ চিচ্‌টেমটোক আমি কেনেকৈ ৰাখিম ? পৰীক্ষা চিচ্‌টেমটো যদি নাথাকে, accountability যদি নাথাকে। মোক এজন শিক্ষকে কৈছে যোৱাবাৰ কেইজনমান ছাত্ৰক ফেইল কৰাই দিছিলোঁ, মোক বাধ্যতামূলক

ভাৱে অৰ্ডাৰ দিয়া হৈছে যে আপুনি সেইখিনি ছাত্ৰক বেলেগকৈ পঢ়াই হলেও আপুনি প্ৰমোচন দিব লাগিব। What is the system? তেতিয়াহ'লে শিক্ষা ক'ত যাবগৈ? শিক্ষাৰ মানদণ্ডটো ক'ত থাকিব? Ultimately দুটা লাইন ক্ৰিয়েট কৰা হৈ থকা হৈছে, যে এটা প্ৰাইভেটেচন হ'ব, য'ত ধনী মানুহ সকলে যথেষ্ট responsibility, accountability ৰ মাজেৰে তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষা দান কৰিব আৰু যিখিনি গাঁৱলীয়া বা সাধাৰণ এল পি স্কুল বিলাক থাকিব সেই বিলাকৰ মাজত কি অৱস্থা হ'ব? এই কথাটোৰ লগত যোৱা তিনি চাৰি দিন আগত Times of India ত এটা আৰ্টিক'ল আহিছিল, সেই আৰ্টিক'লটোত অসমৰ শিক্ষা জগতৰ এক ভয়ানক ছবি প্ৰতিফলিত হৈছে। তাত ৩০০ চৰকাৰী ইলিমেন্টৰী স্কুলত এজনো শিক্ষক নাই, যদি জাতিৰ মেৰুদণ্ড হয় শিক্ষাটো, Education is backbone of our Nation. ৩১৪ স্কুলত য'ত এজনো শিক্ষক নাই। সকলোতকৈ বেছি স্কুল ৫৫ খন তেজপুৰ education sub -division ত, তাত এজনো শিক্ষক নাই, ৩৮ খন ডিব্ৰুগড় education sub -division ত তাত এজনো শিক্ষক নাই, প্ৰায় ৩৭ খন গুৱাহাটী মহানগৰ education sub -division ত শিক্ষক নাই। গোটেই অসমত এজনীয়া শিক্ষক থকা ৩৭১৬ খন স্কুল চলি আছে। এই ৩৭১৬ খন স্কুলৰ ২২৪ খন স্কুল গুৱাহাটীত, ২১৫ খন চলি আছে ডিব্ৰুগড়ত, ১৬৭ চলি আছে গোৱালপাৰাত আৰু ১৬৬৪ স্কুলত এটা কোঠাৰ ভিতৰত ৫-৬ টাকৈ শ্ৰেণী চলি আছে। মাননীয় মুখ্যমন্ত্ৰীৰ সমষ্টিত ১৭ টা স্কুলত শিক্ষক নাই, আমি দেখিছো যে মুঠ ৩২ জিলা আৰু ৫১ টা education sub -division ত ৩৩৮২৯ খন স্কুল আছে। এই স্কুল বিলাকত আজিৰ দিনটোত তথ্যত আহিছে যে ১০০০ খন স্কুলত টয়লেট নাই, মই ক'ব খুজিম, এক হাজাৰ নহয় যদি আমাৰ স্কুল ৩৩৮২৯ খন হয় এই এক হাজাৰ স্কুলত হয়তো অফিচিয়েলি টয়লেট নাই। আনঅফিচিয়েলি ক'ৰবাত টয়লেট আছে যদিও পানীৰ ব্যৱস্থা নাই। ১০০০০ স্কুলত বিদ্যুৎ সংযোগ নাই, য'ত বিদ্যুৎ নাই কিন্তু আজিৰ দিনটো টেণ্ডাৰৰ শেষ তাৰিখ, যে কেনেকৈ প্ৰতিখন স্কুলত digital education system কৰা যায় আজি সেইটো টেণ্ডাৰ দ্ৰপৰ লাষ্ট ডেট। আজি যদি টেণ্ডাৰ দ্ৰপৰ লাষ্ট ডেট হয়, ১০০০০ খন স্কুলত যদি এতিয়ালৈ বিদ্যুৎ সংযোগ কৰা হোৱা নাই, তেতিয়াহ'লে সেইবিলাকত কেনেকৈ ডিজিটেল ক্লাছৰুম কৰা হ'ব, সেইটো এটা ডাঙৰ প্ৰত্যাহ্বান, আমাৰ সন্মুখত। মই কব বিচাৰিছোঁ যোৱা ২০ টা বছৰে চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ নতুন ফাৰ্নিচাৰ স্কুল বোৰত দিয়া হোৱা নাই। আমি বিভিন্ন এল পি স্কুলত যাওঁ, আমি যেতিয়া দিল্লী বা বেলেগ ঠাইৰ চৰকাৰী স্কুলৰ ডেক্সবেন্সবোৰ চাওঁ, আজিকালি ফাইবাৰৰ ধুনীয়া ধুনীয়া দেক্সবেন্স ওলাইছে, কিন্তু আমাৰ চৰকাৰী স্কুল বিলাকত ১২ ইন্সি ডেক্স আৰু ১২ ইন্সি বেন্স লোহাৰ দিয়া হৈছে। তাত ৰাষ্টিং থকা, ৰং কৰা নাই, ভয়ানক ডেক্স বেন্স দিয়া হৈছে। আজি এই কথা মই কিয় কব খুজিছোঁ, পিক্চাৰটো মই দিব খুজিছো যে কি চলি আছে ইয়াত। এই পৰিস্থিতিৰ মাজত আমাৰ শিক্ষা বিভাগটো চলি আছে। মই এতিয়া কব খুজিছোঁ নতুন শিক্ষা নীতি আহিছে, এই নতুন শিক্ষা নীতিৰ জৰিয়তে অঙ্গনবাড়ীক যেনেকুৱাকৈ শিক্ষা পলিচিৰ লগত 5+3+3+4 যিটো চিচ্‌টেম আৰম্ভ কৰিব যোৱা হৈছে, এই পলিচিত যথেষ্ট আপত্তিজনক কথা আছে। ইয়াত মই নৱম শ্ৰেণীৰ এটা course দেখিলোঁ, নৱম শ্ৰেণীৰ সমাজ বিদ্যাৰ course ৰ মাজৰ পৰা democracy chapter টো উঠাই দিয়া হৈছে। Democracy chapter টো আৰু পঢ়িব নালাগে। আজি আমাৰ যিটো history, সেই history ত কিমান খিনি tempering কৰি নতুন courseটোত আহিছে আপোনালোকে এবাৰ লক্ষ্য কৰক। বুৰঞ্জীখিনি অকল এটা শ্ৰেণীত ভাৰতবৰ্ষৰ ঐতিহ্যপূৰ্ণ ইতিহাসৰ only one class

focus, বাকীখিনিত focus হৈ থকা নাই। আজি শিক্ষা নীতিত যিহেতু যথেষ্টখিনি বক্তা আহিব সেই সকল এই কথাবোৰৰ ওপৰত আহিব। আজি কিছুদিন আগত টেট পৰীক্ষা হ'ল, special TETহ'ল, special TET ৰ ভিতৰত আমি দেখিছোঁ উত্তীৰ্ণৰ হাৰ মাত্ৰ ৪ শতাংশ। গোটেই অসমত ১৪৫৫৭ জনে এই পৰীক্ষা দিছিল পাছ কৰিছে ৬৬৭ জনে। এই টেট পৰীক্ষাত পাছ কৰা ৬৬৭ জন মানুহ দীৰ্ঘ দিনে শিক্ষাৰ লগত জড়িত। চৰকাৰী সকলৰ কাম-কাজত ব্যৱহাৰ কৰা হয়, কিন্তু আজি তেখেত সকলৰ কোনো ধৰণৰ ব্যৱস্থা নিয়মীয়া কৰণৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বা তেখেত সকলক নিযুক্তিপত্ৰ দিয়া হোৱা নাই। কিন্তু Tripura , West Bengalত যি দেখা পাওঁ যিবিলাক সৰ্বশিক্ষাৰ লগত জড়িত আছিল তেখেত সকলৰ কোনো special TET system কৰা হোৱা নাই।

Deputy Speaker: Try to conclude.

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** আমাৰ মুঠ সময়ৰ পৰা কটা যাব মোৰখিনি।

**মাননীয় উপাধ্যক্ষ ঃ** Try to conclude, এনেকৈ নহয়। ১১ মিনিট হৈছে আপুনি conclude কৰক।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** আমাৰ মুঠ সময় যিখিনি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ লিডাৰে যিটো সময় দিছে সেইটো মতে আপুনি কৰিব।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ,মানকাচাৰ) ঃ** আমাৰ leader আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াত দিয়া নাই। আপুনি conclude কৰক।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ,মানকাচাৰ) ঃ** নহয়, নহয় সেইটো কথা নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ,মানকাচাৰ) ঃ** Please no, no sorry. It is our time, আমাৰ সময় আছে। আমি কাটি লম।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ লিষ্টখন কিয় দিছে?

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ,মানকাচাৰ) ঃ** নহয়, এনেকৈ নহয় আমাৰ পাৰ্টীৰ সময় আছে। আমাৰ লিডাৰ আছে, বহি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ সময় দিছে ১১ মিনিট, মজিবুৰ ৰহমান ৭ মিনিট, আশ্ৰাফুল হুছেইন ৬ মিনিট। আপোনাৰ সময় সমাপ্ত হৈছে আপুনি বহক।

**শ্ৰীহাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰাঃ** উপাধ্যক্ষ মহোদয়, পৰৱৰ্ত্তী জনৰ পৰা লেচ কৰি দিব।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ,মানকাচাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ লিডাৰে সময় দিছে ইতিমধ্যে মোক।

**মাননীয় উপাধ্যক্ষ ঃ** এনেকৈ দিলে নহ'ব নহয়, কৈ থকা সময় দিলে নহ'ব। আগত নটিছ দিব লাগিব। আপোনালোকৰ সময় এলোট কৰিবলৈ গোটেই চিড'ল কৰা হৈছে এইটোত।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** যিহেতু হাউচত থিয় হৈ আমাৰ লিডাৰে সময় মোৰ বঢ়াব দিছে, আপোনাৰ আপত্তিটো ক'ত?

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে এইটো কিয় কৰে? আপোনালোকে লিষ্টখন কিয় দিয়ে? আপোনাৰ লিডাৰে সময়টো এলোট কৰি দিছে, তেনেকৈ নহয় নহয়।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** লিডাৰে বঢ়াই দিছে নহয়।

**माननीय উপাধ্যক্ষ ঃ** তেনেকৈ নহয়।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** কিয় নহ'ব?

**মাননীয় উপাধ্যক্ষ ঃ** বি এ চি মিটিংত বহিব আপোনালোকে ঠিক কৰিব, তাৰ পিছত আহি হাউচত কোনে কোনে দিব তাৰ পিছত নহ'ব।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ) ঃ** লিডাৰে কাক কিমান সময় দিয়ে, দিব পাৰে। এতিয়া প্ৰয়োজন সাপেক্ষে সলনি কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** No, no, Please conclude.

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** উপাধ্যক্ষ মহোদয়, বিধান সভাত চাৰিখন অধিৱেশন পাইছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** You please sitdown, I would not listen to you.

**(সদনত হুলস্থুল)**

**মাননীয় উপাধ্যক্ষ ঃ** Whatever the decision taken from the Chair, that is the final decision.

**(সদনত হুলস্থুল)**

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আপোনালোকে এবাৰ লিখি দি পিছত আকৌ সলনি কৰিছে। উপাধ্যক্ষ ডাঙৰীয়াই কৈছে নিয়মমতে যাম সেইটোহে আচল কথা। অলপ ডেক'ৰাম মেইনটেইন কৰক আপোনালোকে। ইয়াত অধিকাৰৰ কথা নাহে নহয়। সদন খন ৰুল মতেহে চলিব ।

উপাধ্যক্ষ ডাঙৰীয়া এ আই ইউ ডি এফ ৰ বিধায়ক সকলে সময় উল্লেখ কৰি দিছে। আমি সময় নিৰ্ধাৰণ কৰি দিয়া নাই। কেৱল আঠ জনৰ তালিকা এখনহে দিছিলে। কৈছিলো সময়টো মিলাই দিব। আপোনালোকে সময় নিৰ্ধাৰণ কৰি দিয়াৰ পাছতো এজন বক্তাই কেৱল কৈ থাকিব সেইটো নহ'ব নহয়।

**(সদনত হুলস্থুল)**

**মাননীয় উপাধ্যক্ষ ঃ** Rule 314, if any doubt arises as to interpretation of any of the provision of the Rules, the decision of the Speaker shall be final. So, I have taken it. আপোনাৰ ১১ মিনিট সময় শেষ হৈছে, গতিকে পিছৰ জন বক্তাই ক'ব ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলপতি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কালিওঁ এনেকুৱা এটা ঘটনা ঘটিছিল। প্ৰকৃততে আমি কেতিয়াবা কোনো এজন বক্তাক সময় অলপ বেছিকৈ দিব লগা হয়। যোৱাবাৰ আমি মৌখিক পন্থাত এইটো কৰি আছিলো। কালি আপোনালোকে লিখিত বিচাৰিছে। আমাক এই কথাতো অৱগত কৰা হোৱা নাই। আপোনালোকে আগতীয়াকৈ লিখিত ভাবে মডিফাই কৰি দিব লাগে বুলি দিয়াহেতেন তেতিয়া এই সমস্যাটো সমাধান হৈ গ'লহেতেন ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আমাৰ ফালৰ পৰা মাত্ৰ দুই তিনি জন বক্তাইহে কালি বক্তব্য ৰাখিছে। বাকীখিনি সময় আমি মুখ্যমন্ত্ৰীক দি দিছিলো। আমি নিৰ্দিষ্ট সময় মতে আছিলো। বিধান সভাৰ সময় আগুৱাই গৈছিল ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলপতি)ঃ** নাই, আমাক কোৱা হৈছিল এঘন্টাৰ ভিতৰত সমাপ্ত কৰিব লাগে। কালি কিন্তু সময় বৃদ্ধি কৰাৰ অনুমতি লোৱা নহ'ল। মই অধ্যক্ষ মহোদয়ক কথাটো জনাইছিলো ।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাছাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই সংসদীয় পৰিক্ৰমা

মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে আমাৰ সদন খন ৰুল্‌চ মতে চলে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ যিহেতুকে তালিকা বনাই বক্তব্য প্ৰদান কৰাত অসুবিধা হৈছে, গতিকে আমি বি এ চি ৰ পৰৱৰ্তী বৈঠকত এই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিম। যদি সদনত দলীয় সভাপতিয়ে ঠিয় হৈ কয় যে আমাক আৰু অলপ সময় লাগে বুলি আমি দি মি, তাত আমাৰ আপত্তি নাই।

(সদনত হুলস্থুল)

গতিকে পৰবৰ্তী বি এ চি বৈঠকত আমি এই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিম যে সদনত দলীয় সভাপতিয়ে ঠিয় হৈ পাচ-দহ মিনিট সময় বৃদ্ধি কৰিব লাগে বুলি অধ্যক্ষ বা সভাপতি জনালে আমি সময়টো দি দিম। কিন্তু বি এ চি ৰ সিদ্ধান্ত যদি নামানে যদি বিধান সভাৰ পৰম্পৰা মতে এক বা আধা মিনিট বেছিকৈ ক'লে। বিধান সভাৰ পৰম্পৰা মতে এক বা ডেৰ মিনিট বেছিকৈ কলে আমাৰ আপত্তি নাথাকে। কিন্তু গোটেই খিনি সময় এজন বক্তাই ল'লে বি এ চি ক অসন্মান কৰা হ'ব ।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক ।Please sitdown. When a member is speaking you cann't interrupt. আমাৰ কথা নহয় ৰুলত আছে । আপুলি ৰুলটো পঢ়ক ।ৰুলে এইটো অধিকাৰ দিয়া নাই যে সদনত এনেদৰে মাজত উঠি ক'ব পাৰে । Please sitdown.

(সদনত হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ যিটো কথা শিক্ষা বিভাগৰ, যিটো অৱস্থা চলি আছে সেইটো চাব বিচাৰিছো। মই নাজানো কাৰ ক'ত অসুবিধা আছে। অসমৰ গোটেই শিক্ষা বিভাগৰ ওপৰত মোৰ প্ৰশ্ন। শিক্ষা বিভাগটো কেনেকৈ উন্নতি কৰিব পাৰি তাৰ ওপৰত প্ৰশ্ন কৰোতে মই টাইম বিচাৰিছিলো আমাৰ সময়ৰ পৰা। যি কি নহওঁক সময় দিয়া নহ'ল। আজি মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত আছে, শিক্ষা যদি আমাৰ জাতিৰ মেৰুদণ্ড হয়, শিক্ষা যদি ধ্বংসৰ মুখলৈ গৈ আছে, আমি এইটো কেনেকৈ পুনৰজীৱিত কৰিব পাৰো তাৰ ওপৰত বিশেষ গুৰুত্ব দি আমাৰ শিক্ষা বিভাগটো ঠিক কৰিব লাগে। অন্যথা শিক্ষা বিভাগ দুটা ভাগত বিভক্ত হৈ আছে, ধনীৰ কাৰণে প্ৰাইভেট, দুখীয়াৰ বাবে টিনৰ স্কুল, ঘৰ নাই, লেট্ৰিন নাই, বিদ্যুৎ ব্যৱস্থা নাই এই বিলাক বেলেগ পৰ্য্যায়লৈ গৈ আছে, এইটো বিবেচনা কৰিব লাগিব। এইখিনি দাবী ৰাখি মোৰ বক্তব্যৰ সাঁমৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, (পশ্চিম কোকৰাঝাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ পবিত্ৰ সদনত বিৰোধী দলৰ পৰা যিটো কৰ্তন প্ৰস্তাৱ তেওঁলোকৰ ফালৰ পৰা উত্থাপন কৰিছে। আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই নিজৰ বিভাগটো আৰৌ বেছি ভালকৈ চলাবৰ কাৰণে চৰকাৰৰ পৰা পুঁজি বিচাৰি পেলাই তেখেতে এটা প্ৰস্তাৱ দাঙি ধৰিছে। এইটো বিৰোধিতা কৰি পেলাই যিটো কৰ্তন প্ৰস্তাৱৰ আমাৰ বিৰোধী দলৰ পৰা আহিছে, সেই কৰ্তন প্ৰস্তাৱ তেওঁলোকৰ পৰা আগবঢ়াইছে মই আজি নাকচ কৰিছো আৰু চৰকাৰৰ ফালৰ পৰা যিটো প্ৰস্তাৱ আজি ইয়াত উপস্থাপন কৰিছে। ইয়াৰ সপেক্ষে মই কথা ক'বৰ বাবে থিয় হৈছো। মানৱ সভ্যতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শ্ৰেষ্ঠ এটা বিভাগ আজি ক'বলৈ গ'লে শিক্ষা বিভাগটোকে ক'ব লাগিব। শিক্ষা হ'ল মানৱ জাতিৰ এটা মেৰুদণ্ড। শিক্ষাটো অসম চৰকাৰখনে যোৱা ২০১৬ চনৰ পৰা আমাৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ

চৰকাৰখনে এটা আমোল পৰিবৰ্তন আনিবৰ বাবে কিছুমান বলিষ্ঠ পদক্ষেপ লৈ কাম কৰাটো আমি সকলোৱে জানো। আজিৰ দিনটো আমি আমাৰ যিটো ইয়াত চৰকাৰ চলি আছে, সেই চৰকাৰৰ ফালৰ পৰা যথেষ্ঠ গুৰুত্বপূৰ্ণ কিছুমান কিছুমান নতুন নতুন এই বিলাক policy লৈ পেলাই আকৌ শিক্ষাৰ সংস্কাৰ আনিবৰ বাবে যথেষ্ঠ পদক্ষেপ লৈ পেলাই কাম কৰি আছে, শিক্ষক সকলৰ প্ৰাদেশীকৰণ পৰা আৰম্ভ কৰি শিক্ষা অনুষ্ঠান বিলাকত Development ৰ বাবে যি বিলাক আৰ্থিক অনুদান দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে, heritage School ৰ কাৰণে যিখিনি ব্যৱস্থা কৰা হৈছে, মডেল বিদ্যালয় বনাবৰ কাৰণে যিখিনি পদক্ষেপ লোৱা হৈছে। ইয়াৰ দ্বাৰা আমাৰ শিক্ষা ব্যৱস্থাৰ এটা সংস্কাৰ আৰু উন্নয়ন শিক্ষাৰ দিশত আনিবৰ কাৰণে এই চৰকাৰখনে যথেষ্ঠ পদক্ষেপ লোৱাটো আমি দেখা পাইছো। এইখন চৰকাৰৰ পৰা আমি গোটেই অসমত নতুনকৈ ইঞ্জিনিয়াৰিং কলেজ, মেডিকেল কলেজ আমাৰ বিভিন্ন ঠাই বিলাকত কলেজ, চৰকাৰী স্কুল খুলিবৰ কাৰণে যিখিনি ব্যৱস্থা কৰা হৈছে, সেইটো এটা প্ৰমাণ যে, এই চৰকাৰখনে অসমত নতুন এটা শিক্ষাৰ দিশত এটা বিপ্লৱ আনিবৰ বাবে চেষ্টা চলাইছে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে অসমৰ পৰা বাহিৰত গৈ দিল্লী, বেঙ্গলোৰ, বিশাখাপট্টনম আৰু পুনেত উচ্চ শিক্ষা ল'বৰ বাবে প্ৰয়োজন যাতে নহয়। আমাৰ এই অসমখনতে আমাৰ অসমৰ ল'ৰা-ছোৱালীবোৰে নিজে বিচৰা ধৰণে উচ্চ শিক্ষা তেখেত সকলে যাতে লাভ কৰিব পাৰে আৰু অসমৰ বাহিৰত ছাত্ৰ-ছাত্ৰী সকলে অভিভাৱক সকলে অসমখনৰ এই শিক্ষা অনুষ্ঠান বিলাকত পঢ়িবৰ কাৰণে বেছিকৈ আকৃষ্ট হয় ইয়াৰ কাৰণে এটা ব্যৱস্থা আজি হাতত লৈ কাম কৰাটো দেখা পাইছো। গতিকে আজি এই চৰকাৰখনৰ আমাৰ শিক্ষা বিভাগ বেছিকৈ কাম কৰিব পাৰে চৰকাৰৰ পৰা বেছিকৈ ধন মোকলাই দিবৰ কাৰণে ব্যৱস্থা নিশ্চয় প্ৰয়োজন আছে। এই কৰ্তন প্ৰস্তাৱৰ ওপৰত আমাৰ বিৰোধী যিটো আনিছে মই আমাৰ বিটিছি অঞ্চলৰ কিছুমান সমস্যা আছে। এই সমস্যা বিলাকৰ সমাধান বিচাৰি মই চৰকাৰ আৰু মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বিটিচিৰ চুক্তি মতে শিক্ষা বিভাগ বিটিছিৰ হাতলৈ হস্তান্তৰিত এটা বিভাগ। এই শিক্ষা বিভাগৰ শিক্ষক নিযুক্তি কৰণৰ যিটো প্ৰক্ৰিয়া চলিছে, ভুৱা পৰীক্ষাৰ জৰিয়তে আমাৰ বিটিচি অঞ্চলত সুকীয়া ভাবে টেট পৰীক্ষা পাতিবৰ বাবে অসম চৰকাৰৰ ফালৰ পৰা তেখেত সকলক ক্ষমতা অৰ্পন কৰিব। টেট পৰীক্ষা পাতিবৰ কাৰণে যিমান খিনি মানদণ্ড অসম চৰকাৰৰ ফালৰ পৰা শিক্ষা বিভাগত যিটো ধাৰ্য্য কৰা হৈছে। সেই একে মানদণ্ড যাতে পালন কৰা হয়, সেইটো নজৰ ৰখাৰ ব্যৱস্থা কৰা যাওঁক। এইখিনি মই হাউচৰ পৰা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। Lets the BTC to allow to Conduct the special TET examination in their own Area. এইটো মই দাবী জনাইছো। ২০১৭ চনত যেতিয়া প্ৰাদেশীকৰণ বাবে আলোচনা কৰা হৈছিলে, সেই সময়ত আমি আমাৰ চৰকাৰখনৰ লগত আলোচনা কৰিছিলো যে, বিটিচি অঞ্চলৰ যিখিনি ২০০৬ চন বছৰটো ভিত্তি বৰ্ষ হিচাবে ধৰা হৈছিল প্ৰাদেশীকৰণৰ বাবে সেইটো আমাৰ বিটিচি অঞ্চলৰ শিক্ষা অনুষ্ঠান বিলাকত প্ৰাদেশীকৰণ কৰিবৰ কাৰণে। হাজাৰ হাজাৰ শিক্ষকৰ প্ৰাদেশীকৰণ নহয়, কিয় নহয়, আন্দোলনৰ কাৰণে দীৰ্ঘ ম্যাদী আন্দোলনৰ কাৰণে বিটিচি অঞ্চলত যথেষ্ঠ পলম হৈছিলে। প্ৰাদেশীকৰণৰ পিছত আমি দেখা পালো যে, ভালেখিনি আমাৰ স্কুল কলেজ বিলাকত শিক্ষক নিযুক্তি যথেষ্ঠ থাকি গৈছিল। মাজবাট কলেজত যিটো দেখা পাইছো, তাতে বড়ো, অসমীয়া প্ৰৱক্তা নিযুক্তি দিয়া নহ'ল আৰু বিদ্যালয় বিলাকত ৬ টা বিষয় আছে, শিক্ষক তিনিজন হে নিযুক্তি দিয়া হ'ল। বাকী তিনিটা বিভাগৰ নিযুক্তি দিয়া নাই। মন্ত্ৰী মহোদয়ৰ মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, টেট পৰীক্ষা পতাৰ পিছত নিযুক্তি দিয়াৰ ক্ষেত্ৰত

যথেষ্ঠ খেলি-মেলি হ'ল। মোৰ সমষ্টিৰ কচুগাওঁ হাইস্কুলটো মডেল স্কুল হিচাবে ইতিমধ্যে অসম চৰকাৰৰ ফালৰ পৰা ঘোষণা কৰা হ'ল। সেই মডেল স্কুল কচুগাওঁ হাইস্কুলতে বড়ো মিডিয়ামৰ ছাত্ৰ-ছাত্ৰী সকলক পঢ়াবৰ কাৰণে বিজ্ঞানৰ শিক্ষক নিযুক্তি দিয়াত কি কৰিছে, তাত বড়ো মিডিয়ামত কি কয় হুBackgroundৰ শিক্ষক নিযুক্তি নিদি পেলাই অসমীয়া মিডিয়ামৰ বেকগ্ৰাউণ্ডৰ এজন শিক্ষক নিযুক্তি দিলে। এতিয়া আমাৰ এই সৰু সৰু ল'ৰা-ছোৱালী বিলাকে অসমীয়া ভাষা বুজি নাপায়। বড়ো মিডিয়ামৰ পোষ্ট। তাত অসমীয়া মিডিয়ামৰ এজন শিক্ষক নিযুক্তি দিয়া হ'ল। সেই শিক্ষক গৰাকীয়ে বড়ো ভাষা নুবুজে আৰু ছাত্ৰ-ছাত্ৰী সকলে অসমীয়া নুবুজে। ইয়াৰ বাবে যথেষ্ট অসুবিধা হৈছে আৰু সেইটো বিজ্ঞান বিষয় হয়। এতিয়া শিক্ষক গৰাকীয়ে হিন্দী ভাষাত পাঠদান কৰি আছে। কিন্তু ছাত্ৰ-ছাত্ৰী সকলে হিন্দী ভাষা বুজি নাপায়। আৰু শিক্ষক গৰাকীয়েও হিন্দী ভাষা শুদ্ধকৈ ক'ব নাজানে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ আৰু ১ মিনিট সময় আছে। এই এক মিনিটৰ সময়ত শেষ কৰিব।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, (পশ্চিম কোকৰাঝাৰ) ঃ** এতিয়া তাত এটা নতুন মিডিয়াম আহি গ'ল। অসমীয়া আৰু বড়ো মিডিয়াম তাত আছিল কিন্তু তাত হিন্দী ভাষাৰে শিক্ষা দি আছে। নে হিন্দী মিডিয়াম হ'ল নে অসমীয়া মিডিয়াম হ'ল নে বড়ো মিডিয়াম হ'ল? কিন্তু মিডিয়ামটো বড়ো মিডিয়ামৰ আছিল। ছাত্ৰ-ছাত্ৰী সকল বড়ো। গতিকে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো যে এই শিক্ষক গৰাকীক সোনকালে আঁতৰাই তাত বড়ো মিডিয়ামৰ এগৰাকী শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক। মোৰ আৰু এটা স্পেচিয়েল ডিমাণ্ড হ'ল যে যোৱ বি টি চি নিৰ্ব্বাচনৰ সময়তে আমাৰ অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ফকিৰাগ্ৰামলৈ নিজে গৈ ঘোষণা কৰিছিল যে অচিৰেই আমাৰ চৰকাৰখনে ফকিৰাগ্ৰাম কলেজত বিজ্ঞান শাখা খোলা হ'ব আৰু ইয়াৰ বাবে মই যোৱা বিধান সভাত এই পবিত্ৰ সদনত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ঘোষণাৰ প্ৰতি সন্মান জনাই ফকিৰাগ্ৰাম কলেজত বিজ্ঞান শাখা খুলিব লৈ দাবী জনাইছিলো। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে মোক আশ্বস্ত কৰিছিল যে আপুনি নিৰাশ নহ'ব। মই এতিয়াও আশাবাদী। কিন্তু মোক এই কথা দি পাঁচবছৰ যদি গুছি যায় ফকিৰাগ্ৰাম ৰাইজে মোক ক্ষমা নকৰিব। অসম চৰকাৰৰ প্ৰতি এই আস্থা-বিশ্বাস যাতে নষ্ট নহয় এই সদনত ফকিৰাগ্ৰামৰ ৰাইজৰ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ এই দাবী টো যাতে পূৰণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো। ফকিৰাগ্ৰাম বাসী ৰাইজে এইখন চৰকাৰক আৰ্শীবাদ প্ৰদান কৰিব বুলি মোৰ এটা বিশ্বাস আৰু আশ্বাস আছে। গতিকে এইখিনি যাতে শিক্ষামন্ত্ৰী মহোদয়ে পূৰণ কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী।

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ, মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ দিছো যে চাৰে চাৰি মিনিটৰ ঠাইত ১০ মিনিট দিছে। সকলোৰে ক্ষেত্ৰত এনেকুৱা হ'ব লাগে। আপোনালোকে দিছে ১. ৬৬ মিনিট পাৰ এম এল এ।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতৰ ৯ মিনিট আছে।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে যিটো কৈছে এইটো ৰেকৰ্ডমতে শুদ্ধ কিন্তু আমাক টাইমটো দিওঁতে ভুল হৈছে। আপুনি শুদ্ধ।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী (ডেৰগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ইয়াত বিৰোধী দলে শিক্ষা বিভাগৰ ১০০০ লাখ টকাৰ অতিৰিক্ত মঞ্জুৰী কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে আৰু এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কিছু কথা ক'ব বিচাৰিছো। কাৰণ শিক্ষা বিভাগটো এনেকুৱা এটা

বিভাগ যিটো বিভাগত আঁচলতে মানৱ সম্পদ গঢ় দিয়া হয়। পবিত্ৰতাৰ ধৰণী এই শিক্ষা বিভাগৰ বিভিন্ন অনুষ্ঠানত আমি গঢ় দিওঁ। সেই তেনেধৰণৰ অনুষ্ঠান গঢ় দিবলৈ যাওঁতে নিশ্চিত ভাৱে, সুন্দৰ ভাৱে এটা পলিচিৰ আধাৰত কাম বিলাক কৰা হয়। বৰ্তমান পৰ্য্যায়ত আমাৰ এই নতুন চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই মানৱ সম্পদ গঢ়া অনুষ্ঠান সমূহক এক গতি দিবৰ বাবে যথেষ্ট চেষ্টা কৰিছে আৰু সেই গতিৰ আমি নতুন কিছু পথ দেখিছো। অংগনবাড়ী পৰ্য্যায়ৰ পৰাই একেবাৰে কলেজ পৰ্য্যায়লৈকে যাতে শিশু সকলে নিজক গঢ় দিয়াৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ অসুবিধা নোপোৱাকৈ আগবাঢ়ি যাব পাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰথম পৰ্য্যায়ত আদৰ্শ অংগনবাড়ী চেণ্টাৰ সমূহ নিৰ্মাণ কৰি যাতে শিশু সকলক আৰম্ভণীতে তেওঁলোকৰ মানসিক দিশ বিকাশৰ বাবে যিটো পৰিবেশ লাগে তেনেধৰণৰ পৰিবেশ তৈয়াৰ কৰিবৰ বাবে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰি শিক্ষা বিভাগৰ অধীনলৈ ক্ৰমান্বয়ে সেই অংগনবাড়ী কেন্দ্ৰ বিলাক লৈ যাব অৰ্থাৎ শিশুখিনিক একেবাৰে প্ৰাৰম্ভিক পৰ্য্যায়তে গঢ় দিয়াৰ ক্ষেত্ৰত এই ব্যৱস্থাখিনি এইবাৰৰ পৰা আৰম্ভ কৰিছে। তাৰ পিছতেই প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা পৰ্য্যায়ত যাতে চৰকাৰৰ শিশু এগৰাকীক মানুহ হিচাপে গঢ় ক্ষেত্ৰত যি দায়িত্ব তাত পঢ়াৰ পৰিবেশটো দিব লাগিব। সেই পৰিবেশটো যদি বজাৰৰ মাজত হয় তেতিয়া তেওঁ পঢ়িব নোৱাৰিব। এটা সুন্দৰ পৰিবেশত ছাত্ৰ গৰাকীয়ে পঢ়িব পাৰিব লাগিব আৰু সেই পৰিবেশ তৈয়াৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে দায়িত্ব সহকাৰে এই কামখিনি লৈছে। ইতিমধ্যে শিক্ষা বিভাগৰ এটা যুগান্তকাৰী ভাল সিদ্ধান্ত হৈছে যে নিদাৰ অধীনত যিমান বিলাক বিদ্যালয় ৭৫ বছৰ, ৫০ বছৰ, ১০০ বছৰ হোৱা বিদ্যালয় বিলাকক হেৰিটেজ স্কুল হিচাবে ঘোষণা কৰি একেধৰণে ৰখাৰ যিটো ব্যৱস্থা সেইটো কৰিছে। মই যিখন বিদ্যালয়ত পঢ়িছিলো যোৰহাট উচ্চতৰ মাধমিক বহুমুখী বালক চৰকাৰী বিদ্যালয়, সেই স্কুলখনৰ ১০০ বছৰ কেতিয়াবাই অতিক্ৰম কৰি গৈছে। সেই বিদ্যালয়খ ন আমি পঢ়া অৱস্থাত যেনেধৰণে আছিল তেনেধৰণেই পুনৰ construct কৰি যদি ৰাখে তেতিয়া সেইখন হেৰিটেজ স্কুল হিচাপে পৰৱৰ্ত্তী পৰ্য্যায়ত আমাৰ নতুন প্ৰজন্মই ভাবিব যে এই বিদ্যালয়খনৰ পৰাই অসমৰ বহুকেইজন পুৰোধা ব্যক্তিৰ জন্ম হৈছিল বা শিক্ষা গ্ৰহণ কৰিছিল। এই সুন্দৰ শিক্ষাৰ পৰিৱেশটো বৰ্তি থকাৰ কাৰণে আমি আমাৰ শিক্ষা বিভাগটোক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰাথমিক পৰ্য্যায়ৰ বিদ্যালয়বোৰো ঠিক একেদৰেই কিছু হেৰিটেজ বিদ্যালয় হিচাপে গঢ় দি তুলিব লাগিব। এইক্ষেত্ৰত প্ৰাথমিক বিদ্যালয় সমূহক বৰ্তমান পৰ্য্যায়ত যধে-মধে, য'তে-ততে বহুখিনি বিদ্যালয় আছে। এই বিদ্যালয়বোৰক একত্ৰকৰণ কৰি এটা ব্যৱস্থালৈ লৈ অহাতো শিক্ষা বিভাগৰ এটা আমূল পৰিবৰ্তন কৰাতো অতিশয় ভাল পদক্ষেপ। কাৰণ মই নিজে দেখিছো মোৰ সমষ্টিত এখন প্ৰাথমিক বিদ্যালয়ৰ দহ জন ছাত্ৰ-ছাত্ৰীৰ মাজত তিনি জন শিক্ষক। প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত এটা নিয়ম আছে যে এক কিলোমিটাৰৰ ভিতৰত এখনকৈ প্ৰাথমিক বিদ্যালয় থাকিব লাগে, তিনি কিলোমিটাৰৰ ভিতৰত এখনকৈ মাধ্যমিক বিদ্যালয় আৰু ৫ কিলোমিটাৰৰ ভিতৰত এখন হাইস্কুল এনেকুৱা ধৰণৰ ব্যৱস্থা আছিল। কিন্তু বৰ্তমান পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে বিদ্যালয়ৰ সংখ্যা বেছি। যাৰ ফলত এই বিদ্যালয় সমূহৰ একত্ৰীকৰণৰ প্ৰশ্ন আহি পৰিছে। সেই অনুসৰি শিক্ষা বিভাগে একত্ৰীকৰম কৰা পৰ্য্যায়টো সুন্দৰভাৱে পৰিচালনা কৰিছে আৰু আমি তাত সেইটো দেখিবলৈ পাইছো। বিদ্যালয়বোৰৰ একত্ৰীকৰণ কৰাৰ ফলত আমাৰ এই ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীক এতিয়া আমি চৰকাৰী স্কুলত পঢ়োৱাৰ যি মানসিকতা হৈছে সেই মানসিকতাটো অলপ বৃদ্ধি হৈছে। এই বৃদ্ধিৰ কাৰণটো হ'ল যে আমাৰ বিদ্যালয় সমূহত এতিয়াৰ শিক্ষক সকলে ছাত্ৰ-

ছাত্ৰীক সুন্দৰ ভাৱে শিক্ষা দান কৰিছে আৰু ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে নিজকে ভালদৰে গঢ় দিব পাৰিছে। এই ব্যৱস্থাটোত অভিভাৱক সকলে এজন ছাত্ৰক এডমিশ্যন দিওঁতেই সেই কথাবিলাক সদায় লক্ষ্য কৰে। মই মোৰ ল'ৰাটোক কেতিয়াও ধ্বংস হ'ব পৰা স্কুলত নিদিওঁ। গতিকে মাক-দেউতাকে সদায় এনেকুৱা এখন স্কুলত দিব বিচাৰে যিখন স্কুলত মোৰ ল'ৰাটো ভাল মানুহ হৈ ওলাই আহিব। সেই ভাল মানুহ হোৱা স্কুল বিলাকৰ শাৰীত আজিৰ পৰা কেইবছৰমান আগলৈকে ব্যক্তিগত খণ্ডৰ স্কুলবোৰক অভিভাৱক সকলে ভাল পাইছিল। কিন্তু বৰ্তমান পৰ্য্যায়ত শিক্ষাৰ যিখিনি সংস্কাৰ কৰা হ'ল তাৰ জৰিয়তে এনেকুৱা কিছুমান বিদ্যালয়ো ওলাল যে চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক এডমিশ্যন দিবলৈ মাক-দেউতাক বা অভিভাৱক সকলে ইচ্ছা প্ৰকাশ কৰা হ'ল। অৰ্থাৎ কিছু সংস্কাৰ কৰাৰ ফলত চৰকাৰখনে চৰকাৰী বিদ্যালয়বোৰক আগবঢ়াই লৈ যোৱাৰ যিটো পৰিকল্পনা তাক আজিৰ অভিভাৱক সকলে ভাল পাইছে। এই ক্ষেত্ৰত শিক্ষা বিভাগটো অধিক টনকিয়াল কৰিবলৈ আৰু কিছুমান কাম চৰকাৰে কৰিব লগীয়া আছে বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰো। সেইদৰে আমি চাহ বাগিচা অঞ্চল সমূহতো বৰ্তমান পৰ্য্যায়ত মডেল স্কুল নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু ইতিমধ্যে বহুকেইখন মডেল স্কুল নিৰ্মাণ হৈ আছে। বাগিচা অঞ্চল সমূহত আমি সদায় দেখিবলৈ পাওঁ যে বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়লৈ যোৱাটো নিবিচাৰে আৰু তেওঁলোকৰ মাক-দেউতাক বোৰেও ৰাতিপুৱাই কামলৈ ওলাই যায় আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰ স্কুললৈ নাযায় খেলা-ধূলা কৰি দিনটো কটায়। বৰ্তমান পৰ্য্যায়ত আমাৰ চৰকাৰখনে এনেকুৱা পৰ্য্যায়লৈ লৈ গৈছে যে লৰা-ছোৱালীয়ে বিদ্যালয়লৈ যাব লাগিব। আৰু সেই এজন সুন্দৰ মানুহ হিচাপে থিয় হ'বলৈ চেষ্টা কৰিব লাগিব। এই যিটো মনোভাৱ আমাৰ চাহ-বাগিছাৰ অঞ্চলৰ ৰাইজৰ মনত সোমাই গৈছে। মোৰ সমষ্টিতে সোণাখাট বাগিছাত মডে'ল স্কুলখন নিৰ্মাণ কৰাৰ আধাৰশিলা স্থাপন কৰাৰ পিছদিনাই বাগানৰ ৰাইজে সুধিছে স্কুলখন কেতিয়া আৰম্ভ হ'ব। আমাৰ লৰা-ছোৱালীক কেইটাক অন্তত এই বিদ্যালয়ত পঢ়াই ভাল মানুহ কৰিব পাৰিম। বাগানৰ ৰাইজক ৰাস্তাৰ পৰা আৰম্ভ কৰি প্ৰত্যেকটো বিষয়তে আমাৰ আগৰ চৰকাৰ সমুহে অলপ অৱহেলিত কৰিছিলে। বৰ্তমান সময়ত বাগান ৰাইজক এনেকুৱা পৰ্য্যায়লৈ আগবঢ়াই নিয়াৰ কাৰণে সক্ষম হৈছো যে শিক্ষাৰ জৰিয়তে তেওঁলোকৰ মাজৰ IAS officer, Doctor, প্ৰতিনিধি ভৱিষ্যতলৈ পাম বুলি আশা কৰিব পাৰো।

বিদ্যালয় সমূহত আমাৰ সমষ্টি বিলাকত দুটা অভাৱ প্ৰায়ে দেখিবলৈ পাইছো। সেই অভাৱ দুটা হ'ল - মেট্ৰীক পৰীক্ষাৰ যিবোৰ চেন্টাৰ সেইবোৰ নগৰ বা গাওঁ এৰিয়াত, যেতিয়া মেট্ৰিক পৰীক্ষাৰ চেন্টাৰ হয়, তাত এটা আটাইতকৈ ডাঙৰ সমস্যা যে চেন্টাৰ সমূহত boundary wall নাথাকে। দুটা বা তিনিটা ফালে boundary wall থাকে, এটা ফালে নাই, তাত আকৌ টিনৰ বেৰ দি boundary wall দিয়া হয়। মোৰ সমষ্টিত মই নিজে দেখিছো যে কেইবাখনো বিদ্যালয়ত তেনেকৈ মেট্ৰিক পৰীক্ষা পাতিব লগীয়া হয়। সেই ক্ষেত্ৰত বিধায়ক উন্নয়ন পূজিৰ পৰা কেইবাখনো বিদ্যালয়ত boundary wall দিয়া হৈছে। কিন্তু সেইটো পৰ্য্যাপ্ত নহয়। তেনেধৰণে আৰু কেইবাখনে বিদ্যালয় আছে। য'ত মেট্ৰিক পৰীক্ষাৰ সুন্দৰ পৰিবেশটো দিবলৈ, যাতে দূষ্টকাৰ্য্য নহয়, তাৰ কাৰণে boundary wall দিয়াৰ কিছু এটা সিদ্ধান্ত চৰকাৰী ভাৱে ল'ব লাগিব, যাতে আমি বিদ্যালয়সমূহ boundary wall দিয়াৰ ব্যৱস্থা কৰিব পাৰো।

দ্বিতীয়তে- বিদ্যালয়সমূহত আৰু এটা অসুবিধা পাইছো। সাধাৰণতে Infrastructure Development ত আমি ঘৰটো বনাই দিওঁ বা Block ৰ জৰিয়তে বিদ্যালয়লৈ যোৱা বোকা

হোৱা ৰাস্তাটো paver block দি বনাই দিওঁ। প্ৰাথমিক বিদ্যালয় বা হাইস্কুল বিলাকত fencing খন দি দিওঁ। কিন্তু তাত আমি এটা কথা সচাঁকৈ বেয়া দেখিবলৈ পাওঁ সেইটো হ'ল furniture বা black board ইত্যাদি বিলাক আনুসঙ্গিক যিখিনি বস্তু, সেইখিনি বিদ্যালয় বিলাকত সাধাৰণতে নাথাকে। গতিকে সেই ক্ষেত্ৰত এটা Furniture grant বুলিয়ে হওঁক বা কিবা নাম দি চৰকাৰীভাৱে সেইখিনি দি বিদ্যালয় সমুহক এটা শিক্ষা গ্ৰহণৰ এটা পৰিবেশ, সেই পৰিবেশটো তৈয়াৰ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। লগে লগে আৰু কেইটামান (আমি সমষ্টিত থাকোতে আমি অনুভৱ কৰো) শিক্ষাৰ ক্ষেত্ৰত বহুকেইটা সংগঠন আছে, অপ্ৰাদেশিকৃত বিদ্যালয় সংস্থা, বেতন নোপোৱা শিক্ষক সংস্থা, এনেকুৱা ধৰণৰ কেইবাটাও সংগঠন আছে, তেখেতসকলে আমাৰ লগ ধৰে আৰু কয় যে আমাক এই ব্যৱস্থাটো কৰি দিব লাগে। আপুনি অকনমান চৰকাৰৰ লগত কথা পাতি কিবা এটা ব্যৱস্থা কৰক, আমি আজি **১৮,২০** বছৰ ধৰি চাকৰি কৰি আছো, কিন্তু আমাৰ চাকৰি কেইটা regular হোৱা নাই বা কিবা হোৱা নাই। এনেধৰণৰ বহুখিনি কথা তেওঁলোকৰ থাকে। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়লৈ এটা অনুৰোধ আমি বৰ্তমান পৰ্য্যায়ত যিখিনি প্ৰাদেশীকৰণ বিদ্যালয় কৰিলো, আগতে ৰাইজে বিদ্যালয় পাতে, ৰাইজে দুই চাৰিজন গোটখাই মাটি অকণমান লৈ তাতে প্ৰাথমিক বিদ্যালয়,হাইস্কুল ইত্যাদি বিদ্যালয় বিলাক প্ৰতিষ্ঠা কৰে। কিন্তু বৰ্তমান পৰ্য্যায়ত সেই বিদ্যালয়ৰ সংখ্যা এনেকুৱা হৈ গ'ল ছাত্ৰ যদি এক হাজাৰ আছে, স্কুল হৈ গ'ল পাঁচশ। অনুপাত মতে সংখ্যাটো বৃদ্ধি হৈ গ'ল। গতিকে বৰ্তমান পৰ্য্যায়ত চৰকাৰে চৰকাৰীভাৱে নিজাববীয়াকৈ স্কুল প্ৰতিষ্ঠা কৰাৰ যিটো সিদ্ধান্ত লৈ আগবাঢ়িছে, সেইটো সময় উপযোগী সিদ্ধান্ত হৈছে। সেই অনুসাৰে যিমান বিলাক বিদ্যালয় প্ৰাদেশীকৰণ কৰা হ'ল, আৰু যদি কিবা কৰিবলগীয়া আছে ratio অনুপাতে যিটো আমাৰ নতুন শিক্ষা নীতি মতে সেইখিনি কৰি এই অধ্যায়টোৰ স মাপ্তি ঘটাব লাগে। কাৰণ কিছু শিক্ষক বৰ্তমান প্ৰাদেশীকৰণ নোহোৱা স্কুলত শিক্ষকতা কৰি আছে। আমাক আহি কয় যে প্ৰাদেশীকৰণ কৰি দিব লাগে। কিন্তু নিয়মত নাপায় বা পাৰিলেও কিবা অসুবিধা আছে। মাটি কম আছে, বা enrolment কম, বা ফলাফল বেয়া এই বিলাক কথা যাতে খুব সোনকালে বিদ্যালয় বিলাক গোটেই কথাখিনি সমাপ্ত ঘটাই যাতে ৰাইজে প্ৰতিষ্ঠিত কৰা বিদ্যালয় প্ৰাদেশীকৰণ কৰি এই অধ্যায় সমাপ্ত কৰিব লাগে। সেই অনুসৰি বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত আমি চৰকাৰীভাৱে আগভাগ ল'ব পাৰো, সেইটো চিন্তা কৰিব লাগে। বিশেষভাৱে প্ৰাথমিক বিদ্যালয়, হাইস্কুলৰ সম্পৰ্কত কৈছো। এই ক্ষেত্ৰত যাতে যোগান্তকাৰী সিদ্ধান্ত লৈ প্ৰাথমিক আৰু হাইস্কুল এই দুটাকে যদি আমি সুন্দৰকৈ আগবঢ়াই লৈ যাব পাৰো তেতিয়া হলে আমি ভৱিষ্যতে আমাৰ সামজখনত এটা সুন্দৰ মানৱসম্পদ পাম বুলি আশা কৰিব পাৰো। মই আশা কৰিছো আমাৰ চৰকাৰে এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্ব আৰু শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি নিশ্চয় অসমৰ শিক্ষা ব্যৱস্থা সংস্কাৰৰ জৰিয়তে আগবঢ়াই লৈ যাবলৈ সক্ষম হম। এইখিনি কথা কৈ মই বিৰোধী পক্ষৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দাবী মঞ্জুৰী সম্পুৰ্ণৰূপে শিক্ষা বিভাগক দিব লাগে বুলি অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you। এতিয়া মাননীয় সদস্য শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰীজয়ন্ত বসুমতাৰী, (চিদলী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা বিষয়ত মই কিছু কবলৈ আগবাঢ়িছো। হয়, শিক্ষা এটা এনেকুৱা বিষয় যে আজিৰ যুগত শিক্ষা নহলে আমি কোনো কথা চিন্তা কৰিবই নোৱাৰো। শিক্ষা এটা প্ৰধান বিষয় যদিও শিক্ষাত বহুখিনি সমস্যা আমি দেখিবলৈ

পাওঁ। BTR ত পাচঁখন জিলা আছে। মোৰ সমষ্টি চিদলীৰ কথা যদি কওঁ, বিশেষকৈ আমাৰ BTR অঞ্চলত জনসংখ্যা অনুপাতে আমাৰ বিদ্যালয় বা শিক্ষানুষ্ঠান আমি দেখিবলৈ নাপাওঁ। আমাৰ অঞ্চলবোৰত Forest area বেছিকৈ আগুৰি আছে। নতুনকৈ তাত জনবসতি হৈ গ'ল। তাত এতিয়া right to education আহিলে। ইয়াত আজি নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰিবলৈ গৈ আছে। মোৰ আগৰ বক্তা সকলে যেনেকৈ আগুৱাই গৈছে, ঠিক তেনেকৈ ময়ো কব খুজিছো যে শিক্ষাত বহুখিনি কাম নিশ্চয় কৰিবলৈ আছে। মোৰ সমষ্টিৰ কথা যদি কওঁ, মোৰ সমষ্টিত তিনিখন চৰকাৰী কলেজ এতিয়া চলি আছে। সেই তিনিখন কলেজতে Arts stream চলি আছে। কিন্তু সৌভাগ্যৰ কথা আজি অসম চৰকাৰৰ ফালৰ পৰা কেবিনেট সিদ্ধান্ত হ'ল যে মোৰ সমষ্টি বাসুগাওঁ কলেজত Science stream টো প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত লোৱা হ'ল। তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীৰ লগতে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ আৰু শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে বেংতল এখন কলেজ, এই কলেজতো বিজ্ঞান শাখা প্ৰৱৰ্তন কৰিব লাগে আৰু কাজল গাৱঁত যিখন কলেজ আছে, নতুনকৈ ২০২০ চনত চৰকাৰীকৰন কৰা হ'ল, তাত কৰ্মাচ শাখা ইতিমধ্যে চলি আছে। কিন্তু কৰ্মাচ শাখাটো চৰকাৰীকৰণ কৰা হোৱা নাই। তাত কৰ্মাচ শাখাটো চৰকাৰীকৰণ কৰিবলৈ মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো, আৰু মোৰ সমষ্টিৰ হায়াৰ ছেকেণ্ডাৰীৰৰ বহুত অভাৱ মই দেখিছো। তাত হায়াৰ ছেকেণ্ডাৰীৰ নিশ্চয় উন্নীতকৰন কৰিব লাগিব। যোৱা ২০২০ চনত স্কুলবোৰৰ যিটো চৰকাৰীকৰন কৰা হয়, তাত দেখিছো যে  কিছুমান ডে স্কুল কৰি  স্কুলবোৰক চৰকাৰীকৰণ কৰা হ'ল। তাত দেখা গৈছে, এনেকুৱা এটা স্থান আছে, ইয়াত মই নাম উল্লেখ কৰিব খুজিছো, ডাতগিৰি, যিটো ভূটানৰ একেবাৰে গাতে লাগি থকা অঞ্চল, সেই দাতগিৰি এম ই স্কুলখন চৰকাৰীকৰন কৰা হ'ল। কিন্তু তাৰ ডে স্কুলখন ১৫ কিঃ মিঃ নিলগত থকা  ডেওঁশ্ৰী স্কুলৰ লগত সংলগ্ন কৰা হ'ল। আৰু সেই ডাতগিৰি এম ই স্কুলত কমেও ৫ কিঃ মিঃ দূৰৰ পৰা ছাত্ৰ-ছাত্ৰী সকল পঢ়িবলৈ আহে। এতিয়া সেইখন স্কুলতে ৫ কিঃ মিঃ দূৰৰ পৰাই পঢ়িবলৈ আহে। আকৌ যদি সেই ডাতগিৰিৰ পৰা ১৫ কিঃ মিঃ নিলগত থকা ডেওঁশ্ৰী স্কুললৈ যদি আহিব লগীয়া হয়, তেতিয়া ২০ কিঃ মিঃ পথ তেওঁলোকে আহিব লগা  হয়। দেখা গৈছে যে আমাৰ যি নিউ এডুকেশ্যন পলিচিত আছে যে ১ কিঃ মিঃ ত এল পি স্কুল, ৩  কিঃ মিঃ ত এম ই স্কুল,  ৫ কিঃ মিঃ ত হাই স্কুল, যদি থাকিব লাগে, তেতিয়া হলে দেখা গৈছে, যে   এম ই   স্কুল পঢ়িবলৈ এতিয়া ২০ কিঃ মিঃতালৈ আহিব লগা নিশ্চয় হ'ব। সেয়েহে এই বিষয়ত নিশ্চয় ভাবিবলগীয়া আছে। নিশ্চয় সেই সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি কিছুমান সিদ্ধান্ত ল'ব লগা আছে। আৰু মই দেখিছো যে চিৰাং জিলাৰ সদৰ কাজল গাওঁ। সেই কাজল গাওঁৰ যিটো চিনিয়ৰ ছেকেণ্ডাৰী স্কুল, যিটো আগতে জুনিয়ৰ কলেজ বুলি আছিল। আজি চৰকাৰীকৰণ কৰাৰ পাচত চিনিয়ৰ ছেকেণ্ডাৰী স্কুল হিচাপে গন্য কৰা হ'ল। তাত ইতিমধ্যে হাইস্কুল এখন আছে, সেই হাই স্কুলখনত একোমোডেশ্যন নাই। এতিয়া চিনিয়ৰ ছেকেণ্ডাৰী ডে স্কুল কৰি ইয়াক চৰকাৰীকৰণ কৰা হ'ল। এতিয়া চিনিয়ৰ ছেকেণ্ডাৰীত ৭০০ ছাত্ৰ-ছাত্ৰী আছে। কিন্তু তাত এক'মোডেশ্যন নাই। তাত যিটো ডে স্কুল কৰি চৰকাৰীকৰন কৰা হ'ল, ইয়াত ডাঙৰ এটা সমস্যা নিশ্চয় হৈ আছে। গতিকে মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো, যিহেতু কাজল গাওঁখন সদৰ হ'ল। চিৰাং জিলাৰ সদৰ ঠাই সেই কাৰণে চিনিয়ৰ ছেকেণ্ডাৰীটো কেনেবাকৈ নিজৰ যিটো স্থান তাতে ৰাখিব পৰাৰ কিবা এটা ব্যৱস্থা কৰিব পৰা যায় নেকি সেইখিনি মই অনুৰোধ জনাইছো। কাৰণ তাত সদৰ স্থান হোৱাৰ লগে লগে তাত মানুহৰ জনবসতি বাঢ়ি আছে,  সেই দিশটোও নিশ্চয় চাব লগা আছে। গতিকে মই

আৰু দীঘলীয়া নকৰো। ইয়াকে কৈ মোৰ বক্তব্য ইয়াতে সামৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ- ধন্যবাদ, এতিয়া সন্মানীয় সদস্য মনোৰঞ্জন তালকদাৰ। আপোনাৰ সময় ৩ মিনিট, আপুনি ৩ মিনিটতে শেষ কৰিব বুলি আশা ৰাখিছো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ সমস্যা সমূহ যথেষ্ট গভীৰ। স্বাধীনতাৰ ৭৫ বছৰত বহু কমিশ্যন, বহু আইন শেহতীয়া ভাৱে আহিল, নতুন শিক্ষানীতি ঘোষনাও হৈছে, কিন্তু সমস্যাটোৰ পৰা আমি মুক্তি পোৱা নাই। আমাৰ ৰাজ্য অসম দূৰ্ভগীয়া অসম, এখন ৰাজ্য অসমত আজি স্বাধীনতাৰ ৭৫ বছৰ পাছতো আমি আমাৰ ৰাজ্যখনৰ মানুহৰ শিক্ষিত কৰাৰ যি দায়িত্ব আমাৰ হাতত অৰ্পীত হৈছিল, সেই দায়িত্ব আমি পালন কৰিব পৰা নাই। মোৰ এই ক্ষেত্ৰত মনত পৰিছে, যে আমাৰ পৃথিবীৰ ইমান নিৰক্ষৰ মানুহ আছে, তাৰ অৰ্ধেক নিৰক্ষৰ মানুহ ভাৰতবৰ্ষত বসবাস কৰে, আৰু সেই অনুপাতে অসমতো নিৰক্ষৰ মানুহে বসবাস কৰে। আমি বিদ্যালয় পাতিছো, কিন্তু বিদ্যালয়ত আমি ছাত্ৰ-ছাত্ৰীক আৱদ্ধ কৰি ৰাখিব পৰা নাই। ড্ৰপ আউট এটা ডাঙৰ সমস্যা হিচাপে আমাৰ ৰাজ্যটো ৰৈ আছে। প্ৰাইমাৰী পৰ্যায়তে ৩.৩ শতাংশ ড্ৰপ আউট হৈ যায়, ক্লাছ ৭ম লৈ কে যদি ৪.৬ শতাংশ হয়, দশম শ্ৰেণী পাওঁতে যেতিয়া মেট্ৰিক পৰ্য্যায় পাব, তেতিয়া ৩১ শতাংশ ড্ৰপ আউট হৈ যোৱাৰ পাছত আমি শিক্ষাৰ ক্ষেত্ৰত কি সাফল্য লাভ কৰিছো, সেইটো নিশ্চিতভাবে চিন্তনীয় বিষয়। আমাক কেতিয়াবা কোনোবা কোনোবা আইনেও আৱদ্ধ কৰি ৰাখে। যেতিয়া ১৩ চনত স্কুল বিলাক চৰকাৰীকৰন কৰা হ'ল মিউজিক শিক্ষক, হিন্দী শিক্ষক ড্ৰপ আউট হৈ গ'ল। তাৰ পাচত ১৭ চনত যিখন আইন আনিলে, ১৭ চনৰ আইনখনত আমি এনেকৈ পাক খাই গৈছো, তাত আমি নাচ শিক্ষকসকলৰ পদবিলাক প্ৰাদেশীকিকৰন কৰিব পাৰিছো। কৰোবাক কৰিছো, যদি টি উটৰ কৰি দিব লগা হৈছে। ৫০ শতাংশ বি এড ডিগ্ৰী বা ডি এল এড ডিগ্ৰী থকাৰ পাচতো সেই শিক্ষকসকলক আমি টিউটৰ হিচাপে গন্য কৰিব লগা হৈছে। এই ধৰণৰ দূৰ্ভাগ্যজনক অৱস্থা এটা পাৰ হৈ যাব পাৰিলেহেতেন। আমাৰ ৰাজ্য অসমৰ অসম চৰকাৰৰ যিটো শিক্ষাবিভাগ, যিটো শিক্ষাবিভাগে গুৰুত্ব পাইছে বুলি মই নাভাবো। কাৰণ যোৱা পৰহি ৰাজ্যপালৰ ভাষনটো দেখা পাইছিলো যে শিক্ষাবিভাগটো প্ৰায় অনুপস্থিত। তাৰ পাচত আমি অৱশ্যে আজি চাপ্লিমেন্টৰী ডিমাণ্ডত বিষয়টো আলোচনাৰ কাৰণে আনিছো। কিন্তু আনিলেও ইমান লেহেমীয়া, বাৰে বাৰে এই ১৭ চনৰ আইনখন সংশোধন কৰি আজি শিক্ষক সকল যে ৰাজপথত থাকিবলগীয়া হৈছে, বাৰে বাৰে আন্দোলন কৰিছে, শিক্ষকৰ বিভিন্ন সন্থাই আন্দোলন কৰিছে, তেওঁলোকৰ পদ বিলাক ৰেগুলাৰাইজ কৰা আৰু স্কুল বিলাক প্ৰাদেশীকীকৰণ কৰাৰ ব্যৱস্থাটো. যদি এখন আইনে বাধা দি থাকে, সেই আইনখন সংশোধন কৰক, সংশোধন কৰাৰ কথাও আছিল কিন্তু আজিও এই অধিবেশনত আমি দেখা নাই, এই বিলখন অহা নাই সংশোধন কৰাৰ বাবে। এনেধৰণে যদি হৈ থাকে, এতিয়া দেখা গৈছে ইছ্যু ডেটক লৈ বহু স্কুল এতিয়ালৈকে প্ৰাদেশীকিকৰণ হোৱা নাই। ইছ্যু ডেটৰ গণ্ডগোল, এই ইছ্যু ডেটৰ গণ্ডগোল বিলাক কিয় মাৰা হোৱা নাই, এইক্ষেত্ৰত নিশ্চিতভাৱে গোটেই বিষয়টো চিন্তনীয় হৈ পৰিছে। সেই কা ৰণে মই শিক্ষা মন্ত্ৰীক আজি চাপ্লিমেন্টৰী ডিমাণ্ডৰ ওপৰত যি ,আলোচনা, এই আলোচনাৰ জৰিয়তে মই অনুৰোধ কৰিম যে অন্ততঃ বিষয় বিলাক তাৎক্ষনিকভাৱে সমাধা কৰাৰ কাৰণে আপোনাৰ বিভাগে উদ্যোগ লওঁক। যোৱা চেশ্যনত ঘোষণা হৈছিল, ৭৫ বছৰ অতিক্ৰম কৰা স্কুল বিলাকক চৰকাৰে ৩ কোটি কৈ টকা দিব। চেশ্যন শেষ হ'বৰ হ'ল, এতিয়া মাৰ্চ মাহৰ ৩১ তাৰিখে আৰ্থিক বৰ্ষও শেষ হৈ যাব। সেই ৩ কোটি টকা মাত্ৰ কেইখনমান স্কুল, তাত আজিলৈকে সেই টকাটো গৈ

নাপালে। মডেল স্কুল ঘোষনা কৰিলে, এখন এখন এটা সমষ্টিত। তাত ১০ লাখ কৈ টকা দিয়াৰ কথা আছিল। কিন্তু ১০ লাখ টকা গৈ নাপালে। যদি সময় মতে কামবিলাক নহয়, এই ক্ষেত্ৰত সমস্যাবিলাকৰ সমাধান কাৰাৰ ৰাস্তা নিশ্চিত নাপাব। সেই কাৰণে মোৰ এনেকুৱা অনুভৱ হৈছে যে, ফৰাচী বৈজ্ঞানিক ডিদাৰে কোৱাৰ দৰে মানুহক তোমালোকে শিক্ষাৰ পোহৰ নিদিবা, যদি শিক্ষাৰ পোহৰ দিয়া, এনে পৃথিবীত চয়তান নাই। তেওঁলোকক বেছিদিন ঠগাই ৰাখিব পাৰিব। এই দৃষ্টিভংগীৰে কাম চলিছে নেকি? ডিদাৰৰ বেংগ্যাত্মক কথা যে মানুহক শিক্ষা দিব নালাগে, শিক্ষা দিলে মানুহক ঠগাব পৰা নাযাব। এইটো যদি নীতিৰে আমি চলো তেতিয়া হলে নিশ্চিত ভাৱে শিক্ষাৰ সমস্যাৰ সমাধান ন'হব। সেয়েহে মই শিক্ষা বিভাগক টানি অনুৰোধ কৰিম, সমস্যা বহুত আছে। বহুত আলোচনা আমি কৰিছো। যাতে এই সমস্যাবিলাক তৎপৰতাৰে সমাধান কৰাৰ ক্ষেত্ৰত চৰকাৰে উদ্যোগ লয়, এইটো মই আবেদন জনাইছো। সময় মোৰ যথেষ্ট কম, কব লগা বহুত আছিল সময়, উপাধ্যক্ষ মহোদয়ক সন্মান জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।এতিয়া হেমাঙ্গ ঠাকুৰীয়া। আপোনালোকৰ ৯ গৰাকী ব্যক্তিয়ে মোক নাম দিছে, যদি আপোনালোকে ৫ মিনিট ৫ মিনিট কৈ কয়, সকলোৱে ক'বলৈ সুবিধা পাব।

**শ্ৰীহেমাংগ ঠাকুৰীয়া, (পলাশবাৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিৰোধীৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কথাখিনি কবলৈ ওলাইছো। উপৰোক্ত বক্তা সকলে কোৱাৰ দৰে যিহেতু শিক্ষাই এজন ব্যক্তিৰ জীৱনৰ মূল সম্পদ আৰু যাক আহৰণ কৰি ব্যক্তিজনে নিজক নিজে প্ৰতিস্থিত কৰিব পাৰে, আগবঢ়াই লৈ যাব পাৰে আৰু সেইটোৰ কাৰণে শিক্ষাই মানুহৰ জীৱনৰ প্ৰধান আহিলা। যিটো লৈ আমি নিজকে নিজে প্ৰতিষ্ঠা কৰিব পাৰো আৰু এই শিক্ষা ব্যৱস্থাটো ইতিমধ্যে সেই কথাটো আমাৰ চৰকাৰে উপলব্ধি কৰিব পাৰে সেইকাৰণে বিগত সময়ছোৱাত মই আগৰ চৰকাৰৰ পৰা কৈছো আমাৰ বিজেপি চৰকাৰৰ ২০১৬ চনৰ পৰা। বৰ্তমান দেখা যায যে শিক্ষা জগতত এটা অসমত বিশেষকৈ এটা নতুন পৰিৱৰ্তন আনি নিজে উপলব্ধি কৰিব পাৰিছো আৰু বিশেষকৈ দেখা যায় স্কুল লেভেলত কিছুমানে ল'ৰা-ছোৱালীয়ে টকাৰ শিক্ষাৰ পৰা তেওঁলোকে আতৰি থাকে। তেওঁলোকৰ নিজৰ ইউনিৰ্ফম নাথাকে, কিতাপ-পত্ৰ কিনিব নোৱাৰে তেনেকুৱা বহুত ধৰণৰ উদাহৰণ আমি নিজে practically পাইছো। মই যেতিয়া বিধায়ক হোৱা নাছিলো তেতিয়াও আমি practically পাইছো, যেতিয়া আমি ৰাজনৈতিক পথাৰ খনত আছিলো। তেতিয়া বহুতো ল'ৰা-ছোৱালী আমাৰ ঘৰলৈ আহিছিল। যেতিয়া তেওঁলোকৰ কিতাপ কিনিব লগা হয় বা ইউনিফৰ্ম কিনিব লগা হয় বেলেগক টকা খুজি তেওঁলোকে কিতাপ আৰু ইউনিফৰ্ম কিনিব লগা হয় তেনেকুৱা অৱস্থা আমি দেখিছো। বহুতো দৰিদ্ৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে ইউনিফৰ্ম কিনাৰ অভাৱত, টকাৰ অভাৱতো তেওঁলোকে শিক্ষা সামৰিব লগা হৈছে। আমাৰ যোৱা বছৰ চৰকাৰ অহাৰ পাছৰ পৰাই দেখা গ'ল যে এটা আমাৰ সেই উপলব্ধি আমাৰ চৰকাৰে কৰি ল'ৰা-ছোৱালীক ইউনিৰ্ফম দিয়াৰ ব্যৱস্থা কৰা হ'ল। বিনামূলীয়া কিতাপ দিয়াৰ ব্যৱস্থা কৰা হ'ল তেতিয়া দেখা গ'ল যে বৰ্তমান যিহেতু মই এজন জনপ্ৰতিনিধি পলাশবাৰী সমষ্টিৰে কথা কওঁ। যিহেতু মই নিজে বিভিন্ন স্কুলত ঘুৰো। এতিয়া দেখা গৈছে যে মই নিজৰ পলাশবাৰী সমষ্টিৰ কথা কৈছো। কিয়নো অন্য বেলেগে ক'ব যে বাকী বিলাকৰ কথা কেনেকৈ জানিলে। মোৰ সমষ্টিৰে কথা কৈছো। মই নিজে উপলব্ধি কৰিব পাৰো। মই যিখন স্কুলত নিজে পঢ়িছিলো। এতিয়া সেই স্কুলখনতে বৰ্তমান যথেষ্ট enrollment বাঢ়ি গৈছে। এটা সময়ত দেখা গৈছিল যে প্ৰায় বিলাক ল'ৰা-ছোৱালী প্ৰাইভেট স্কুললৈ তেওঁলোকে স্থানান্তৰ হৈছিল। দেখা গ'ল যেতিয়াৰ পৰা বিজেপি চৰকাৰ আহিল, তেতিয়াৰ পৰা দেখা গ'ল যে,

যিটো ব্যৱস্থা কৰিছে সেই আমাৰ enrolment যথেষ্টখিনি বাঢ়ি গৈছে আৰু ইয়াৰ লগে লগে মাননীয় মুখ্যমন্ত্ৰী মহোদয় যোৱাবছৰ তেখেত শিক্ষামন্ত্ৰীও আছিল। বৰ্তমানৰ শিক্ষামন্ত্ৰী মহোদয়ে যথেষ্ট তেওঁলোকে শিক্ষা ব্যৱস্থাক লৈ আগ্ৰহী আৰু সেইটোৰ কাৰণে যি তেওঁলোকে ব্যৱস্থা লৈছে, বৰ্তমান আমাৰ অসমত কেইবাখনো বিশ্ববিদ্যালয় ইতিমধ্যে প্ৰতিষ্ঠা কৰা হ'ল আৰু তাৰ ভিতৰত বীৰাংগনা সতী সাধিনী ৰাজ্যিক বিদ্যালয় সেইখন ইতিমধ্যে কলাক্ষেত্ৰত প্ৰতিষ্ঠা কৰা হ'ল আৰু ইয়াৰ লগে লগে বিভিন্ন খন ইঞ্জিনীয়াৰিং কলেজ নতুনকৈ স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। দেখা গৈছে যে, Assam Women University খনৰ এটা সময়ত বহুত বেয়া অৱস্থাত আছিল, যিটো নেকি আমাৰ চৰকাৰৰ পৃষ্ঠপোষকতাত সেই বিশ্ববিদ্যালয়খন আকৌ নতুনকৈ এটা নতুন গতিত আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে। আমাৰ যিটো নতুন শিক্ষানীতি ভাৰতবৰ্ষত adop কৰিব গৈ আছে, সেই শিক্ষানীতি মতে যিহেতু আমাৰ সৰু সৰু ল'ৰা-ছোৱালী বিলাকে অঙ্গনবাড়ী চেণ্টাৰত পঢ়াটো mendatory হৈছে আৰু সেই কথাটো উপলব্ধি কৰি আমাৰ চৰকাৰে ইতিমধ্যে ব্যৱস্থা হাতত লৈছে আৰু সেইটো এটা অত্যন্ত প্ৰশংসনীয় পদক্ষেপ। কিয়নো ইতিমধ্যে যোৱা বাজেটত ১ হাজাৰ অঙ্গনবাড়ী চেণ্টাৰ চৰকাৰখনে প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছে আৰু ইতিমধ্যে তাৰ কাম প্ৰত্যেকটো সমষ্টিত বৰ্তমান চলি আছে। মোৰ নিজৰ সমষ্টিত মডেল অঙ্গনবাড়ী চেণ্টাৰ ইতিমধ্যে প্ৰতিষ্ঠা কৰা হৈছে তাৰ কাম চলি আছে। ইয়াৰ লগে লগে দেখা যায় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে ৫ খন কলেজক যিহেতু আমাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বাঢ়িছে তেওঁলোকে উচ্চ শিক্ষা লবৰ কাৰণে আগ্ৰহী সেইটোৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ ৫ খন কলেজক ইতিমধ্যে বিশ্ববিদ্যালয়লৈ পৰ্য্যাবেশিত কৰাৰ ব্যৱস্থা কৰাটো মই গম পাওঁ আৰু সেই কাৰণে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ ভিতৰত জে. বি ল' কলেজ, হেন্দিক কলেজ, কটন কলেজ, শিৱসাগৰ কলেজ, লক্ষীমপুৰ কলেজ। এই কলেজ বিলাকক বিশ্ববিদ্যালয়লৈ পৰ্য্যাবেশিত কৰিলে নিশ্চয় ল'ৰা-ছোৱালী যথেষ্ট উপকৃত হ'ব। ইয়াৰ লগে লগে দেখিছো যে, ইতিমধ্যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি গৈছে। সেইটো উপলব্ধি কৰি আমাৰ চৰকাৰে বিগত সময়ছোৱাত যি হাইস্কুল বিলাকক যি হাইয়াৰ চেকেণ্ডাৰীলৈ পৰ্য্যাঘোষিত কৰিলে, সেইটোৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। অনাগত দিনবিলাকত নিশ্চয় মোৰ বিশ্বাস আছে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত আমাৰ অসমৰ শিক্ষাব্যৱস্থাৰ এটা নতুন গতিত আগবাঢ়ি যাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মণ আপোনাক দলে ১০ মিনিট সময় দিছে। সেই সময়ৰ ভিতৰত শেষ কৰিব বুলি ভাবিছো।

**শ্ৰী দিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী) ঃ** মই প্ৰথমে আজি শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে দুআষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। যোৱা পৰহি বাজেট অধিবেশনৰ আৰম্ভণিতে অসমৰ সন্মানীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ ভাষণত শিক্ষা বিভাগৰ ক্ষেত্ৰত জ্ঞানৰ আলোকৰ প্ৰসাৰ এই কথাটো কৈছে তেখেতে আৰু ইয়াতে তেখেতে এটা কথা কৈছে যে, বিশ্ববিদ্যালয়, বিদ্যালয় সমূহৰ আন্তঃগাঁথনি পূৰ্ণপৰ্য্যায়লৈ অনা হ'ব, আধুনিকীকৰণ কৰা হ'ব আৰু অভিযান্ত্ৰিক নিযুক্তি বোৰ্ডৰ দৰে শিক্ষা বিভাগকো নিযুক্তি বোৰ্ড গঠন কৰি নিযুক্তি প্ৰক্ৰিয়া খৰতকীয়া কৰিব। মই আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো ২০২৩ চনৰ যি শিক্ষানীতি আহিলে, আৰু এই সম্পৰ্কে আমাৰ শিক্ষামন্ত্ৰী মহোদয়েও সদনত ইতিমধ্যে বহুবাৰ এইবিলাক কথা কৈছে কিন্তু আজি দুদিনমান ধৰি আমি বাতৰি কাকতত বিভিন্ন লিখনি পঢ়ি আছো। যোৱা

কালিও নিয়মীয়া বাৰ্তাত নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক অৱসৰপ্ৰাপ্ত গিৰিশ দত্ত বৰুৱাদেৱেও যে নতুন শিক্ষানীতি সম্ভাৱনা আশংকা, কোনোবাই লিখিছে নতুন শিক্ষানীতি ফলপ্ৰসু হবনে নাই। এইবিলাক কথাৰ দ্বাৰা মানুহৰ মাজত এটা চিন্তাৰ আসোৱাহ দেখা পাইছো। বিশেষকৈ আমি দেখিছো যে, আগৰ যিটো শিক্ষানীতি আছিল ১০, এতিয়া ১৫ কৰিলে। তাৰমানে ৫ টা শ্ৰেণী বাঢ়িব। ৫ টা শ্ৰেণী বাঢ়ি যোৱাৰ লগে লগে আন্তঃগাঁথনিৰ কথাখিনি আহিব। এইক্ষেত্ৰত মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে এই কথাটো গুৰুত্ব দিব লাগে আৰু মই ভাৱো এইক্ষেত্ৰত এই লিখনিবিলাক আমি দেখি থাকিলে বেছিভাগ দেখো এতিয়াৰ পিকচাৰ, প্ৰফেচাৰ বা শিক্ষাৰ লগত জড়িত মানুহে লিখে। মই এইক্ষেত্ৰত ক'ব বিচাৰিছো যে, নতুন শিক্ষানীতি প্ৰয়োগৰ আগতেই সেই সকলৰ একোজন প্ৰতিনিধিক যদি আমি এখন কমিটি গঠন কৰি তাত অন্তৰ্ভূক্ত কৰি তেওঁলোকৰ মতামত ল'ব পাৰো, তেতিয়া নিশিচতভাৱে শিক্ষানীতি প্ৰয়োগত আমাৰ সুবিধা হ'ব। তাৰোপৰি শিক্ষামন্ত্ৰী মহোদয়, মই আপোনাক কিছুকথাত ধন্যবাদো দিছো যে, মোৰ বৰক্ষেত্ৰী সমষ্টিত দুখন স্কুল হাইচেকেণ্ডাৰী কৰিছে, কিন্তু আমি আশা কৰিছিলো মই ১০ খন হাইয়াৰ চেকেণ্ডাৰীৰ লিষ্ট দিছিলো বাকীকেইখন নহ'ল আৰু আপুনি যেতিয়া লিষ্ট বিচাৰিছিল, তেতিয়া আমি খুব স-গৌৰৱেৰে কৈছিল যে ইয়াত আপোনালোকৰ হাইয়াৰ চেকেণ্ডাৰী বিলাক উন্নীত হৈ যাব। কিন্তু যেতিয়া নহ'ল আমাক ৰাইজে দোষিব ধৰিলে যে আপুনি কৰি দিব নোৱাৰিলে। এইক্ষেত্ৰত মই ভাৱো নতুন শিক্ষানীতি অহাৰ আগতে এই কামখিনি অতি সোনকালে কৰি দিব লাগে। এইক্ষেত্ৰত মই আগতে দুটামান কথা ক'ব বিচাৰিছো মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ১ লাখ চাকৰি দিম বুলি কৈছে গনি গনি। আমি ভাল পাইছো ১ লাখ চাকৰি পালে আনন্দিত হ'ম আমাৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাব। কিন্তু দুখৰ বিষয় শিক্ষা বিভাগৰ ক্ষেত্ৰত মই এটা কথা নকলে নহ'ব

.মোৰ পিতৃও শিক্ষামন্ত্ৰী আছিল। সকলো পিছতে মুখ্যমন্ত্ৰীৰ পিছতেই আটাইতকৈ ব্যস্ত মন্ত্ৰী হৈছে শিক্ষামন্ত্ৰী। যদিও সকলো মন্ত্ৰী ব্যস্ত থাকে কিন্তু শিক্ষামন্ত্ৰী জনৰ সমস্যা বহুত, সম্থা বহুত। অনবৰতে মানুহ আহি থাকে। মই এই কথাটো নিজেও উপলব্ধি কৰো। যেতিয়া আমি বাতৰি কাকতত পঢ়িবলৈ পাওঁ "১৮ বছৰে কাম কৰি অহা, ন্যায়ৰ পৰা বঞ্চিত হোৱা ১৩৪১ জন শিক্ষা গুৰুৰ কম্পিউটাৰ শিক্ষকে আত্মজাহ দিব।" তেতিয়া আমাৰ মনটোত দুখ লাগে। এই যিসকল কম্পিউটাৰ শিক্ষক, ১৮ বছৰে কাম কৰি আছিল, তেওঁলোকৰ চাকৰি ৰেগুলাইজ নহ'ল। ঠিক তেনেকৈ সদৌ অসম প্ৰাথমিক টেট শিক্ষক সমাজেও মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াক এখন মেম'ৰেণ্ডাম দিছে। আমি পাইছো। যিখিনি ঠিকাভিত্তিক শিক্ষক আছে, তেওঁলোকৰ চাকৰিবিলাক নিয়মীয়কৰণৰ ব্যৱস্থা কৰক। ২০১৩ চনত প্ৰাদেশীকিকৰণ হোৱা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বাদ পৰি যোৱা তৃতীয় শ্ৰেণীৰ শিক্ষক সকলৰ পদ প্ৰাদেশীকিকৰণ কৰিব লাগে। ২০১৭ চনত প্ৰাদেশীকিকৰণ কৰাৰ পিছত ৬,৬৭ শিক্ষক বাদ পৰি গৈছে। সেইসকলকো দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিসকল শিক্ষক বাদ পৰি গৈছে আমি এটা কথা মানিব লাগিব যে এই সকল শিক্ষকে বিনা বেতনে আমাৰ ল'ৰা-ছোৱালীক শিক্ষাৰ পোহৰ দিছে, আজি আমি ভেঞ্চাৰ স্কুল খোলা বন্ধ কৰিছো। কিন্তু এটা কথা আমি মানিব লাগিব যে যিসকল শিক্ষকে ভেঞ্চাৰ স্কুল খুলি শিক্ষাৰ্থীক জ্ঞানৰ পোহৰ দিছিল, তাৰে কিছুমান ডাক্তৰ, ইঞ্জিনিয়াৰ, অফিচাৰ আদি হৈছে। এইসকল শিক্ষকৰ প্ৰতিও আমি মানৱীয়তা দেখুৱাব লাগিব। গতিকে মই মন্ত্ৰী মহোদয়ক আহ্বান জনাম যে যি এক লাখ নিযুক্তি দিয়া হ'ব, সেই এক লাখ নিযুক্তৰ লগত এই টেট শিক্ষকসকলৰ সমস্যা, কম্পিউটাৰ শিক্ষকসকলৰ সমস্যা, জ্যোতি কেন্দ্ৰ শিক্ষকসকলৰ সমস্যাও অন্তৰ্ভুক্ত কৰিব লাগে। আমাৰ নলবাৰী জিলা মাননীয় মন্ত্ৰী

চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া আছেই আৰু আমাৰ নলবাৰী জিলাৰ আটাইতকৈ বেছি অ' বি বি শিক্ষক ৰৈ গৈছে। কিছুমান শিক্ষকৰ বয়স পাৰ হৈছে। তেওঁলোকক নিযুক্তি দিব পৰা নাযাব। কিন্তু যিসকলৰ বয়স আছে, তেওঁলোকৰ সমস্যাখিনি দূৰ কৰিব লাগে। প্ৰাদেশীকৃত কৰিব ৰৈ যোৱা ৮৮ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫৫ জনমান শিক্ষক আছে। তেওঁলোককো লগত অনাক আৰু এই আটাইখিনি একেলগে এই এক লাখ নিযুক্তিৰ লগত দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া ৰাইজে আপোনালোকক ভাল পাব আৰু আমিও বিৰোধী দলেও আপোনালোকক ইয়াত সমৰ্থন কৰিম। এইক্ষেত্ৰত মই উচ্চ শিক্ষা বিভাগৰ এটা কথা ক'ব বিচাৰিছো। ২০১৮ চনৰ যি ইউ জি চি ৰ যি গাইড লাইন আছিল, সেই গাইড লাইন মতে যিখিনি শিক্ষকে চাকৰি কাৰিব, সেই গাইড লাইনৰ লগত ডি এইচ চি এ যিখন গাইড লাইন ২০২২ চনত উলিয়াইছে তাৰ লগত অলপো মিল নাই। মই এটা ডিমাণ্ড আপোনালোকক দিব বিচাৰিছো যে সেইখিনি শিক্ষকৰ যাৰ উৰ্দ্ধতম বয়সৰ সীমাৰ গাইডলাইন কৰা আছেসেইটো আপোনালোকে অলপমান সকাহ কৰি দিব লাগে আৰু ইউ জি চি গাইড লাইন মতে আপোনালোকে সহকাৰী অধ্যাপকক নিযুক্তি দিব লাগে। মোৰ সমষ্ঠিত তিনিখন কলেজ আছে, তাৰে বৰক্ষেত্ৰী কলেজ, বৰভাগ কলেজ কেতিয়াবাই প্ৰাদেশীকিকৰণ হৈ গৈছে আৰু এখন মোৰ কলেজ আছে, শ্বহীদ সোঁৰৰণী কলেজ বামুনবাৰী। এই কলেজখন য'ত অৱস্থিত তাৰ পৰা মুকালমোৱালৈ দূৰত্ব প্ৰায় ১০ কিলোমিটাৰ। মই মাননীয় মন্ত্ৰী মহোদয়ক এই সদনৰ জৰিয়তে আহ্বান জনাইছো যে এইবাৰ বাজেট অধিৱেশনত যাতে এই শ্বহীদ সোঁৰৰণী কলেজ বামুনবাৰী প্ৰাদেশীকৃত কৰি দিয়ে। আমাৰ বিধায়ক সকলৰ মূল সমস্যা হৈছে স্কুল সমূহত আমাক মাতে আৰু স্কুল মেনেজমেণ্ট কমিটিৰ সভাপতিৰ বিৰুদ্ধে আমাক অভিযোগ কৰে আৰু আমি সেইবোৰ সমাধান কৰি থাকোতেই যায়। মই মাননীয় শিক্ষামন্ত্ৰীক আহ্বান জনাইছো যে কমন স্কুল মেনেজমেণ্ট কমিটি সমূহ কৰাৰ আগতে গাৰ্জেন মিনিষ্টাৰৰ চহী ল'ব লাগে বুলি যদিও কৈছে এই ক্ষেত্ৰত স্থানীয় বিধায়ক সকলকো যাতে গুৰুত্ব দিয়ে। স্কুল এখনত যদি কিবা বেয়া কাম হয় প্ৰথমে কিন্তু বিধায়ক সকলকে টাৰ্গেট কৰা হয়, তেওঁলোক যি দলৰে নহওঁক। সেয়েহে মই অনুৰোধ কৰিছো এচ এম ডি চিৰ সভাপতি, উপসভাপতি নিৰ্বাচন কৰোতে আমাৰ বিধায়ক সকলক যাতে বিশ্বাসত লয়। মাননীয় শিক্ষামন্ত্ৰী মহোদয়, আপোনালোকে নতুন শিক্ষা নীতি গ্ৰহণ কৰিছে বা কৰিবলৈ ওলাইছে। আমি ভাল পাইছো। কিন্তু তাৰ আগতে স্কুলসমূহৰ আন্তঃগাঁথনি অলপ ভাল কৰিব লাগে। মই অলপতে মোৰ সমষ্টি মিলন হাইস্কুল আৰিকুছিত গৈছিলো। আজিকালি চৰকাৰী স্কুলত ল'ৰা-ছোৱালী নোযোৱাৰ বহুত কাৰণ আছে। বৰ্তমান আমাৰ ল'ৰা-ছোৱালীয়ে ভাল যোতা, ভাল কাপোৰ পিন্ধি যাব বিচাৰে। গতিকে মই এটা কথা ক'ব বিচাৰো যে আগন্তুক দিনত যেতিয়া আপোনালোকে স্কুলসমূহৰ আন্তঃগাঁথনি বনাব তাৰ বাবে এটা মডেল, মাষ্টাৰ প্লান থাকিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, আৰ এম এচ ৰ পৰা দহ লাখ টকা পালেও আমি এখন স্কুল বনাই দিম। 15th Finance ৰ পৰা টকা পালেও প্ৰেছিডেণ্টে চালি দি এটা ৰুম বনাই দিয়ে। যাৰ ফলত স্কুলৰ গেট আপ টো নোহোৱা হৈ যায়। সেয়েহে সকলো স্কুলৰ বাবে এটা মডেল বনাব লাগে যাতে স্কুলখন দেখনিয়াৰ হয় আৰু সুন্দৰ হয়। মই এইখিনিকে কৈ মোৰ ভাষণ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য মজিবুৰ ৰহমান ডাঙৰীয়াই কওঁক। আপোনাক সাত মিনিট সময় দিয়া হৈছে।

**Mazibur Rahman, Dalgaon** :Hon'ble Deputy Speaker Sir, thank you for giving me the opportunity to say few lines on cut motion. I would like

to draw the attention of Hon'ble Education Minister by saying few lines on education. It is very pathetic to mention that the students are going to forget their classes in which class they study as they are not able to go to school since two years due to COVID -19. The students have lost a huge in their life which will never ever recover in near future. Though the classes have started but there is not adequate teacher to teach them .According to Right to Education Act 2009, the ratio of the students and teacher should be 30:1, but there are many schools in Assam where the ratio is 100:1.

Hon'ble Deputy Speaker sir, to minimise the ratio of student, teacher I would like to request the concerned Minister to look into the matter seriously and appoint new teachers in the School for the bright future of the students. Hon'ble Speaker Sir, there are large number of youth who have passed TET Examination but till now they have not been appointed. So, I would like to request concerned Minister to looking to the matter seriously and take immediate step to appoint them in the vacant post of various Schools.

There are many schools in Assam, which do not have proper infrastructure for development, there is no proper drinking water facility, no urinal, no toilet facilities, no science laboratory, no library etc. So, I would like to take appropriate measures by providing the basic needs. Hon'ble Deputy Speaker Sir, I am very much regret to mention that there is not a single Arts or Commerce college in my Dalgaon Constituency as a result this year more than 3000 students did not get the opportunity to take admission graduate level. Now these 3000 students will be college less, helpless, their precious life is going to be ruined, as they cannot go for higher education due to lack of financial trouble. So, I would like to request Hon'ble Education Minister to establish at least one Arts and Commerce college in my constituency. Thank you.

**শ্ৰী তেৰছ গোৱালা (ডুলিয়াজান) ঃ** এই আলোচনাবিলাক মই ভাৱো বন্ধৰ দিনত বা ছুটীৰ দিনত হ'ব লাগে। ৰান্ধনিঘৰ সমূহৰ অৱস্থাও একেবাৰে শোচনীয়। অধ্যক্ষ মহোদয়, চাহ বাগিছাৰ ৩৯৯ খন বিদ্যালয় আজিলৈ প্ৰদেশীকৰণ হোৱা নাই সেইটো হয়। কিন্তু মই ভাৱো তাৰ কাৰণ হৈছে এই শিক্ষক সকলক আমি আজিলৈ D.El.Ed প্ৰশিক্ষণ দিব পৰা নাই। নিষ্ঠাৰ যি প্ৰশিক্ষণ সেয়া আমি দিব পৰা নাই। যাৰবাবে তেওঁলোকে basic training ৰ পৰা বঞ্চিত হৈছে আৰু তাৰকাৰণে তেওঁলোকে ভাল শিক্ষা দিব পৰা নাই। তেওঁলোকে ২০৫ টকা হাজিৰাত বিদ্যালয় সমূহত দৈনিক

মজুৰি কৰি আছে। তেওঁলোকক কেতিয়াবা ফেক্টৰীলৈ পঠিয়ায়, কেতিয়াবা স্কুললৈ পঠিয়ায়। মই ভাৱো শিক্ষা বিভাগে এইটো দায়িত্ব ল'ব লাগে আৰু চাহ বাগিচাৰ বিদ্যালয় সমূহক আমি অধিক সক্রিয় কৰিবৰ কাৰণে তাৰকাৰণে অতি সোনকালে এই সমূহ provincialized কৰিব লাগে। Provincialization ৰ কথা কোৱাৰ লগে লগে আকৌ ২০১৭ চনৰ আইনটো আহি যায়। মই ভাৱো যে বাগিছা শ্রম আইনৰ আধাৰতে যিহেতু এই বিদ্যালয় সমূহ আছে গতিকে বিবেচনা কৰি এই বিদ্যালয়সমূহ যাতে provincialized কৰে তাৰকাৰণে মই অনুৰোধ জনালো।

**माননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ভাস্কৰজ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা,(তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰাখিবলৈ ওলাইছো। প্ৰথম কথা হ'ল আমাৰ যি Education System আছে, এই system টোত যদি এটা flexible education curriculum থাকে তেতিয়াহ'লে সেই curriculum টো it should be more relevant with present industry.ইয়াৰ লগতে আমাৰ যি নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰিবলৈ গৈ আছে It should be based on applied learning rather than just passing out the exam. এইটো যদি হয় মই ভাৱো বহু ক্ষেত্ৰত উপকৃত হ'ব। ইয়াৰ লগতে দেখা গৈছে যে আমাৰ শৈক্ষিক প্ৰশাসন নাই। যেতিয়া আমি কোনো এজন হেড মাষ্টাৰৰ appointment দিওঁ বা শিক্ষক appointment দিওঁ তাৰ আগতে তেওঁলোকক ভাৰতীয় প্ৰশাসনিক সেৱা বা অসমৰ administrative service ৰ দৰে যদি proper training ৰ ব্যৱস্থা কৰা হয় তেতিয়া বেছি ভাল হ'ব। এইটো অতি জৰুৰী। কাৰণ এজন ভাল qualified মানুহ হ'লেই তেখেত এজন ভাল শিক্ষক নহ'বও পাৰে। গতিকে শৈক্ষিক প্ৰশাসনটো যদি নতুন শিক্ষানীতিত চৰকাৰে লয় তেতিয়া খুব ভাল হ'ব।

দ্বিতীয়তে, আমাৰ এই শৈক্ষিক প্ৰশাসনৰ লগত জৰিত কথা হৈছে যে আমাক leader লাগে, boss নালাগে। এখন স্কুল ভালকৈ চলাবলৈ হ'লে এজন ভাল leader লাগিব। তেওঁৰ যদি indepth study থাকে, তেওঁ leader হ'ব পাৰিব। যদি তেওঁৰ indepth study নাথাকে তেওঁ leader হ'ব নোৱাৰে, তেওঁ boss হ'ব। গতিকে যেতিয়া এজন লোকক এখন স্কুলৰ হেড বনায় তেওঁক যদি proper training দি তালৈ পঠায় তেতিয়া খুব ভাল হ'ব।

তৃতীয়তে, আমাৰ যিটো নতুন system কৰিবলৈ গৈ আছে 5+3+3+4, ২০২৩ চনৰ পৰা যিটো নতুন শিক্ষা নীতি আমাৰ ইয়াত আহিব এই ক্ষেত্ৰত যোৱাৰ আগতে চৰকাৰে যদি আগতেই home work টো কৰি নলয়, তেতিয়া বহুত খেলিমেলিৰ সৃষ্টি হ'ব। এতিয়া যিটো chaos চলি আছে সেইবোৰ যাতে আমি নতুন শিক্ষানীতিত দেখিবলৈ নাপাওঁ তাৰকাৰণে যাতে চৰকাৰে আগতীয়াকৈ home work টো কৰি লয়।

চতুৰ্থতে, আমাৰ যিবিলাক প্ৰাইভেট স্কুল বা কৰ্পোৰেট স্কুল সমূহ well equiped. আমাৰ চৰকাৰী স্কুলসমূহো তেনেদৰে কিয় আমি well equiped কৰিব নোৱাৰো। তেওঁলোকৰ digital class room আছে কিন্তু আমাৰ চৰকাৰী বিদ্যালয় সমূহত digital class room নাই। যেতিয়া আমাৰ নতুন শিক্ষানীতি আৰম্ভ হ'ব মই আশা ৰাখিছো যে আমাৰ চৰকাৰে চৰকাৰী স্কুলসমূহতো digital class room বিলাক ভালদৰে বনাব। ইয়াৰ লগত আমি দেখিছো যে আমাৰ internet service fast নহয়। আমি যিবিলাক apps ব্যৱহাৰ কৰো বিভিন্ন সময়ত দেখা যায় সেইবিলাক ভালদৰে কাম নকৰে। যাৰফলত চৰকাৰৰ যিমানবিলাক

অভিলাষী আঁচনি আছে তাৰ ক্ষেত্ৰত যতি পৰিছে। আৰু এটা কথা কৈ মই শেষ কৰিব বিচাৰিছো, আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহেৰু ডাঙৰীয়াই এষাৰ কথা কৈছিলে যে আমাৰ বিদ্যালয় সমূহত যি ৰাষ্ট্ৰ নিৰ্মাণৰ মহাযজ্ঞ চলি আছে এই কথাটো তেখেতে তেতিয়াই কৈ গৈছিলে। মই আশা ৰাখিছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি অভিলাষী ইচ্ছা যে ভাৰতবৰ্ষৰ প্ৰথম ৫ খন ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্যখন এখন অন্যতম হ'ব, এইখিনি যদি কৰা যায় মই ভাৱো আমাৰ অসম নিশ্চিতভাৱে শিক্ষাৰ দিশত প্ৰথম ৫ খন ৰাজ্যৰ ভিতৰত এখন হ'ব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী আশ্ৰাফুল হুচেইন।

**শ্ৰী আশ্ৰাফুল হুচেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আজি শিক্ষা ক্ষেত্ৰখনত উন্নতভাৱে আৰু গুণগতভাৱে যদি আগবঢ়াই লৈ যাব নোৱাৰোতেনেহ'লে ৰাজ্যখন সামগ্ৰিকভাৱে আগুৱাই যোৱাত বিভিন্ন বাধাৰ সন্মুখীন হ'ব। সেই দৃষ্টিকোণৰ পৰা লক্ষ্য কৰি শিক্ষাৰ লগত জড়িত যিসমূহ সমস্যা সেইবিলাক প্ৰতিদিনে আমি দেখি আহিছো আৰু আলোচনা কৰি আহিছো। আজি সদনৰ মজিয়াত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। মই প্ৰথমে অসমৰ চৰকাৰ আৰু মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিম যে যোৱা ২০০৩ চনৰ পৰাই তেতিয়াই নিৰ্মাণ সম্পূৰ্ণ কৰি থোৱা বা অৰ্দ্ধ নিৰ্মাণ কৰি থোৱা মডেল স্কুল সমূহ খুলিবলৈ ইতিমধ্যে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু যিকোনো পৰিস্থিতিত এইবাৰ পাঠদান আৰম্ভ কৰিব । কিন্তু একেটা সময়তে মই ক'ব লাগিব যে এই মডেল স্কুল সমূহত যিসমূহ শিক্ষক শিক্ষয়িত্ৰীয়ে চাকৰি কৰে তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ নহয় কাৰণে তেওঁলোক তাত থাকিব নিবিচাৰে। চাকৰিৰ সুৰক্ষা নথকাৰ কাৰণে তাত শিক্ষক বিচাৰি পোৱা নাযায়। ইয়াৰউপৰিও তাত যি হাৰত শিক্ষক শিক্ষয়িত্ৰী বা অন্য staff থাকিব লাগে সেয়া কম থকা পৰিলক্ষিত হয়। এতিয়া যিহেতু আদৰ্শ বিদ্যালয় সংগঠন ৰাজ্যত গঢ় দিয়া হৈছে গতিকে মই আশা কৰিম যে এই বিদ্যালয় সমূহক সঁচা অৰ্থত আদৰ্শ বিদ্যালয়লৈ পৰ্য্যবেশিত কৰাৰ ক্ষেত্ৰত বিভাগে বলিষ্ঠ পদক্ষেপ ল'ব। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ senior secondary school আৰু college সমূহত কিছুমান বিষয়ত তিনিটা ক্ৰমিক বছৰৰ ভিতৰত যিসমূহ ছাত্ৰ-ছাত্ৰী থাকিব লাগিছিল সেই হাৰত ছাত্ৰ-ছাত্ৰী নথকাৰ কাৰণে সেই বিভাগটো একেবাৰে বন্ধ কৰি দিয়া হৈছে। যিহেতু আইনৰ দ্বাৰা এইটো কৰা হৈছিলে মই আশা কৰিম আইনৰ সংশোধন কৰি হ'লেও যাতে বিষয়টো যাতে senior secondary school আৰু college সমূহৰ পৰা একেবাৰে আতৰাই দিয়া নহয় তাৰকাৰণে শিক্ষা বিভাগে ব্যৱস্থা ল'ব। অন্যহাতে ১২০ জনতকৈ বেছি ছাত্ৰ-ছাত্ৰী কোনো এটা বিষয়ত থাকিলে সেই কলেজত চতুৰ্থ পদত কাম কৰা শিক্ষকৰ পদটো যদি প্ৰাদেশীকৰণ কৰে তেনেহ'লে সেই চতুৰ্থ পদত কাম কৰা quilified শিক্ষকে সংস্থাপনো পাব আৰু ছাত্ৰ-ছাত্ৰী সকলেও শিক্ষক শিক্ষয়িত্ৰীৰ পৰা যিটো care পাব লাগে সেয়া নিয়মীয়াকৈ পাব। দেখা গৈছে যে যিসকল শিক্ষ ক শিক্ষয়িত্ৰী কৰ্মৰত হৈ আছে তেওঁলোকক B.ed বাধ্যতামূলক কৰিছে। আমি দেখিছো যে এই B.ed college non provincilized হৈ আছে। ৰাজ্যত ইতিমধ্যে নতুন শিক্ষানীতি আৰম্ভ হ'বলৈ গৈ আছে। সম্ভৱত ডিগ্ৰী কলেজ সমূহতো B.ed ডিগ্ৰী introduce কৰিব আৰু সেয়া সোনকালে হ'ব লাগে। একেটা সময়তে যিসমূহ B.ed college ইতিমধ্যে আছে সেই সমূহো provincilized কৰি তাতো যদি graduation course introduce কৰি সেই কলেজ সমূহকো জীয়াই ৰাখিব পাৰে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষা বিভাগে নজৰ

ৰাখিব বুলি আশা ৰাখিছো। তেতিয়াৰ সৰ্বশিক্ষা আৰু এতিয়াৰ সমগ্ৰ শিক্ষাৰ অধীনত যিসকল শিক্ষামিত্ৰ আছিলে তেওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা কৰিছে যদিও চাকৰি নিয়মীয়া হোৱা নাই। অন্যহাতে, special TET পৰীক্ষাত প্ৰায় ১৪ হাজাৰ শিক্ষাকৰ্মী অৱতীৰ্ণ হৈছিল আৰু তাৰে মাত্ৰ ৪ শতাংশ শিক্ষাকৰ্মী পাচ কৰিছিল। তেওঁলোকৰ বয়সৰ উৰ্দ্ধসীমা যাওঁ যাওঁ অৱস্থা হৈছে। তেওঁলোকক যদি এতিয়া যিসকলে TET পৰীক্ষা পাচ কৰি আহিছে তেওঁলোকৰ লগত ফেৰ মাৰিব পৰাকৈ নিযুক্তি দিয়া হয়, তেওঁলোক বঞ্চিত হ'ব। গতিকে special TET পৰীক্ষাত পাচ কৰা সকলক specially treat কৰি কেনেকৈ নিযুক্তি দিব পাৰি এইক্ষেত্ৰতো মন্ত্ৰী মহোদয়ে বা চৰকাৰে বিবেচনা কৰিব বুলি আমি আশাবাদী। আমি ভাল পাইছো যে এইবাৰ চৰকাৰে নেডা আৰু নাবাৰ্ডৰ পৰা লোন লৈছে আৰু শিক্ষানুষ্ঠান সমূহক আগুৱাই লৈ যোৱাৰ কাৰণে যি সপোন বাস্তৱিকৰণৰ দিশে গৈ আছে তাৰ কাৰণেও আমি চৰকাৰক ধন্যবাদ দিম আৰু তাৰ নিৰ্মানৰ ক্ষেত্ৰত আমি আশা ৰাখিম যে সেই নিৰ্মানৰ ক্ষেত্ৰত আমি আশা ৰাখিম যে সেই নিৰ্মান কাৰ্য্য মডেল অংগণবাদীৰ দৰে নহওঁক। অতি ভাল কনষ্ট্ৰাকশ্যন হওক। যি প্ৰয়োজন সেই কামখিনিকে কৰা হওঁক । মহোদয় বহুতো বিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ পদ প্ৰাদেশীকৰণ হোৱা নাছিল । সেইসমূহ পদ এতিয়াও খালী হৈ আছে বা অবৈতনিক ভাবে তাত কাম কৰি আছে। সমগ্ৰ ৰাজ্যত এই সমস্যাটো আছে । আমি অৱগত যে এই বিষয়ত ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে যথেষ্ঠ গুৰুত্ব আৰোপ কৰিছে। বিভিন্ন স্তৰত যিখিনি তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত আবৈতনিকভাবে কাম কৰি আছে একেবাৰে প্ৰাইমেৰী ৰ পৰা লৈ কলেজলৈকে এই সমস্যাটো সমাধান হ'ব লাগে। আমাৰ ভেন্সাৰ স্কুল বা নন প্ৰভিন্সিয়েলাইজড স্কুল বা ইৰেগুলাৰ চাকৰি ইত্যাদি তেনেধৰনৰ যিখিনি সমস্যা আছে যদি ফাইনেন্সিয়েল বাৰ্ডেন নহয় তেনেহ'লে একেবাৰে শেষ কৰি দিয়া ভাল । অধ্যক্ষ মহোদয়, এটা বস্তু লক্ষ্য কৰিছো যে ৰাইট টু এডুকেশ্যন হওক বা আমাৰ আমাৰ বিভিন্ন স্তৰত এমালগেশ্যনৰ ক্ষেত্ৰত আমি এটা নীতি অৱলম্বন কৰো যে ১ কি.মি ভিতৰত প্ৰাথমিক বিদ্যালয় নাথাকিলে আমি তাত বিদ্যালয় পাতিম। ৩ কি.মি ভিতৰত উচ্চ প্ৰাথমিক নাথাকিলে তাত বিদ্যালয় পাতিম কিন্তু দেখা গৈছে যে, অসমৰ বিভিন্ন ঠাইত তেনেকুৱা বিদ্যালয় নথকা এলেকা বহুতো আছে। সেই অঞ্চলবোৰত জন বসতিও আছে কিন্তু তাত বিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেইবা বছৰৰ পিচত মই মাত্ৰ এটা ঘটনাহে দেখিছো যিটো নতুন ঘটনা । গতিকে মই আশা কৰিম যে মোৰ সমষ্টিতো তেনেধৰণৰ এলেকা আছে। সেই বিষয়ে মন্ত্ৰী মহোদয়ে চাব মোৰ আৰু দুটা- তিনিটামান পইন্ট আছে । ২০১৭ চনত প্ৰাদেশীকৰণ আইনখন সংশোধন কৰিব বুলি চৰকাৰে বিভিন্ন সময়ত কৈছিল কিন্তু আজিলৈকে হৈ নুঠিলে গতিকে এই সংশোধনী হ'লে যিবোৰ ভেন্সাৰ স্কুল বা ইছ্যু ডেটক লৈ যিমানখিনি সমস্যা থকা বিদ্যালয় আছে সেই বিদ্যালয়ৰ সমস্যাসমূহ দুৰ হ'ব। আৰু আগন্তুক দিনত এই বিষয় লৈ সদনত কথা পাতিবও নালাগিব। মই ভাবো যে যেতিয়া আমি গুনগত শিক্ষাৰ কথাহে পাতিব পাৰিম। সেই পৰ্য্যায়টো আহিব আৰু চৰকাৰ অগ্ৰসৰ হ'ব বুলি মই আশাবাদী । আজি আমি দেখিছো ৰাজ্যত ২০০, ৩০০, ৪০০ ছাত্ৰ- ছাত্ৰী থকা বিদ্যালয়ত শিক্ষক- শিক্ষয়ত্ৰী কম । পি টি আৰটো নিমিলে আৰু অনেক ঠাইত দেখা পাইছো যে ছাত্ৰ-ছাত্ৰী কম কিন্তু শিক্ষক- শিক্ষয়ত্ৰী বেছি আছে । গতিকে ৰেশ্যনেলাইজেশ্যনটো সম্ভৱত ৰিক্ৰুইটমেন্ট প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'লে কৰিব গতিকে এই ৰেশ্যনেলাইজেশ্যনটো সোনকালে কৰিলে আমাৰ শিক্ষাক্ষেত্ৰখন আগুৱাই যোৱাত বেছি সহজ হ'ব। আজি টিউটৰসকলক মহোদয় ১০-১২ হাজাৰ টকাকৈ মাননী দি আছে । তেওলোকো শিক্ষক । আজিৰ দিনত ১০-১২ হাজাৰ টকা বহু কম টকা। আজিৰ দিনত

বস্তুৰ যি আকালংঘী মূল্য বৃদ্ধি তেনে ক্ষেত্ৰত তেওলোকৰ চলাটো বহুতো অসুবিধা গতিকে এই বিষয়টো বিবেচনা কৰিব লাগে। ছাৰ , দেখা গৈছে যে টিউটৰ নিযুক্তিৰ ক্ষেত্ৰত ৫০ শতাংশ নম্বৰ কেৰিয়াৰত সদায় মেইনটেইন কৰিবলগীয়া হৈছে। অৰ্হতাসম্পন্ন বহুতো শিক্ষকে এই নম্বৰ এই অৰ্হতা সম্পন্ন কৰিছে। অপেন স্কুলৰ জৰিয়তে হওক অপেন ইউনিৰ্ভাচিটিয়ে হওঁক তেওঁলোকে এই ৫০ শতাংশ নম্বৰ পাবলৈ সক্ষম হৈছে। এতিয়া তেওলোকক ৰেগুলাৰ টিচাৰ হিচাপে ট্ৰিট কৰাৰ বাবে ব্যৱস্থা ল'ম বুলি চৰকাৰে কৈ আছে কিন্তু বহু সময়ধৰি লোৱা হোৱা নাই গতিকে আমি আশা কৰিম যে এইখিনি প্ৰশাসনিক সংশোধনীৰ জৰিয়তে যিসকল যোগ্য ব্যক্তি তেওলোকক ৰেগুলাৰ টিছাৰ হিচাপে গণ্য কৰা হওঁক। নতুনকৈ প্ৰাদেশীকৃত হোৱা আপাৰ প্ৰাইমেৰী স্কুল বিলাকত হেড মাষ্টাৰৰ পদটো প্ৰদেশীকৰণ নকৰাত প্ৰশাসনিক কাম কাজত বিভিন্ন ধৰণৰ অসুবিধা হোৱা পৰিলক্ষিত হৈছে। যিহেতু তেখেত বিদ্যালয় খনৰ মুৰব্বী গতিকে সেই ক্ষেত্ৰতো চৰকাৰ বিবেচনা কৰে যেন । এইসমস্যাটোৰ ক্ষেত্ৰত চৰকাৰ আগবাঢ়িলে নিশ্চিত বাবে আমাৰ উচ্চ প্ৰাথমিক শিক্ষা আগুৱাই যোৱাত যথেষ্ঠ সহায়ক হ'ব । মহোদয়, বহু বছৰ ধৰি ২৫-৩০ বছৰ ধৰি ভেঞ্চাৰ স্কুলত কাম কৰি তেখেতসকলে অৱসৰ গ্ৰহণ কৰিছে গতিকে এইবাৰ বাজেটত তেনেকুৱা শিক্ষকসকলক বিচাৰি উলিয়াই তেখেতসকলৰ চৰকাৰে যদি এককালীন সাহাৰ্য্য আগবঢ়ায় ভাল হ'ব । আমি আশা কৰিম যে গোটেই ৰাজ্যত যিমান ছাত্ৰ-ছাত্ৰী আছে তেনেকুৱা ভেঞ্চাৰ স্কুলত পঢ়িছে আৰু যিমান শিক্ষকে তেনেকুৱা স্কুলত কাম কৰি আছে তেওলোকে অন্তত হিয়া উজাৰি প্ৰাৰ্থনা কৰিব, দোৱা কৰিব এইখন চৰকাৰৰ বাবে । গতিকে তেওলোকৰ কাৰণে কিবা এটা ফাইনেন্সিয়েল এচিচটেন্সৰ ব্যৱস্থা চৰকাৰে যাতে বিবেচনা কৰে। মহোদয় বহুতো বিদ্যালয় এমালগেমেশ্যনৰ ক্ষেত্ৰত প্ৰপাৰ ইনভেষ্টিগেশ্যন আৰু ষ্টাডি কৰা হোৱা নাই । এমালগেমেশ্যনৰ ক্ষেত্ৰত প্ৰপাৰ ইনভেষ্টিগেশ্যন আৰু ষ্টাডি নোহোৱাকৈ বেচ স্কুল ৰ লগত তেওলোকক সংযোগ কৰিছে ঠিকে কিন্তু বেচ স্কুল বহুত দূৰত থকা বাবে টিউটৰসকল বিশেষ অসুবিধাৰ সন্মুখীন হৈছে শেহতীয়াকৈ স্কুল সমূহ প্ৰদেশীকিকৰণ কৰি টিউটৰৰ পদসমূহ লোৱা হ'ল কিন্তু বেচ স্কুল দূৰত থকা বাবে অসুবিধাৰ সন্মুখীন হৈছে । ভেঞ্চাৰ স্কুলবিলাক তেনে ঠাইতে স্থাপন কৰা হৈছিল য'ত কোনো বিদ্যালয় নাছিলে । গতিকে বেচ স্কুলৰ ক্ষেত্ৰতো নতুনভাবে বিষয়টো বিভাগে বিবেচনা কৰিব লাগে। গতিকে এই বিষয়টো চৰকাৰক অৱগত কৰিছো । বাঘবৰ সমষ্টিৰ মন্দিয়া শিক্ষা খণ্ডত ইউনিফৰ্মৰ নামত বৃহৎ কেলেংকাৰী সংঘটিত হৈছে। চেঙা শিক্ষা খণ্ডতো এনেধৰনৰ কেলেংকাৰী হোৱা পৰিলক্ষিত হৈছে গতিকে আশা কৰিম যে এই ইউনিফৰ্মৰ কেলেংকাৰীটো বন্ধ হ'ব লাগে । ছাত্ৰ- ছাত্ৰীযে পাব লগা ইউনিফৰ্মবিলাক যাতে সময়মতে পায়। এই ক্ষেত্ৰত যদি কোনোৱাই দুৰ্নীতি কৰি ছাত্ৰ-ছাত্ৰীৰ পৰা কমিশ্যনৰ বাবে ১০০ টকাও লয় তেন্তে এই বিষয়ত গুৰুত্ব সহকাৰে তদন্ত হ'ব লাগে। আৰু এটা কথা মহোদয়, ব্লক সমূহত যিখিনি একাউটেন্টে চাকৰি কৰি আছে তেওলোকে টেম্পৰাৰী যে হওক বা যিধৰনৰ চাকৰি হওঁক তেওঁলোকক ৰদ বদল কৰিব লাগে। একাউন্টটেন্টসকলে যিটো ৰাজ্যত নেস্কাচ বনাই ৰাখিছে এইটো থাকিলে শিক্ষা বিভাগটো ডুবি যাব । গতিকে মহোদয়, তাৰ এটা তদন্ত হ'ব লাগে । বেচিক ট্ৰেইনিঙ চেন্টাৰ সমূহ আৰু ডি টি এম ৰ কথা ক'ব লগা আছে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ... হ'ব আৰু কিবা থাকিলে আপুনি লিখিতভাবে দিব ।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** ঠিক আছে, অধ্যক্ষ মহোদয় মই শেষ কৰিছো। **মই** এই বিষয়টো চাবলৈও চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো । ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া ডঃ অমিও কুমাৰ ভূএগ্রা ।

**ডঃ অমিও কুমাৰ ভূএগ্রা, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয় , মই কৰ্তৃণ প্ৰস্তাৱৰ বিৰোধীতা কৰি শিক্ষাৰ দিশত দুটামান দৃষ্টিভঙ্গী আগবঢ়াব বিচাৰিছো। এতিয়া ২১ শতিকা, অৰ্থ্যাৎ তথ্য - প্ৰযুক্তি আৰু বিজ্ঞানৰ যুগ । তাৰ লগত খাপ খুৱাই সমগ্ৰ দেশৰে শিক্ষা খণ্ডটো ২০২০ চনত নতুন শিক্ষা নীতিৰে এটা আমোল পৰিৱৰ্ত্তন কৰি দেশখনক নলেজ ডেষ্টিনেশ্যন হিচাপে গঢ়িবলৈ আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যে যিটো উদ্যোগ লৈছে , সেই উদ্যোগক আমি আদৰণি জনাইছো । তাৰ বাবে তেখেতলৈ মই আন্তৰিক ধন্যবাদ জনাইছো। একেলগে আমাৰ ৰাজ্য খনেও এই নতুন শিক্ষানীতিক এই বৰ্ষৰ পৰাই আৰম্ভ কৰাৰ বাবে সিদ্ধান্ত লৈছে। এই বৰ্ষৰ পৰা ২০২৩ চনৰ ভিতৰত ১০০ শতাংশ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে আমাৰ শিক্ষা খণ্ডটো পৰিচালনা কৰাটো বিচৰা হৈছে। যাৰ জৰিয়তে নতুন নতুন শিক্ষানুষ্ঠান গঢ়া , শিক্ষাৰ আন্তগাঁথনি বঢ়োৱা , শ্ৰেণী কোঠাৰ লগতে ডিজিটেল ক্লাছ ৰূম কৰা আৰু হাজাৰ খনতকৈও উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰাকে ধৰি ভালেখিনি ঐতিহাসিক পদক্ষেপ লৈছে আৰু তাৰ বাবে ৰাজ্য জন দৰদী মাননীয় ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আৰু মাননীয় শিক্ষা মন্ত্ৰী ডঃ ৰণোজ পেগু ডাঙৰীয়াক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মই দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে কেইটামান বিষয় লৈ ৰাজ্যখনৰ শিক্ষক সমাজৰ মাজত ক্ষোভৰ দৃষ্টি হৈছে । তেওঁলোকে ন্যায়ৰ পৰা বঞ্চিত হৈছে বুলি বিভিন্ন মহলে এই বিষয়ে কৈ আছে। গতিকে এই বিষযটো বিবেচনা কৰি এটা স্থায়ী সমাধান কৰাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰীক আহ্বান জনাইছো যে ভাইচ কোড, ইছ্যু ডেট , এনৰোলমেন্ট, এডুকেশ্যন আইন, ২০১৭ এমেণ্ডমেণ্ড, চাবজেক্ট পাৰ্মিশ্যন, পোষ্ট প্ৰভিন্সিয়েলাইজেশ্যন আৰু স্কুল প্ৰভিন্সিয়েলাইজেশ্যন এই বিষয় কেইটাক যাতে প্ৰায়োৰিটি দিয়ে । মই মোৰ বিহপুৰীয়া সমষ্টিত থকা একমাত্ৰ ৰাজগঢ় মহাবিদ্যালয় খনক প্ৰভিন্সিয়েলাইজেশ্যনৰ আওতাত আনিবলৈ বিনম্ৰ অনুৰোধ জনাইছো । অসম অৰুনাচল সীমান্তত মোৰ তিনিখন পঞ্চায়ত আছে ভোলাবৰী পঞ্চায়ত, ৰাজগড় পঞ্চায়ত আৰু শিমলুগুৰি পঞ্চায়ত। আমাৰ যিধৰনে প্ৰাথমিক বিদ্যালয় বা মজলীয়া বিদ্যালয় তাত থাকিব লাগে তেনেধৰনে তাত বিদ্যালয় নাই? তাৰ বাবে মই আহ্বান ৰাখিছোঁ, যাৰ জৰিয়তে আমাৰ নৈ পৰীয়া বিশেষকৈ শুৱনি আৰু ব্ৰহ্মপুত্ৰ নৈ পৰীয়া চাপৰিত যিবিলাক জনজাতীয় মিচিং ৰাইজ আছে সেই অঞ্চলতো খুব সেৰেঙা শিক্ষানুস্থান আছে। তাত গাওঁ অনুপাতে, ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষানুস্থান নাই। গতিকে সেইবিলাক অনুস্থান জৰীপ কৰি সেইবিলাক অঞ্চলত যাতে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে শিক্ষানুস্থানৰ পৰা শিক্ষা গ্ৰহণ কৰা সুযোগ আৰু সুবিধা পাই, এইখিনি ক্ষেত্ৰতটো গুৰুত্ব দিবৰ কাৰণে আমি আহ্বান ৰাখিছোঁ। ৰাজ্যখনৰ একেলগতে বিজ্ঞান শিক্ষা আৰু বাণিজ্য শিক্ষা প্ৰসাৰ কৰিবৰ কাৰণে ইয়াত চৰকাৰ খনে গুৰুত্ব দিয়া আৱশ্যকতা আছে। আজি বিজ্ঞান শিক্ষাত আমাৰ ৰাজ্যখন পিছপৰি আছে। বিশেষকৈ সমষ্টিভিত্তিক যদি পৰ্য্যালোচনা কৰোঁ দুখন এখন শিক্ষানুস্থানত বিজ্ঞান শিক্ষাৰ বাদে অন্য দ্বিতীয় বা তৃতীয় বিজ্ঞান শিক্ষানুস্থান নাই। গতিকে আমাৰ সমষ্টিত শংকৰদেৱ মহাবিদ্যালয়ত হাইচেকেণ্ডাৰী আঁচনিত বিজ্ঞান শিক্ষা প্ৰৱৰ্তন কৰা হ'ব বুলি যোৱাবাৰ কোৱা হৈছিল, সেইটো এতিয়ালৈকে কাৰ্য্যকৰী কৰা হোৱা নাই। সেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজে বাৰে বাৰে আমাক এই বিষয়টো দৃষ্টিগোচৰ কৰে। মই ভাৱো যে এই বৰ্ষৰ পৰা ঘোষিত সেই মহাবিদ্যালয় সমূহত বিজ্ঞান শাখাটো প্ৰৱৰ্তন কৰি ছাত্ৰ-ছাত্ৰীৰ কাৰণে মুকলি দিয়াৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে, তাৰ বাবে অনুৰোধ ৰাখিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আৰু এক মিনিট ক'ব।

**শ্ৰীঅমিয় কুমাৰ ভূঞা (বিহপুৰীয়া) ঃ** একে লগতে যি সকলে টেটৰ জৰিয়তে শিক্ষক হ'ব বিচাৰে, যি বিএড আৰু ডি এল এড যিটো ৰাখিছোঁ, সেই ব্যৱস্থাটো মই ভাৰো আমাৰ ৰাজ্যখনৰ পৰ্য্যাপ্ত পৰিমাণৰ বি এড শিক্ষানুস্থানে নাই। ডি এল এড ক'ত পঢ়ি আহে নাজানে, ইয়াত শিক্ষানুস্থানে নাই। যিবিলাক তেওঁলোকক বাধ্যতামূলক কৰি ৰাখিছে। যেতিয়ালৈকে ৰাজ্যখনত তেনেকুৰা পৰ্য্যাপ্ত বি এড বা ডি এল এড পঢ়াব পৰা শিক্ষানুস্থান গঢ়ি নুঠে তেতিয়ালৈকে যাতে সেইখিনি বাধ্যতামূলক নকৰে। বি এড বা ডি এল এড শিক্ষা নথকাও উপযুক্ত মেধা আমাৰ স্নাতক পাছ কৰা তেনেকুৰা ছাত্ৰ-ছাত্ৰী আছে। তেওঁলোকেও যাতে শিক্ষক হোৱাৰ সুযোগ পাই, সেই বাত যাতে মুকলি কৰি দিয়ে এই ক্ষেত্ৰত বিশেষ ভাৱে গুৰুত্ব দিবৰ কাৰণে অনুৰোধ ৰাখিছোঁ। আমাৰ সমষ্টিত মাধৱদেৱ বিশ্ববিদ্যালয় তাত চৰকাৰে ২০১৭ চনতে স্থাপন কৰিলে, তাৰ পিছত কামবোৰ মন্থন হৈ আছিল। আমি কেইবাবাৰো তাত review কৰাৰ পিছত এতিয়া শ্ৰেণী সমূহ আৰম্ভ কৰিবলৈ যোৱাৰ প্ৰাকমুহূৰ্তত চৰকাৰে যি ১৮২ টা পদ মঞ্জুৰী দিলে, সেই ১৮২ টা পদ মোকল কৰিবৰ কাৰণে এতিয়ালৈ বিজ্ঞাপন ওলোৱা নাই। বিশ্ববিদ্যালয়ৰ কতৃপক্ষক কৈ থকা হয় আৰু লক্ষ্য স্থিৰ কৰিবলৈ কোৱা হৈছিল যে এই বৰ্ষৰ পৰা যাতে স্নাতকোত্তৰ শ্ৰেণীসমূহ আৰম্ভ হয়। এই বিষয়টো দৃষ্টিগোচৰ কৰিছোঁ। একে লগতে আমাৰ লোকেল যিখিনি জনপ্ৰতিনীধি বিশ্ববিদ্যালয় বোৰ্ডৰ মেম্বাৰ হিচাপে অতিশীৰ্ঘে যাতে তেওঁলোকক notification কৰি দিয়ে, শিক্ষা বিভাগৰ যোগেদি বা এই সদনৰ যোগেদি যি কৰিবলগীয়া নিয়ম আছে, যাৰ জৰিয়তে তাত আমি review কৰিবৰ কাৰণে, assessment কাৰণে যাতে সুবিধা হয়, এই কথাখিনি কলোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া এ কে ৰশিদ আলাম। আমাৰ ৰিপ্লাইটো দিব লাগিব, সময় নাই ২ বজালৈকে। আপোনালোকৰ দুজন আছিল ন, সময় আছে, যদিহে আমি বঢ়াই যাই থাকো। কিন্তু এতিয়া আমি যদি দুই বজাত সমাপ্ত কৰিব লাগে মাননীয় মন্ত্ৰীৰ ৰিপ্লাই আছে আৰু দুজন বক্তা মই দিব খুজিছোঁ, অখিল গগৈ আছে, আপোনালোকৰ এজন আছিল, দুজনে কলে ৫ মিনিট, ৫ মিনিটকৈ কওক। আচলখিনি কওক, যিখিনি ইতিমধ্যে কৈ গ'ল সেইখিনি নালাগে।

**শ্ৰীআবুল কালাম ৰশিদ আলম, (পূব গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দুষাৰ কব ওলাইছোঁ, গোৱালপাৰাত চৰকাৰী বি টি কলেজ এখন আছিল ১৯৭৪ বৰ্ষতে স্থাপন কৰা। কিন্তু ৪ বছৰৰ পৰা সেই কলেজ খন বন্ধ হৈ আছে। অতিসোনকালে সেই বি টি কলেজখন খুলিব লাগে আৰু গোৱালপাৰা জিলাত Goalpara College, Goalpara West College, Ambari ত লক্ষীপুৰ কলেজ, এই কলেজ সমূহৰ বহুত পদ খালী হৈ আছে, চতুৰ্থ বৰ্গৰ পৰা আৰম্ভ কৰি একেবাৰে শিক্ষকলৈকে। গতিকে অতি সোনকালে এই পদ বিলাক পূৰণ কৰিব লাগে আৰু এটা problem হ'ল election আহিলেই এই কলেজ সমূহত counting hall কৰা হয়, ষ্টোৰ ৰুম কৰা হয়, যাৰ কাৰণে আমাৰ বহুত ক্ষতি হয়। গতিকে এই বিলাক অতি সোনকালে বন্ধ কৰিব লাগে, যাতে আৰু এইবিলাক নহয়। অধ্যক্ষ মহোদয়, আচৰিত কথা ১৯৫৫ বৰ্ষত গোৱালপাৰা কলেজখন স্থাপন, আজিলৈকে গোৱালপাৰা কলেজৰ নামত মাটিদোখৰ নাই, কি কাৰণত? সেইটো এটা তদন্ত হ'ব লাগে, কাৰণটো কি। যদি donar য়ে donate কৰিছে সেইটো নামাকৰণ এতিয়াও কলেজৰ নামত কিয় হোৱা নাই, এইটো অলপ enquiry কৰিব লাগে। গোৱালপাৰাত Air Crop H.S School অসমৰ ভিতৰত দ্বিতীয়খন পুৰণা। এই স্কুল খনৰ অৱস্থা একেবাৰে বেয়া হৈ গৈছে। এই স্কুলৰ পৰা Scientist হৈছে, এই স্কুলৰ পৰা এতিয়াও

অসমত এজন ডি চি আছিল বৰপেটাৰ আদিল হুছেইন International এক্টৰ, এই স্কুলৰ পৰা হৈছে। কিন্তু এতিয়া মানুহৰ মুখত শুনা যায় সেই স্কুলখ ন খিচ্ৰী খোৰা স্কুল। যদি মানুহক সোধা হয় যে আপোনাৰ ল'ৰা-ছোৱালী ক'ত পঢ়ে, তেতিয়া কয় যে আমাৰ পইচা নাই আমি প্ৰাইভেড স্কুলত পঢ়াব নোৱাৰো সেই কাৰণে খিচ্ৰী খোৰা স্কুলত পঢ়াই আছোঁ। এইবিলাক এনেকুৰা এটা নাম হৈছে আৰু ইয়াৰ কাৰণটো হ'ল এতিয়ালৈ Permanent Principal নাই। Vice Principalক Incharge কৰি দিয়া হয়, অৰসৰৰ ঠিক আগমুহূৰ্তত। তেওঁ আৰু স্কুলৰ প্ৰতি গুৰুত্ব নিদিয়ে, যিহেতু চৰকাৰী স্কুল, এটা  পৰীক্ষা চেন্টাৰ আছে, বাহিৰৰ পৰা যি বোৰ স্কুলৰ পৰীক্ষা দিবলৈ আহে তেওঁলোকৰ লগত ছাত্ৰ-ছাত্ৰীৰ ফিজ বিলাক বঢ়াই অলপ ব্যৱসায় কৰে, এইটো সচাঁ কথা। গতিকে এইবিলাক বন্ধ হ'ব লাগে আৰু অধ্যক্ষ মহোদয়, গুৱাহাটীৰ পৰা আৰম্ভ কৰি মানকাচাৰলৈকে মেঘালয় বৰ্ডাৰ এৰিয়া বিলাকত গাড়ো ছাত্ৰ-ছাত্ৰী বেছি, কিন্তু কিজানি গাড়ো স্কুল নাই, তেওঁলোকৰ স্কুল বোৰৰ শিক্ষক সকল হ'ল অসমীয়া মাধ্যমৰ, স্কুলত যেতিয়া পঢ়াবলৈ যায় গাড়ো ছাত্ৰ-ছাত্ৰীৰ ভাষা বিলাক শিক্ষকে বুজি নাপায়, আকৌ শিক্ষকে কি কয় ছাত্ৰ-ছাত্ৰী সকলে বুজি নাপায়। স্কুলত শিক্ষক যদিও যায় তেনেকৈ বহি থাকে, কোনো শিক্ষা দান নহয় তাত। গতিকে তাতে গাড়ো মাধ্যমৰ স্কুল দিব লাগে, নহলে আৰু এটা আছে, তেওঁলোকে ইংৰাজী মাধ্যমটো বুজি পায়। গতিকে কমচে কম English Medium School সেই এৰিয়া বিলাকত গুৱাহাটীৰ পৰা আৰম্ভ কৰি বকো, ছয়গাঁও, দূধনৈ, গোৱালপাৰা পূব, পশ্চিম একেবাৰে মানকাচাৰলৈ গোটেই সমষ্টি বিলাকত গাড়ো ছাত্ৰ-ছাত্ৰী আছে। গতিকে সেইটো অলপ গুৰুত্ব সহকাৰে লব লাগে। অধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুল, যিটো ইচ্চু দেট ইচ্চুৰ প্ৰতি বাদ পেলোৱা হৈছে, অতিসোনকালে সেইবোৰ সমধান কৰি ল'ব লাগে। মোৰ সমষ্টিত পাহাৰসিংপাৰা এম ই স্কুল আছে, বিশ্বাস কৰিব ৫০৫ জন ছাত্ৰ-ছাত্ৰী আছে, সেইখন ভেঞ্চাৰ স্কুল। গতিকে অতিসোনকালে স্কুলবোৰ ল'ব লাগে। কিজানি অসমত তেনেকুৰা আৰু স্কুল নাই। সেই স্কুল খনত মিদ দে মিল দিয়া আছে যদিও তাৰে কমিটিবোৰ কোনো সলনি হোৱা নাই। এটা কমিটিয়ে চলাই আছে। চৰকাৰী স্কুল বিলাকত কমিটি সলনি হৈ আছে, এই স্কুল বিলাকত কমিটি সলনি হোৱা নাই। অসমত কিজানি বহু ঠাইত এনেকুৰা আছে, গতিকে তেনেকুৰা স্কুল বিলাকত কমিটি বিলাক চৰকাৰী স্কুলত যেনেকৈ সলনি হয় তেনেকৈ সলনি কৰাৰ কাৰণে অতিসোনকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে, মিদ দে মিলত এনেকুৰা স্কুল নাই যে কেলেংকাৰী হোৱা নাই আৰু যিটো মেনেজিং কমিটি বনাই দিয়ে, মাত্ৰ সেই মিদ দে মিল চাউলৰ কাৰণে কমিটিখনত কাজিয়া আদি হৈ থাকে। গতিকে মই অনুৰোধ কৰিছোঁ, প্ৰত্যেক স্কুলত বিশেষকৈ বেলেগ নাজানো মোৰ সমষ্টিত তদন্ত দিব লাগে। তদন্তত দি এই ছাত্ৰ-ছাত্ৰীৰ নামত যিটো চাউলৰ পইচা, সেইটো প্ৰত্যক্ষভাৱে অভিভাৱকৰ একাউন্টত দিলে ভাল হয়। এইটো চাই ল'ব  আৰু অধ্যক্ষ মহোদয় যিবিলাক আমাৰ পৰিচালনা সমিতি গঠন হ'ল, ৰাজনীতি মুক্ত কৰা বুলি আমি সকলোৱে কৈ থাকো, এইটো হ'ব লাগে।  মোৰ সমষ্টিত কোনেও ক'ব নোৱাৰে যে এটা স্কুলৰ প্ৰেচিডেন্টৰ নাম আই এছ ক কৈছো । এই ক্ষেত্ৰত অভিভাৱক মন্ত্ৰীৰ কিয় অনুমোদন লাগে । তেওঁ কোন? তেওঁ পলিটিকেল নহয় নেকি ? বিশেষকৈ গোৱালপাৰা জিলাৰ যিজন অভিভাৱক মন্ত্ৰী তেওঁ বি জে পিৰ সভাপতি। আজিলৈ যিমান সভা কৰিছে আমাৰ বিধায়ক সকলক বিশ্বাসত লোৱা নাই । তাত চৰকাৰী মিটিং হোৱা নাই, বিজেপি ৰ হে মিটিং হৈছে। গতিকে মই ক'ব খুজিছো ডিৰেক্টৰ বা শিক্ষা বিভাগৰ কোনোবা এজনক অনুমোদন কৰাৰ দায়িত্ব দিব লাগে। অভিভাৱক মন্ত্ৰীয়ে যদি অনুমোদন দিয়ে সেইটো মানিব নালাগে। সেইটো মোৰ অনুৰোধ থাকিল।

অধ্যক্ষ মহোদয়, ব্যক্তিগত বিদ্যালয় সমূহত গাওঁলীয়া ভাষাত লাগাম নোহোৱা হৈছে। গতিকে মই অনুৰোধ কৰিছো ছাত্ৰ-ছাত্ৰী সকলক যদি ফিজ দিয়া নহয়, কোনোবা দুখীয়া অভিভাৱক সকলক Mentally harassment কৰা হয়। গতিকে মই অনুৰোধ কৰিছো যে ব্যক্তিগত বিদ্যালয় সমূহত অলপ লাগাম দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, চৰ এলেকাৰ ছাত্ৰ-ছাত্ৰী সকলৰ এটা সমস্যা হৈছে যে আগতে নাওঁৰে অহা যোৱা কৰিছিল । কিন্তু আভ্যন্তৰিণ জল পৰিবহন বিভাগে সেইটো বন্ধ কৰি দিলে। স্কুলৰ ড্ৰেছ খুলি সাঁতুৰি আহি নদী পাৰ হৈ তাৰ পিছত ড্ৰেচ পিন্ধি আছে। গতিকে এই যাতায়াতৰ ব্যৱস্থা বন্ধ কৰি আছে, অন্তত ছাত্ৰ-ছাত্ৰীৰ কাৰণে আৰু ৰোগীৰ কাৰণে বিশেষ ব্যৱস্থা চৰকাৰে কৰিব লাগে। মোৰ সমষ্টিত এটা মাটিয়া মডেল স্কুল আছে, তাত কোৱাৰেন্টাইন চেন্টাৰ কৰিছিল। এনেকুৱা গোৱালপাৰাত বহুতো কলেজ আছে গতিকে বহুতো স্কুল কলেজ নষ্ট হৈছে। সেই স্কুল সমূহ চৰকাৰৰ ফালৰ পৰা ঠিক কৰি দিব লাগে। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আমি ৰাইজৰ দলে শিক্ষা আৰু স্বাস্থ্য এই দুটা খণ্ডতে আটাইতকৈ বেছি পইছা খৰচ কৰাটো বিচাৰো, কিন্তু এতিয়া দহ কোটি টকাৰ কৰ্তন প্ৰস্তাৱ ৰাখিবলগীয়া হোৱাটো আমাৰ কাৰণে বেদনাদায়ক । এই কাৰণে বেদনাদায়ক যে শিক্ষা বিভাগে যিটো লাইনত যাব লাগিছিল সেইটো দিশলৈ যোৱাত ব্যৰ্থ হৈছে। যোৱা ৯ মাৰ্চ তাৰিখে ভাৰতৰ শিক্ষা বিভাগে এখন প্ৰতিবেদন উলিয়াইছিলে য'ত প্ৰকাশ পাইছে যে ভাৰতবৰ্ষৰ ভিতৰত আধাতে স্কুল এৰি দিয়াৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০২০-২১ বৰ্ষত নৱম আৰু দশম শ্ৰেণীত একত্ৰিশ শতাংশ, ভাৰতৰ ভিতৰত অসম এক নম্বৰ, যিখন ৰাজ্যত আটাইতকৈ বেছি ছাত্ৰ-ছাত্ৰী আধাতে এৰি দিয়ে। আনহাতে উচ্চ প্ৰাথমিকত চতুৰ্থ আৰু প্ৰাথমিক পৰ্য্যায়ত ষষ্ঠ ভাৰতৰ ভিতৰত। আমি কৈছো যে যেনেকৈ অসমত আধাতে এৰি দিয়াৰ ক্ষেত্ৰত সাংঘাটিক বেছি, ঠিক তেনেকৈ ইনফেন্ট মৰটেলিটি ৰেট আৰু প্ৰসূতি মৃত্যুৰ হাৰ, স্বাস্থ্য ক্ষেত্ৰতো অসম প্ৰসূতি মৃত্যুৰ হাৰৰ ক্ষেত্ৰত এক নম্বৰ আৰু ইনফেন্ট মৰটেলিটিৰ ক্ষেত্ৰত অসম ভাৰতবৰ্ষৰ ভিতৰত তিনি নম্বৰ। অৰ্থাৎ স্বাস্থ্য আৰু শিক্ষা এই দুয়োটা আমি ইমানেই অৱহেলা কৰিছো যে সেই কথা বিলাক নকওঁ। কৰ্তন প্ৰস্তাৱত তেতিয়াহ'লে নিশ্চিত ভাবে ইয়াৰ ব্যৱস্থাগত পৰিবৰ্তন নহ'ব । মই সেই কাৰণে ক'ব খুজিছো বহুতে কয় যে আজিৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা যোৱা বাৰ বছৰ মান ধৰি শিক্ষামন্ত্ৰী আছিল লগতে স্বাস্থ্য মন্ত্ৰীও আছিল। অসমৰ আটাইতকৈ বেছি দক্ষ মন্ত্ৰী বুলি কয়। কিন্তু এওঁৰ দিনতে অসমৰ আটাইতকৈ বেছি ড্ৰপ আউট আৰু আটাইতকৈ ইনফেন্ট মৰটেলিটি ৰেট আৰু মেটাৰনেল মৰটেলিটি ৰেট ভাৰতবৰ্ষৰ ভিতৰত অসম এক নম্বৰত। গতিকে এনেকুৱা পৰিস্থিত মই ভাবো এতিয়াটো আৰু বেছি চেলেঞ্জিং হৈ গ'ল। এতিয়া চৰকাৰে শিক্ষা প্ৰতিষ্ঠানত পইছা দিব খোজে বিদ্যালয়ত পইছা দিব নোখোজে। গতিকে এইমুহূৰ্তত মোৰ প্ৰথম আৰু প্ৰধান প্ৰস্তাৱটো হ'ল যে অসমৰ শিক্ষা বিভাগে পদ্ধতিগত ভাবে শিক্ষাখণ্ডৰ আন্তঃগাঠনি উন্নয়নৰ কাৰণে কাম কৰিব লাগে আৰু সেই আন্তঃগাঠনি উন্নয়নৰ ভিতৰত মই আপোনাক দেখুৱাব খুজিছো যে মোৰ সমষ্টিত এতিয়া এই তালিকাখন আছে। এই তালিকাখনত কি আছে যে ৰিপিয়াৰিং কৰিবলগীয়া মোৰ সমষ্টিৰ যিবিলাক স্কুল তাৰ সংখ্যাটো হ'ল এশ খন এল পি স্কুল, ভাঙি-চিগি গৈছে ৰিপিয়াৰিং কৰিব পৰা নাই । ন খন এম ভি স্কুল, দুখন এম ই স্কুল আৰু পঞ্চাচ খন চেকেণ্ডাৰী স্কুল। ইতিমধ্যে শিক্ষা বিভাগ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ হাতত এই তালিকা দি থকা হৈছে । এতিয়া অসম চৰকাৰে কি কৰিছে, মন্দিৰত টকা খৰছ কৰিছে ঠিক আছে। এতিয়া চৰকাৰে গ্ৰামোন্নয়নৰ ধন পঞ্চায়ত আৰু

এনৰেগাৰ ধন স্কুল বনাবলৈ আৰু অগংনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰাৰ বাবে খৰছ কৰিছে । ৰাজ্যপালে বিশেষ নটিফিকেচন উলিয়াই দিছে। ইয়াৰ ফলত এতিয়া আৰু গ্ৰামোন্নয়ন নহ'ব ।

আমি শিক্ষাখণ্ডত এলোটমেন্ট বঢ়াব লাগে, চৰকাৰে কিন্তু এই দিশত কাম কৰা নাই । কভিডৰ পিছৰ পৰা আমাৰ চৰকাৰী শিক্ষানুষ্ঠানৰ গুৰুত্ব বৃদ্ধি হ'ল । ইয়াৰ মূল কাৰণটো হ'ল ২০২১-২২ বৰ্যত ৩৯, ৭০০০০ হাজাৰ ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰা চৰকাৰী বিদ্যালয়লৈ গতি কৰিছে । এনে ক্ষেত্ৰত আমি আমাৰ শিক্ষাখণ্ডতো উন্নত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে যদিও তেনেধৰণৰ মৌলিক চিন্তা কৰা হোৱা নাই । এই চৰকাৰৰ দিনতে বহুতো বিদ্যালয় এমালগেমেচন কৰি বন্ধ দিয়া হ'ল। এতিয়া চাৰি হাজাৰতকৈ ও অধিক বিদ্যালয় এজন শিক্ষকৰ দ্বাৰা চলি আছে আৰু কোনো কোনো বিদ্যালয়ত শিক্ষকে নাই । চৰকাৰে ভেঞ্চাৰ স্কুল বিলাকক চৰকাৰী কৰণ নকৰো বুলি নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিছে । বহুতো পদ খালী হৈ আছে যদিও পদ সমূহ পুৰণ কৰাৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। আনহাতে, ঠিকাভিত্তিক নিযুক্তি দিয়া শিক্ষা সকলো আন্দোলন আদি কৰিব লগীয়া হৈছে । যাৰ কাৰণে ভালদৰে পাঠদান কৰিব পৰা নাই । তাৰোপৰি নতুন শিক্ষা নীতিত প্ৰতিখন ব্যক্তিগত বিদ্যালয়ত উচ্চৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ লৈ যাব লাগিব । নতুন হাইয়াৰ চেকেণ্ডাৰী বিদ্যালয়ত পাঠদান কৰাৰ বাবে প্ৰায় পোন্ধৰ-সোতৰ জন নতুন শিক্ষক নিযুক্তি দিব লাগিব । যিহেতুকে এতিয়া কলা শাখা বা বিজ্ঞান শাখা পৃথক ব্যৱস্থা নাথাকিব গতিকে প্ৰতিটো শাখাতে পৰ্য্যাপ্ত শিক্ষক থাকিব লাগিব । আমি দেখিবলৈ পাইছো যে শংকৰদেৱ শিশু নিকেতন বা জাতীয় বিদ্যালয় বিলাকক কোনো ধৰণৰ পৃষ্ঠপোষকতা দিয়া হোৱা নাই । সেইবাবে সেইবিলাক স্কুল এতিয়া বন্ধ কৰি দিব লাগিব । বৰ্তমান হাইয়াৰ চেকেণ্ডাৰী স্কুলত বহুত শিক্ষকৰ প্ৰয়োজন হ'ব আৰু ছাত্ৰ শিক্ষকৰ অনুপাতটো মিলাই এই শিক্ষা ব্যৱসায়টো আগবঢ়াই নিব নোৱাৰিব ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এক মিনিটতে শেষ কৰি দিয়ক ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** হয় কৰি আছো । মই আশা কৰিছো শিক্ষা বিভাগে অন্তত এটা প্ৰস্তাৱ দিয়ক, অসম বিধান সভাত এটা বিশেষ অধিবেশন হওঁক আৰু এই দুদিনত নতুন শিক্ষানীতিৰ ওপৰত আমি সকলোৱে নিজা নিজা মতামত দিওঁ। শেষত মাননীয় শিক্ষামন্ত্ৰীৰ ওপৰত এটা কথা ক'ব বিচাৰো যে আমি মাজুলীৰ যদি অসমীয়া মাধ্যমৰ এল পি স্কুল এখনত বিহাৰৰ পৰা শিক্ষক আনি পাঠদান কৰাব লগা হয়, এনে ক্ষেত্ৰত অসম চৰকাৰে কি শিক্ষানীতি বনাব খুজিছে অসমত । আজি যদি বি টি এডি অঞ্চলৰ বড়ো মাধ্যমৰ বিদ্যালয়ত যদি বিহাৰ, উত্তৰ প্ৰদেশ বা কানপুৰৰ পৰা শিক্ষক আনি পাঠদান কৰাব লগীয়া হয় তেতিয়াহ'লে আপোনালোকে কি জাতি, মাটি, ভেটিৰ চৰকাৰ বনাব খুজিছে তাৰ উত্তৰ অসমৰ প্ৰতিজন মানুহক আপোনালোকে দিব লাগিব । গতিকে অসমৰ শিক্ষানুষ্ঠানত বাহিৰৰ শিক্ষক নিযুক্তি দিয়াটো বন্ধ কৰাৰ বাবে নীতিগত সিদ্ধান্ত ল'ব লাগিব । যদি এই সিদ্ধান্ত নলয় বুজিব লাগিব যে আপোনালোকে অসমীয়া জাতিটো ধ্বংস কৰিব বিচাৰিছে।

গতিকে মই পুনৰ কৈছে আমি সদনত শিক্ষা বিভাগৰ দহ কোটি টকাৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিব নালাগে, আমি ক'ব লাগে যে শিক্ষা বিভাগক আৰু এশ কোটি টকা দিব লাগে । কিন্তু আমি ক'ব পৰা নাই কাৰণ শিক্ষা বিভাগে প্ৰকৃতাৰ্থত উন্নয়নশীল কাম কৰা নাই । ফটা ঢোল বজাই কেৱল উন্নয়নৰ নাম কৰা হৈছে । কিন্তু আজি যিদৰে স্বাস্থ্য আৰু শিক্ষা বিভাগ জহিখহি গৈছে এইটো অত্যন্ত দুৰ্ভাগ্যজনক। এই খিনি কৈ মোৰ বক্তব্য সামৰিছো । ধন্যবাদ। জয় আই অসম ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী গণেশ কুমাৰ লিম্বু

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰছলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত বসবাস কৰা নেপালী সম্প্ৰদায়ৰ মানুহে নেপালী মিডিয়াম এৰি অসমীয়া বিষয় এটা লোৱাৰ ব্যৱস্থা কৰিছে। কিন্তু দুখৰ কথা যে, প্ৰাইমাৰী, হাইস্কুল, হায়াৰচেকেণ্ডাৰী কোনো ধৰণৰ শিক্ষক নিযুক্তিৰ পলিচি আজিলৈকে নহ'ল। এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ৰ, দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। লগতে আমাৰ কিছুমান হায়াৰচেকেণ্ডাৰী স্কুল আছিল, য'ত শিক্ষক আছিল কিন্তু চাৰ্ভে হোৱাৰ পাছতো যেনে মোৰ সমষ্টি দুখন হায়াৰচেকেণ্ডাৰী স্কুল আছে, বৰচলা হায়াৰচেকেণ্ডাৰী স্কুল, চিলখাবাৰী হায়াৰচেকেণ্ডাৰী স্কুল, ডিমাকঁচি হায়াৰচেকেণ্ডাৰী স্কুল, ওদালগুৰি হায়াৰচেকেণ্ডাৰী স্কুল। এই বিলাকত আমাৰ PGT শিক্ষক হ'ব লাগে কিন্তু ইয়াত হোৱা নাই। ঠিক তেনেকৈ আমাৰ ১৬ খন কলেজত ৩২ টা পদৰ বাবে ইতিমধ্যে বিভিন্ন চাৰ্ভে হৈ আহিছে। এই ৩২ টা পদ ১৬ খন কলেজত হ'ব লাগে। বহু বছৰ হ'ল কলেজত আজিলৈকে নতুন পদ নেপালী বিভাগত হোৱা নাই। ২০২১ চনৰ জুন মাহত KKSOU ৩ টা পদ সৃষ্টিৰ কাৰণে কৈছিলো নেপালী ভাষাত। এতিয়ালৈ পোষ্ট সৃষ্টিৰ কাম হোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বহুদিন ধৰি আমাৰ কলেজত পদবিলাক খালী হৈ আছে যেনে দৰং কলেজত, ঢেকীয়াজুলিত কলেজত কিন্তু হুSLET ত এতিয়ালৈকে নেপালী ভাষা অন্তৰ্ভূক্ত নোহাৱাৰ কাৰণে আমি শিক্ষক পদটোত পূৰণ কৰিব পৰা নাই। এই বিষয়ত যাতে অতিশীঘ্ৰে SLET কমিশ্যনত নেপালী ভাষা যাতে অন্তৰ্ভূক্ত হয় তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো। আমাৰ কিছুমান কলেজত পদ বিলাক বন্ধ হৈ আছে, নথি-পত্ৰ নিৰীক্ষণ ৰ বাবে পদ বিলাক বাদ পৰি গৈছে। সেই কলেজ বিলাক হ'ল যেনে-বিহালী কলেজ, কে ভি আৰ কলেজ, ওৰাং কলেজ, জ্ঞানপীথ ডিগ্ৰী কলেজ এনেকৈ চাৰিখন কলেজ আছে। এই কলেজত পদ হ'ব লাগিছিলে, পদটো বাদ পৰি থাকিল, মই আশা কৰিছো, যে বিষয়টো মাননীয় মন্ত্ৰী মহোদয়ে, যাতে বিশেষ তৎপৰতাৰে সমাধান কৰে আৰু আজিলৈকে অসমৰ কোনো এখন ইউনিভাৰচিটিত ৰেগুলাৰ নেপালী মিডিয়াম নথকাৰ বাবে আমাৰ যি সকলে মেজৰত ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোকৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। এই বিষয়ত বহুদিন ধৰি বিভাগৰ লগত আলোচনা কৰিছো। আমাৰ বিভাগৰ লগত যি সভা হয়, বিভিন্ন সময়ত মই প্ৰপোজেল দিছো, কিন্তু আজিলৈকে তেনে ফলপ্ৰসু মই ৰিজাল্ট পোৱা নাই। আজি আশা কৰিছো মাননীয় অধ্যক্ষৰ জৰিয়তে যাতে বিষয়টো মন্ত্ৰী মহোদয়ে, অতি আন্তৰিকতাৰে বিষয়টো বিবেচনা কৰে আৰু শেষত মই ক'ব খুজিছো যে শিক্ষা জগতত আমি যিমানে আৱন্টন কৰো এযাৰ কথা আছে, যে, শিক্ষাত ৰিটাৰ্ন আমাক সকলোতকৈ অধিক হয়। সেই কাৰণে আমাৰ চৰকাৰেও যাতে শিক্ষাৰ ক্ষেত্ৰত অধিক পুঁজি যাতে আৱন্টিত কৰি আমাৰ শিক্ষা ব্যৱস্থাটো এনে ধৰণৰ বা এনেকুৱা মানদণ্ডলৈ লৈ যায়। আমাৰ শিক্ষা অনুষ্ঠানৰ পৰা যি বিলাক ছাত্ৰ-ছাত্ৰী ওলাই আহে Global World ৰ লগত আমি যাতে প্ৰতিযোগিতাত ভাগ ল'ব পাৰো বা আমি আগলৈ যাব পাৰো তেনেধৰণৰ শিক্ষা ব্যৱস্থা আগন্তুক নতুন শিক্ষানীতিত আমি পাঁও, এইটো আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী চিদ্দিক আহমেদ।

**শ্ৰী সিদ্দিক আহমেদ, (কৰিমগঞ্জ দক্ষিণ)** ঃ-মাননীয় অধ্যক্ষ মহোদয়, আমি শিক্ষা ব্যবস্থার উপরে কয়েকটি কথা আপনার মাধ্যমে মাননীয় শিক্ষা মন্ত্রীর সম্মুখে উপস্থাপন করতে চাই। শিক্ষা হল জাতির মেরুদণ্ড। শিক্ষা ছাড়া কোন জাতি এগিয়ে যেতে পারে না। শিক্ষাই সমাজ গঠন, জাতি গঠন, রাজ্য গঠন, রাষ্ট্র গঠন প্রত্যেকটি ক্ষেত্রে শিক্ষা ব্যবস্থা সহায় করে। আমরা মনে করি প্রত্যেকটি

শিক্ষা প্রতিষ্ঠানই মানুষ বানানোর এক-একেকটি কারখানা। এই কারখানায় সঠিক ভাবে যদি শিক্ষা না হয় তাহলে কোনো সময় মানুষ তার সমাজ জীবনে প্রতিষ্ঠিত হতে পারে না। এক সময় যারা দিনমজুরি মানুষ ছিলেন তারা তাঁদের ছেলেমেয়েদের পড়াশোনা না করিয়ে কাজে লাগিয়ে দিতেন। কিন্তু এখন প্রত্যেকেই নিজের ছেলেমেয়েদের সমস্ত উপার্জন দিয়েও মানুষ বানানোর চেষ্টা করে। সরকার যে ব্যবস্থা নিয়েছেন, প্রত্যেকটি এলপি স্কুল ১ কিমি র মধ্যে হবে। ৩ কিমি র মধ্যে এম ই স্কুল হবে। ৫ কিমি র মধ্যে হাই স্কুল হবে। কিন্তু দেখা যায় যে আমাদের গ্রামাঞ্চলে যেসব স্কুল এমালগেট করার ব্যবস্থা সরকার নিয়েছেন আমি মাননীয় শিক্ষামন্ত্রী কে এটাই অনুরোধ করব যে একই কেমপাসে যে প্রতিষ্ঠান আছে এমই স্কুল , হাই স্কুল সেটা এমালগেট করুন। কিন্তু দুরে যেগুলো প্রতিষ্ঠান আছে সেই প্রতিষ্ঠানগুলোতে যথেষ্ঠ সংখ্যক ছাত্র আছে তারপরও যদি এমালগেট করা হয় তাহলে ছেলেমেয়েদের পড়াশোনার অনেক অসুবিধা হবে। গত সেসনের আগে আমরা শিক্ষামন্ত্রীকে লিখে দিয়েছিলাম এবং আমি স্কুল ইনিসপেক্টরকেও বলেছিলাম যে হাইস্কুল থেকে হায়ার সেকেণ্ডারি অনেক স্কুল পরিনত করতে হবে। একটা লিস্ট ও দেওয়া হয়েছিল। কিন্তু দেখা গিয়েছে এবার আমার নিজের সমষ্টিতে হায়ার সেকেণ্ডারি স্কুলের অভাবের জন্য অনেক ছেলেমেয়েরা হাইস্কুল পাশ করার পর ,মেট্রিক পাশ করার পর হায়ার সেকেণ্ডারিতে এড্‌মিশন নেওয়ার সুযোগ পায়নি। প্রত্যেকটি হায়ার সেকেণ্ডারি স্কুলগুলিতে এমন বেশি ছাত্রছাত্রী হয়েছে যেখানে স্কুলগুলো ব্যবস্থা করে দিতে পারছে না। হয়তো নতুন শিক্ষা নীতিতে প্রত্যেকটি হাইস্কুল হায়ার সেকেণ্ডারিতে পরিনত হবে। কিন্তু তার আগে যে অবস্থা হয়েছে অনেক ছেলেমেয়ে বাধ্য হয়ে মেট্রিক পাশ করার পর হায়ার সেকেণ্ডারিতে সুযোগ সুবিধা না পাওয়ার জন্য তারা পড়াশোনা বন্ধ করে দিয়েছে। আমি মাননীয় শিক্ষামন্ত্রীকে অনুরোধ করব যে আপনি প্রত্যেকটি হাইস্কুলকে হায়র সেকেণ্ডারিতে রূপান্তরিত করুন এবং তারপরও এক-একটি সমষ্টিতে যেমন, আমার সমষ্টিতে মাত্র একটি কলেজ আছে।ছেলেমেয়েদের সংখ্যা এত বাড়ছে যে ছেলেমেয়েরা আজকাল সবাই চায় যে হায়ার সেকেণ্ডারি পাশ করার পর সে কলেজে যাওয়ার ইচ্ছা করে। কিন্তু একমাত্র একটি কলেজ থাকার জন্য তারা বাধ্য হয়ে পড়াশোনা বন্ধ করে দিতে হয়। সুতরাং আমি অনুরোধ করব যেভাবে আপনারা প্রত্যেক ৩ কিমি- র মধ্যে একটি এম ই স্কুল,প্রত্যেক ৫ কিমি-র মধ্যে একটি হাইস্কুল সেভাবে ১৫ কিমি হোক আর ১০ কিমি হোক আপনারা কলেজ খোলার চেষ্টা করুন। কারন অনেক ছেলেমেয়েরা হায়ার সেকেণ্ডারি পাশ করার পর তারা অসুবিধার জন্যই কলেজে যেতে পারে না। তাছাড়া আরোও একটি কথা, যেসমস্ত প্রতিষ্ঠান ২০১৩ সনে প্রভিনসিয়েলাইজ হয়েছে এল পি স্কুলের কথাই বলুন এম ই স্কুলের কথাই বলুন,সেই প্রতিষ্ঠানগুলোর পরিকাঠামো এখন পর্যন্ত ঠিক হচ্ছে না। সেই প্রতিষ্ঠনগুলো ২০১৩ ইংরেজিতে প্রভিনসিয়েলাইজ হয়েছে সেই প্রতিষ্ঠানগুলোর বিল্ডিং এর ব্যবস্থা করা দরকার এবং এসএসএ এবং আরএমএসএ-র দ্বারা যেগুলো প্রতিষ্ঠান ইনফ্রাস্ট্রাকচার তৈরি হয় সেই এসএসএ জুনিয়র ইঞ্জিনিয়ার ঠিক করে যে কোন কোন স্কুলের বিল্ডিং হবে। সেখানে যদি এমএলএ দেরকে আপনারা কনফিডেন্সে নেন, এমএলএ -র লিস্টের মাধ্যমে যদি এসএসএ-র ইঞ্জিনিয়ার যে সমস্ত প্রতিষ্ঠানে ইনফ্রাস্ট্রাকচারের দরকার আছে সেই লিস্টটি যদি এমএলএ-র মাধ্যমে দেওয়া হয় তাহলে সেই প্রতিষ্ঠানগুলো ঠিক হবে। এবং আরএমএসএ-র যে ইনফ্রাস্ট্রাকচার বানানো হয় সেটাও যাতে এমএলএ-র থেকে লিষ্ট নেওয়া হয়। আমার অনেক হাইস্কুল আছে যেগুলোর কোন ইনফ্রাস্ট্রাকচার নেই। আমি অনেকবার অনুরোধ করেছি। তাই এব্যপারে মাননীয় মুখ্যমন্ত্রী যাতে লক্ষ্য রাখেন আমি অনুরোধ জানিয়ে আমার বক্তব্য

শেষ কৰছি।

**माननीय অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধী পক্ষৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুআষাৰ ক'ব বিচাৰিছো। বহুত ক'বলগীয়া আছিল। বিৰোধী পক্ষই আচলতে শিক্ষাৰ ক্ষেত্ৰত এই কৰ্তন প্ৰস্তাৱ অনাৰ অধিকাৰ নাই। **৬** বছৰ আগলৈ ঘূৰি গ'লে শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে কিদৰে এটা আমূল পৰিবৰ্তন কৰিছো সেইটো সকলোৱে স্বীকাৰ কৰিব। শিক্ষা ব্যৱস্থা প্ৰায় ভগ্ন প্ৰায় হৈ গৈছিল। যোৱা **৬** বছৰত সেইখিনি উদ্ধাৰ কৰা হৈছে। এগৰাকী বক্তাই আজি স্বীকাৰ কৰিছে যে চৰকাৰী স্কুললৈ বেচৰকাৰী স্কুলৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সোঁত ববলৈ আৰম্ভ কৰিছে। তথাপি মই কেইটামান বিষয় দৃষ্টিগোচৰ কৰিব খুজিছো। মোৰ খুমটাই সমষ্টিৰ বৰুৱা বামুণ গাঁৱত এখন সৈনিক স্কুলৰ কথা আগবাঢ়ি আছিল। ইয়াৰ বাবে চৰকাৰী ভূমি ইতিমধ্যে আবণ্টন দিয়া হৈছে। যিখিনি অধিগ্ৰহণ কৰিব লগীয়া আছে সেই মাটি অধিগ্ৰহণ কৰি সোনকালে ইয়াৰ কাম-কাজ আৰম্ভ কৰিবলৈ মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মোৰ খুমটাই সমষ্টি আৰু মাজুলী সমষ্টিৰ অন্তৰ্গত এটা ভিতৰুৱা পিছপৰা অঞ্চল ব্ৰহ্মপুত্ৰ চাপৰিত দুখন স্কুল আছে। এখন শ্বহীদ স্মৃতি খকগুগুৰি ছোৱালী হাইস্কুল, পশ্চিম ব্ৰহ্মপুত্ৰ গাওঁ পঞ্চায়ত যিখন খুমটাই সমষ্টি আৰু এখন হ'ল ব্ৰহ্মপুত্ৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুল, দক্ষিণ আহতগুৰি গাওঁ পঞ্চায়ত। সেয়ে মই নিড বেচত এই দুয়োখন স্কুলক প্ৰভিঞ্চিয়েলাইজ কৰাৰ বাবে অনুৰোধ জনাইছো। কাৰণ ইয়াত বহুত অঞ্চল সামৰি লৈছে আৰু সকলো খেতিয়ক মানুহ। যিবিলাক নতুন কলেজ আমাৰ লোৱা হৈছিল তাত ফৰ্থ পোষ্টৰ কাৰণে ষ্টুডেন্টৰ এটা লিমিট দিয়া আছিল যে এটা বিষয়ত ১৫০ জন। **প্ৰথম বৰ্ষতে** ১৫০ জন ষ্টুডেন্ট নাথাকে। সেইকাৰণে এই ফৰ্থ পোষ্টটোত এটা বিষয়ত শেষ বছৰটোত ফিফথ বা চিক্সথ চেমিষ্টাৰত ১৫০ জন থাকিব নোৱাৰে। তাৰ লিমিটটো কমাই আনিব লাগে। কিয়নো **২০-২৫** বছৰ কোনো শিক্ষকে শিক্ষকতা কৰাৰ পিছতো এই যে ১৫০ জনৰ লিমিটটো বান্ধি দিলে তেখেত সকল তাৰ পৰা বঞ্চিত হ'ল। সেইকাৰণে সেই লিমিটটো কমাই অন্তত ৩০-৪০ ছাত্ৰৰ এটা লিমিট বান্ধি দিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণোজ পেগু, ( শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে আজিৰ এই আলোচনাত ভাগ লোৱা মাননীয় ওৱাজেদ আলী চৌধুৰী, ৰূপজ্যোতি কুৰ্মী, আমিনুল ইছলাম (কণিষ্ঠ), ৰবিৰাম নাৰ্জাৰী, ভবেন্দ্ৰ নাথ ভড়ালী, জয়ন্ত বসুমতাৰী, মনোৰঞ্জন তালুকদাৰ, হেমাঙ্গ ঠাকুৰীয়া, দিগন্ত বৰ্মণ, মজিবুৰ ৰহমান, ভাস্কৰ বৰুৱা, জিৰণ বসুমতাৰী, তেৰছ গোৱালা, আশ্ৰাফুল হুছেইন, অমিয় কুমাৰ ভূঞা, আবুল কালাম ৰছিদ আলম, অখিল গগৈ, গণেশ লিম্বু, চিদ্দিক আহমেদ আৰু শেষত মাননীয় সদস্য মৃনাল শইকীয়া ডাঙৰীয়া তেখেত সকলক এই আলোচনাত ভাগ লোৱাৰ কাৰণে ধন্যবাদ জনাইছো। বক্তব্য ৰখাৰ আগত মই ঘড়ীটোৰ ফালেও চাইছো কাৰণ মই কিমান সময় পাম প্ৰশ্ন বিলাকৰ বা উত্থাপিত বিষয় বিলাকৰ ওপৰত বক্তব্য ৰাখিবৰ কাৰণে। ২ টা বাজিবলৈ বেছি সময় নাই। যি সমূহ প্ৰশ্ন বা বিষয় ইয়াত উত্থাপিত হৈছে তাৰে বহু বিষয় আছে নিৰ্দিষ্ট সমষ্টি কেন্দ্ৰিক বা নিৰ্দিষ্ট শিক্ষা অনুষ্ঠান কেন্দ্ৰিক আৰু কিছুমান আছে সাধাৰণ বিষয়। মই প্ৰথম পৰ্য্যায়ত যিবিলাক আমাৰ সাধাৰণ বিষয়, সমগ্ৰ দেশখনৰ বিষয় সেই বিষয় সমূহৰ ওপৰত মোৰ বক্তব্য ৰাখিব বিচাৰিম আৰু যদি সময় হয় তেতিয়া হ'লে নিৰ্দিষ্ট বিষয় সমূহলৈ যাম। মোৰ কেইটামান গুৰুত্বপূৰ্ণ কথা আছে আৰু মই আৰম্ভণিতে ওৱাজেদ আলী ডাঙৰীয়াক তেখেতৰ মাইন'ৰিটি বা

চৰ-চাপৰি অঞ্চলত শিক্ষাৰ কথা উল্লেখ কৰিছিল। তাৰ পিছত মাননীয় বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই বাগান অঞ্চলত শিক্ষাৰ কথা কৈছিল। চৰ-চাপৰি অঞ্চল বা সংখ্যালঘু প্ৰধান অঞ্চলত শিক্ষা আপেক্ষিক ভাৱে পিছপৰা আৰু ইয়াৰ উন্নয়ণৰ কাৰণে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ সমূহ গ্ৰহণ কৰিছে। যেতিয়া সঠিক ভাৱে গঠিত ব্লক সমূহত **৪৫-৪৬** খন আদৰ্শ বিদ্যালয় স্থাপনৰ কাৰণে সঠিক সিদ্ধান্ত লৈছে, ইয়াৰ আধাতকৈ বেছি সংখ্যক বিদ্যালয় সংখ্যালঘু প্ৰধান অঞ্চলত প্ৰতিষ্ঠা কৰা হৈছে। এই সংখ্যালঘু অঞ্চলত প্ৰতিষ্ঠা কৰা এই আদৰ্শ বিদ্যালয় সমূহৰ ফলাফল ইমানেই আশাব্যঞ্জক বা ইমানেই ভাল যে চৰকাৰখনে সিদ্ধান্ত লৈছে যে এনে আদৰ্শ বিদ্যালয় চৰকাৰে প্ৰত্যেকটো সমষ্টিতে প্ৰতিষ্ঠা কৰিব লাগে বুলি ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে। ইয়াৰ উপৰিও মহিলা সকলৰ শিক্ষাৰ উন্নতিৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ সংখ্যালঘু প্ৰধান অঞ্চল সমূহত **৯** খনকৈ মহিলা মহাবিদ্যালয় স্থাপন কৰিবৰ কাৰণে চৰকাৰে এক বৃহৎ পুঁজিৰে ইয়াৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিছে আৰু অতি সোনকালে এই মহা বিদ্যালয় কেইখনৰ পাঠদান আৰম্ভ হ'ব। সংখ্যালঘু শিক্ষা বা মহিলা সকলৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে লগতে সংখ্যালঘু অঞ্চলৰ ছাত্ৰী সকলক এক বিশেষ জলপানি দিয়াৰো ব্যৱস্থা গ্ৰহণ কৰিছে। ঠিক সেইদৰে চাহ অধ্যুষিত অঞ্চল সমূহৰ শিক্ষাৰ উন্নতিৰ কাৰণে চৰকাৰে **১১৯** খন মডেল হাইস্কুল নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু মই আজি সদনত জনাবলৈ পাই সুখী হৈছো যে এই **১১৯** খন মডেল হাইস্কুলৰ ভিতৰত **৯৭** খন ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু এই বছৰৰ এপ্ৰিল মাহত যেতিয়া নতুন পাঠ্যক্ৰম আৰম্ভ হ'ব এই কেইখন বিদ্যালয়তো পাঠদান আৰম্ভ কৰিবৰ কাৰণে চৰকাৰে সিদ্ধান্ত লৈছে। ইয়াৰ উপৰিও চাহ বাগানৰ অঞ্চল সমূহত চাহ বাগানৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত **৩৯৯** খন বিদ্যালয়ৰ কথা ইতিমধ্যে মাননীয় বিধায়ক শ্ৰী তেৰছ গোৱালা ডাঙৰীয়াই উল্লেখ কৰি গৈছে। সেই বিদ্যালয় কেইখনৰ গুণগত মান উন্নত কৰিবৰ কাৰণে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। যিহেতু এই বিদ্যালয় কেইখন চাহ বাগান কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত হয় আৰু ইয়াত এচ ই এম এচ জড়িত হৈ আছে, অসম চাহ কৰ্মচাৰী সংঘ জড়িত হৈ আছে, ইয়াত co-ordination committee জড়িত হৈ আছে, ইয়াত চাহ বাগানৰ মালিক জড়িত হৈ আছে এই সকলোৰে লগত আলোচনা কৰিহে চাহ বাগানৰ বিদ্যালয় বিলাকত ওপৰঞ্চি শিক্ষক নিযুক্তি দিয়া সিদ্ধান্ত গ্ৰহণ কৰিছো। অতি সোনকালে এই আটাইবোৰ লোকৰ লগত চূড়ান্ত লানি আলোচনা কৰাৰ পিছতেই অহা শিক্ষা বৰ্ষৰ পৰাই আমি আৰম্ভ কৰিম। ইয়াত আন কিছুমান পৰিসংখ্যা মই পেপাৰতো দেখিছো বা আজিৰ সদনতো উল্লেখ কৰিছে যে ইমান খন বিদ্যালয়ত শিক্ষক নোহোৱাকৈ স্কুল চলি আছে। আচলতে এজনো শিক্ষক নোহোৱাকৈ স্কুল চলিবই নোৱাৰে। ছাত্ৰ নাথাকিলে টো শিক্ষক থাকিবই নোৱাৰে। গতিকে ছাত্ৰ ও থাকিব লাগিব শিক্ষকো থাকিব লাগিব তেতিয়াহে স্কুলখন চলি থাকিব। কাৰিকৰী কাৰণত হে কেতিয়াবা তাত পদ এটা সৃষ্টি হোৱা নাই আমি সৃষ্টি কৰিব লাগে। আমি সকলোৱে জানো এটা সময়ত এডুকেশ্যন গেৰাণ্টী স্কীম আছিল। সেই এডুকেশ্যন গেৰাণ্টী স্কীমৰ বিদ্যালয় আছিল সেইবোৰ আপগ্ৰেড কৰা হ'ল। আপগ্ৰেড কৰাৰ পিছত তাত এটা পদ সৃষ্টি কৰা হোৱা নাই। এতেকে অন্য বিদ্যালয়ৰ পৰা শিক্ষক আনি নিযুক্তি দিয়া হয় আৰু সেই শিক্ষকৰ দ্বাৰা স্কুলখন চলাই থকা হয়। কোনো বিদ্যালয় বিনা শিক্ষকৰে চলি থকা নাই। স্কুলখন শিক্ষকৰ অভাৱত বন্ধ হৈ গ'ল বা ছাত্ৰ-ছাত্ৰী স্কুললৈ আহে শিক্ষক নাই কাৰণে ঘূৰি যাব লগীয়া হ'ল এনেকুৱা ধৰণৰ পৰিস্থিতি হোৱা নাই। এই পৰিস্থিতিটো হৈছে কিছুমান কাৰিকৰী কাৰণত যাৰ বাবে ৰেকৰ্ডত জিৰ' বুলি দেখুওৱা হৈছে। ঠিক তেনেদৰে এজনীয়া শিক্ষকৰ

দ্বাৰা পৰিচালিত স্কুলৰ নামো আহিছে। ইয়াৰ বাবে আমি সকলোৰে কেইটামান কাৰণৰ কথা সকলোৰে জানিব লাগিব। আজি কিছুমানে প্ৰাদেশিকৰণ কৰা স্কুলৰ কথা কৈ আছে , এজনীয়া শিক্ষকে শিক্ষকতা কৰা স্কুলৰ কথা কৈ আছে বা জিৰ' টিচাৰৰ কথা কৈ আছে বা বহু স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক নাই, এই গোটেইখিনি কথা একেলগে বুজিবলৈ হ'লে এটা পৰিসংখ্যাৰ কথা বুজিব লাগিব। মাননীয় সদস্য সকলে ৰাইট টু এডুকেশ্যন এক্ট মতে আমাৰ পি টি আৰ হ'ব লাগে। তথ্যটো হ'ল নিম্ন প্ৰাথমিক পৰ্য্যায়ত আমাৰ পি টি আৰ হ'ল 20 :1, Upper Primary or ME section 20 :1, Secondary education ত পি টি আৰ হ'ল 22 :1, অৰ্থাৎ আমাৰ ছাত্ৰৰ অনুপাতে যিমান শিক্ষক লাগে তাতকৈ আমাৰ ইয়াত বহুত বেছি শিক্ষক আছে। কিন্তু এই শিক্ষক বিলাকৰ rationalization, তেওঁলোক য'ত থাকিব লাগে, তাত থকা নাই কাৰণে কিছুমান অঞ্চলত কিছুমান স্কুল বঞ্চিত হৈ আছে। ইয়াৰ শুধৰণি কৰাৰ কাৰণে আমি এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছোঁ লগতে চৰকাৰখনে এইটোৰ কাৰণে নিযুক্তি প্ৰক্ৰিয়াও যাতে বন্ধ কৰি ৰাখিম সেইও নহয় যে যিখিনি অনুমোদিত sanction post আছে, সেই sanction post against তে এটা নিযুক্তি প্ৰক্ৰিয়া চলি আছে, যিটো প্ৰক্ৰিয়া অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ আছে যে অহা ১০ মে, তাৰিখৰ ভিতৰত এই নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিম। এই কেৱল LP, UP আৰু Secondary পৰ্য্যায়তে এই নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হলে ২৩,১৭৫ গৰাকী শিক্ষক আমি নিযুক্তি দিম। সামগ্ৰিক ভাৱে higher education & technical education ক সাঙুৰি পেলাই আমি ২৬ হাজাৰ শিক্ষক নিযুক্তি দিম। নিযুক্তি দিয়াৰ পিছত আমি rationalization ৰ ফালে যাম। অৰ্থাৎ প্ৰথমে নিযুক্তি প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিব বিচাৰিছো আৰু তাৰ পিছত rationalization কৰিব বিচাৰিছো। কিন্তু এই rationalization ৰ কামটো বহুতো টাফ কাম হ'ব। ইয়াৰ কাৰণে মই সকলো মাননীয় বিধায়কসকলৰ সহায় সহযোগীতা কামনা কৰিম। যাতে এই ক্ষেত্ৰত কোনো ধৰণৰ ৰাজনৈতিক হেচা বা অন্য কোনো ধৰণৰ হেচা বিভাগটোৰ ওপৰত নাহে, কৰবাত য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছে বা শিক্ষকৰ সংখ্যা বেছি আছে, তাৰপৰা আমি শিক্ষক বদলি কৰিবলৈ আমি বাধ্য আৰু বিভাগক independently কাম কৰিবলৈ দিলে আমি সাহসৰে এই rationalization কৰিবলৈ আগবাঢ়িম। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (Jr.) ডাঙৰীয়াক তেখেতক মই ধন্যবাদ জনাইছোঁ, তেখেতে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন এটা উত্থাপন কৰিছে। তেখেতে কৈছে যে Right to Edcuation Act. অহাৰ পিছত এই যে পৰীক্ষা নহয় লগতে promotion টো বাধ্যতামূলক ২ ৰ পৰা ৩লৈ, ৩ ৰ পৰা ৪ লৈ promotion টো দিব লাগে, তাত আৰু পৰীক্ষা পতাৰ কোনো ধৰণৰ কথা নাই। এইটোৱে আমাৰ গুণগত শিক্ষাৰ ক্ষেত্ৰত ক্ষতিসাধন কৰিছে নেকি, এইটো এটা গোটেই ৰাষ্ট্ৰজুৰি হৈ থকা বিতৰ্ক। এই ৰাষ্ট্ৰজুৰি হৈ থকা বিতৰ্কটোৰ কাৰণে চৰকাৰে কিছু পদক্ষেপ গ্ৰহণ কৰিছে। New Education Policy ৰ implementation ৰ ক্ষেত্ৰত মই বাৰম্বাৰ কৈ আহিছো যে New Education Policy টো বুজক। এইটো এনেকুৱা এটা বস্তু নহয় যে অহা দিন, তাৰিখ, সময়, ক্ষণ ঠিক কৰি আৰম্ভ কৰি দিলো বুলি কৈ দিব পৰা বস্তু নহয়। ইয়াৰ implementation ৰ ভাৰত চৰকাৰে শিক্ষা বিভাগৰ কাৰণে ৩০০ টা task নিৰ্ধাৰণ কৰিছে। ৩০০ টা task ভাৰতবৰ্ষৰ বেলেগ বেলেগ চৰকাৰৰ কাৰণে নিৰ্ধাৰণ কৰি দিয়া আছে। কোনে ক'ত কি কৰিব, NCERT য়ে কি কৰিব, University বিলাকে কি কৰিব, কলেজসমূহে কি কৰিব, ৰাজ্য চৰকাৰ আৰু ইউনিয়ন টেৰিটৰি বিলাকে কি কৰিব, এই ৩০০ টা Task নিৰ্ধাৰণ কৰি দিয়া আছে। এই ৩০০ টা task ৰ ভিতৰত ২৯৫ নম্বৰ task তো

খুব গুৰুত্বপূৰ্ণ। এইটো হ'ল যে Right to Education Act. ৰ মূল লক্ষ্য, উদ্দেশ্যটো free and universal education, বিনামূলীয়া আৰু সাৰ্বজনীন শিক্ষা। সকলোৰে বাবে বিনামূলীয়া আৰু সাৰ্বজনীন ফলস্বৰূপে আমাৰ enrolment বাঢ়ি গ'ল। আমি ১০০ শতাংশ enrolment ৰ ফালে যাব পাৰিছো। কিন্তু quality of education, গুণগত শিক্ষাত compromise হৈছে নে নাই। এই কথাটো বিবেচনা কৰিছে ভাৰত চৰকাৰে আৰু শিক্ষা বিভাগে আৰু এইটো বিবেচনা কৰি ২৯৫ নম্বৰ task টো নিৰ্ধাৰণ কৰি, এই task টোৰ কাৰণে এখন বিশেষ কমিটি গঠন কৰিছে, যিখন কমিটিয়ে অধ্যয়ণ কৰিব যে নতুন শিক্ষানীতিৰ আধাৰত গুণগত শিক্ষাদান কৰাৰ কাৰণে Right to Education Act. খন সংশোধনী কৰাৰ প্ৰয়োজনীয়তা আছে। মই সদনত জনাব বিচাৰো যে সেই expart Committee খনৰ ময়ো এজন সদস্য। ভাৰতবৰ্ষৰ তিনিজন শিক্ষা মন্ত্ৰী সেই কমিটি খনৰ সদস্য হিচাপে আছে, অসম, কৰ্ণাটক আৰু মধ্যপ্ৰদেশ। আমাৰ প্ৰথম বৈঠক হৈ গৈছে। মই আপোনালোকক অনুৰোধ জনাম যে আপোনালোকে Right to Education Act. খন অধ্যয়ন কৰি, তাত কি কি সংশোধনৰ প্ৰয়োজন quality education ৰ কাৰণে। কাৰণ free and universal education দি থকা হৈছে আৰু দিম। কিন্তু তাৰ লগত গুণগত শিক্ষাটো কেনেকৈ সংযোজিত কৰিব পাৰি, তাৰ কাৰণে আপোনালোকৰ মূল্যবান দিহা পৰামৰ্শখিনি যদি পাওঁ, সেইখিনি নিশ্চিতভাৱে মই আপোনালোকৰ প্ৰতিনিধি হিচাপে National Task Committee ত মই সেইখিনি উত্থাপন কৰিব পাৰিম আৰু উত্থাপন কৰিব পাৰিলে আমি তাৰ কাৰণে সকলোৱে উপকৃত হম।

বিদ্যালয়সমূহত toilet, পানীযোগান আৰু বিদ্যুৎ সংযোগ। যোৱা বিত্তীয় বৰ্ষতো বিধান সভাত এই বিষয়ে আলোচনা হৈছিলে, আলোচনা হোৱাৰ সাপক্ষে যাতে প্ৰত্যেকখন বিদ্যালয়তে বিদ্যুৎ সংযোগ কৰিব পাৰো তাৰ কাৰণে আমাৰ SOPD শিতানৰ পৰা specially ৬০ কোটি টকা শিক্ষা বিভাগক দিয়া হৈছিলে। গতিকে আপোনালোকক অনুৰোধ কৰিব বিচাৰিছোঁ যে আপোনালোকে সেই কাম-কাজখিনিত তদাৰক কৰক, কোনখন বিদ্যালয়ত এই কামটো আৰম্ভ হোৱা নাই। জলজীৱন মিছন চলি আছে, এই জলজীৱন মিছনৰ অধীনত প্ৰত্যেকখন বিদ্যালয়ত খোৱাপানীৰ ব্যৱস্থাটো হ'ব আৰু তাৰ লগতে toilet, toilet ৰ কাৰণে চৰকাৰখনে আহ্বান জনাইছিলো যে 15th Finance ৰ Tide Fund ত নিৰ্ধাৰণ কৰা থাকে যে এইটো water & senitation ত খৰছ কৰিব লাগিব। বিদ্যালয়ত কেৱল SSA য়ে পইচা খৰছ কৰি থাকিব, এইটো নহয় আমি 15th Finance ৰ পৰাও যিখিনি কৰো, সকলোৱে যদি ইয়াতে সহায় সহযোগীতা আগবঢ়াব পাৰো, তেতিয়া হ'লে বিদ্যালয় সমূহৰ এই toilet,water, electricity এই তিনিটা যি জলন্ত সমস্যা আছে, ইয়াৰে বহুখিনি এতিয়া নাইকিয়া হৈছে। গতিকে এইখিনিৰ কাৰণে আপোনালোকে সকলোৱে পদক্ষেপ ললে এইখিনি দূৰ কৰিবলৈ সক্ষম হ'ম।

বিদ্যালয়সমূহৰ বাবে বাকী যি প্ৰশ্ন উত্থাপন হৈছে, ইতিমধ্যে শিক্ষা বিভাগ, P&RD বিভাগ, PHE, Power Department এই সকলোৰে লগত আলোচনাৰ সাপেক্ষে বিদ্যালয়সমূহৰ যিখিনি কাম-কাজ হৈ আছে, সেইখিনি চোৱা চিতা কৰাৰ কাৰণে প্ৰত্যেক পঞ্চায়ত, ব্লক আৰু জিলা পৰ্য্যায়ত Visilance & Monitoring Committee গঠন কৰাৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। আমি সকলোৱে পদক্ষেপ লব লাগে Visilance & Monitoring Committee টোক খুব সক্ষম কৰিম।

ইয়াৰ পিছৰ প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ যে নতুন নতুন মহাবিদ্যালয়ত Science stream

খোলা, Commerce stream খোলাৰ দাবী উত্থাপন হৈছে। নতুন শিক্ষানীতি যি আহিছে, এই নতুন শিক্ষানীতিৰ ফলস্বৰূপে multi disciplinery হ'ব লাগে। multi disciplinery হ'ব লাগিলে তেনেহলে এখন মহাবিদ্যালয়ত কেৱল Arts stream টো থাকিলে নহ'ব, তাত Science stream, Commerce stream, Vocational ও থাকিব লাগিব আৰু অন্য যদি কিবা course আছে,সেইটো তাত সন্নিবিষ্ট হ'ব লাগিব। ইয়াৰ কাৰণে curriculum বিলাক কেনেকুৱা হ'ব, ইয়াৰ frame work কেনেকুৱা হ'ব, ইতিমধ্যে আমি ভাৰত চৰকাৰৰ পৰা curriculum frame work ৰ এখন জাননী পাইছো আৰু আমিও একেবাৰে চুড়ান্ত পৰ্য্যায়ত আছো যে আমি curriculum frame work টো দুই এদিনৰ ভিতৰত মুকলি কৰিম। curriculum frame work টো মুকলি কৰাৰ পিছত প্ৰত্যেকখন মহাবিদ্যায়ত Science stream, Arts stream, Commerce stream সকলো বিষয় থকাটো বাধ্যতামূলক হ'ব। কিন্তু আমাৰ resource ৰ কথা আছে, আমাৰ সম্পদৰো কথা আছে। গতিকে ওচৰা-ওচৰিকৈ থকা দুখন মহাবিদ্যালয় যদি এখনত Arts আছে, এখনত Science আছে, তেনেহ'লে দুয়োখন মহাবিদ্যালয় আকৌ পৃথকে পৃথকে তাত নথকা stream টো খোলাৰ প্ৰয়োজন নাই। দুয়োখন মহাবিদ্যালয়ৰ মাজত এটা collaboration ৰ প্ৰয়োজন হ'ব। গতিকে আমি কোন কোন মহাবিদ্যালয়ৰ মাজত collaboration কৰিব পাৰিব, সেইটো আমি পৰীক্ষা কৰিবলৈ যাম। কাৰণ ইয়াত এখন যি multi disciplinery education system, ইয়াত academic bank of credity ৰ নতুন ব্যৱস্থা আহিছে, তাৰমানে তিনিটা বিষয় এই মহাবিদ্যালয় খনত পঢ়ি চাৰি নম্বৰ বিষয়টো D মহাবিদ্যালয়খনত পঢ়াৰ সুবিধা আছে আৰু D মহাবিদ্যালয়খনত মই যি credit পাম, সেই credit টো মোৰ মুল মহাবিদ্যালয়খনলৈ transfer হৈ অহাৰ নিয়ম আছে। গতিকে academic bank of credity টো প্ৰজোয্য কৰি পেলাই সকলো ছাত্ৰ-ছাত্ৰীক সকলো বিষয়ত তেওঁলোকৰ option অনুযায়ী তেওঁলোকে যাতে শিক্ষালাভ কৰিব পাৰে, তাৰ ব্যৱস্থা কৰি দিয়াৰ কা ৰণে আমি আগবাঢ়িছো। খু ব সোনকালে আমাৰ হায়াৰ এডুকেশ্যনৰ curriculum framework publish হ'ব আৰু এইটো আমি মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহক দিছো, ইতিমধ্যে । বিশ্ববিদ্যালয় সমূহে curriculum আমাক দিব। এটা কথা বিশেষভাৱে উল্লেখিত হৈছে যে বি এড কলেজ সমূহ। Integrated B. Ed. course হ'ব বুলি কৈছে, কেতিয়া হ'ব কেনেকৈ হ'ব। আমি চৰকাৰে ১০ খন B. Ed. কলেজ বনাই আছো, এই B. Ed. কলেজ সমূহ কি হ'ব? ডায়েটসমূহ যি আছে এই ডায়েট সমূহৰ ভৱিষ্যৎ কি হ'ব? যেতিয়া আমি Integrated B. Ed. course ৰ কথা কৈছো, তাৰমানে অকল B. Ed. কলেজ বুলি এতিয়া আৰু কোনো কলেজ অদূৰ ভৱিষ্যতে হয়তো নাথাকিব। এই B. Ed. কলেজৰ curriculum কি হ'ব । শিক্ষক বুলি কলে শিক্ষকৰ শিক্ষাৰ মানদণ্ড কি হ'ব, তাৰ কাৰণে নেশ্যনেল লেভেলত National professional standerd of Teacher, NPST এইটো প্ৰস্তুত হৈছে মই জনা মতে, প্ৰায় সম্পুৰ্ণ হৈছে। দুই এদিনতে ই ঘোষিত হ'ব। নতুন Integrated B. Ed. course ৰ curriculum কি হ'ব NCERT য়ে প্ৰস্তুত কৰি আছে। মোৰ তাত থকা তথ্য মতে এই curriculum framework টো একেবাৰে শেষ পৰ্যায়ত আছে, এইটো দুই এদিনতে ঘোষিত হ'ব। এইটো ঘোষিত হৈ যোৱাৰ লগে লগে আমি B. Ed. কলেজ বিলাকত সাধাৰণ বিষয় ইনক্লোড কৰি Integrated B. Ed. course আৰু যি সমূ সাধাৰণ কলেজ আছে, সেই সাধাৰণ কলেজ বিলাকত curriculum framework টো ছোৱাৰ পাচত, তাত নতুন বিষয়, নতুন পদ সৃষ্টি কৰি তাত Integrated B. Ed. course প্ৰৱৰ্তন কৰাৰ কাৰণে আমি সুযোগ

সুবিধা লাভ কৰিম। তাৰ কাৰণে হয়তো আমি কেইটামান দিন ৰখিব লাগিব। আৰু সেই কেইটামান দিন ৰখিবৰ কাৰণে সকলোকে অনুৰোধ জনাম। ইয়াৰ পাচৰ ঘটনাটো হ'ল কেইটামান গুৰুত্বপূৰ্ণ ইছ্যু আপোনালোকে উল্লেখ কৰিছে। সেই বিশেষ ইছ্যুকেইটা হ'ল, যে টেট শিক্ষক, টিউটৰ। টেট আমি সকলোৱে মানি লৈছো আৰু এতিয়া সকলোৱে মানি ল'ব লাগিব যে আমি গুনগত শিক্ষা আমি যদি দিব লাগে তেনেহলে আমি টেট শিক্ষকৰ জৰিয়তেহে, টেট পৰীক্ষাৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীক হে আমি দিব লাগিব। শিক্ষক নিযুক্তিটো সম্পূৰ্ণৰূপে স্বচ্ছ আৰু কোৱালিটি শিক্ষক দিব পৰা ব্যৱস্থা এটা আমাক লাগে। এইটো এতিয়া দিনক দিনে এই টেট পৰীক্ষাবোৰ competitive হৈ আহিছে। এতিয়া এই competitive হৈ অহাৰ মাজত ইয়াত অন্যধৰণৰ কনচিডাৰেশ্যন বা বিশেষ ৰেহাইৰ প্ৰশ্নবিলাক ইয়াত নাহিব। আমি এই ব্যৱস্থালৈ যাব বিচাৰিছো যাতে প্ৰত্যেক বছৰে আমাৰ যিখিনি খালী পদ ওলাই সেইখিনি বেক লগ সৃষ্টি নোহোৱাকে পিচৰ বছৰলৈ carry forward নোহোৱাকে সেই খালী হোৱা বছৰটোতে যাতে খালী পদখিনি পূৰণ কৰিব পৰা যায় আৰু প্ৰত্যেক বছৰে টেট টো অনুষ্ঠিত কৰিব পৰা যায়। ই এটা তুমুল প্ৰতিদণ্ডিতা মুলক পৰীক্ষা । এই প্ৰতিদণ্ডিতাটো আমি সকলোৱে আদৰণী জনাব লাগিব, আৰু ইয়াৰ বাহিৰে আমাৰ কোনো বেলেগ গত্যন্তৰ নাই। আজি যিসকলে টিউটৰৰ সমস্যাৰ কথা উল্লেখ কৰিছে, যিহেতু তেখেত সকলক শিক্ষক কৰি দিয়াৰ ক্ষমতা ৰাজ্য চৰকাৰৰ হাতত নাই। National Council of Teacher Education তেওঁলোকে শিক্ষকৰ ষ্টেণ্ডাৰ্ড কি হ'ব সেইটো নিৰ্ধাৰিন কৰি দিছে। তেওঁলোকৰ professional qualification কি থাকিব লাগিব সেইটোও নিৰ্দ্ধাৰিণ কৰি দিছে, আৰু সেই professional qualification যি সকলৰ নাই। তেওঁলোকক শিক্ষক তেওঁলোকক শিক্ষক হিচাপে আমি নিযুক্তি দিব নোৱাৰো, বা শিক্ষকৰ মান্যতাটো আমি দিব নোৱাৰো। যেতিয়া প্ৰাদেশীকিকৰণৰ জৰিয়তে তেওঁলোকৰ চাকৰি সমূহ প্ৰাদেশীকিকৰণৰ কৰা হ'ল। প্ৰাদেশীকিকৰণ হোৱাৰ পাচত তেখেত সকলে ৫ টা বছৰ সময় দিয়া হ'ল, আপোনালোকৰ যি professional qualification লাগে সেই professional qualification টো আয়ত্ব কৰিব পাৰিলে আপোনাক শিক্ষকলৈ উন্নীতকৰন কৰা হ'ব। এতিয়া আমি বহু আবেদন পাইছো। সেই আৱেদন সমূহ অৰ্থাৎ যিসকল টিউটৰ আছিল তেওঁলোকে আৱেদন কৰিছে যে professional qualification পালো। আমাক শিক্ষকলৈ উন্নীত কৰি দিয়ক। তেওঁলোকৰ document verification বৰ্তমান চলি আছে। আৰু যি সকলৰ document সঠিকভাবে পোৱা যাব খুব কম সময়ৰ ভিতৰত তেওঁলোকক আমি শিক্ষক হিচাপে তেওঁলোকক মান্যতা প্ৰদান কৰিম। SMDC SMC ইয়াৰ লগত জৰিত কেইটামান গুৰুত্বপূৰ্ন কথা আছে, যে অভিভাৱক মন্ত্ৰীয়ে SMDC নবনায়। SMDC কাৰণে প্ৰত্যেক বিদ্যালয়ত সভা অনুষ্ঠিত হ'ব লাগে। সেই সভা অনুষ্ঠিত কৰি, তাত অভিভাৱক সকলৰ সভা অনুষ্ঠিত কৰি SMDC গঠন কৰি Inspector of School ক দিব, Inspector of School য়ে ডি চি ক দিব। শেষত সেইটো গাইডলাইন মতে হৈছে নে হোৱা নাই তাৰ কাৰণে চুড়ান্ত সিদ্ধান্তটো অভিভাৱক মন্ত্ৰীয়ে দিয়ে, আৰু এই SMDC দায়িত্ব কি কৰ্তব্য কি বুলি কলে, যে প্ৰত্যেকখন বিদ্যালয়ৰ এখন বিদ্যালয় উন্নয়ন আঁচনি School Development Plan এখন SMDC খনে প্ৰস্তুত কৰিব লাগে। আজি ইয়াত এজন বক্তাই উল্লেখ কৰিছে যে আমি প্লেনিং নোহোৱাকে বিদ্যালয় সমূহত 15 Finance. ৰ পৰা কোনোবাই SSAৰ পৰা কোনোবাই অন্য কোনোবা কাউঞ্চিলৰ পৰা বিভিন্ন infrastructure গঢ় দিছে। যিটো গঢ় দিয়াৰ কাৰণে পৰিকল্পিতভাবে আগবঢ়োৱা নাই।

এই কামটো SMDC ৰ, আৰু SMDC য়ে যদি এই কামটো সঠিকভাবে কৰে, SMDC ত যদি alumni সকল জড়িত হয়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল জৰিত হয়, SMDC ত যদি স্থানীয় বিশিষ্ট নাগকিৰ সকল জৰিত হয়, তেনেহলে এই SMDC য়ে বিদ্যালয় প্লেন, development plan এটা প্ৰস্তুত কৰিলে, সেই development plan মতে আমি আগবাঢ়িব পাৰিম। ইয়াৰ লগে লগে আমি এটা কথা ভাবিছো যে প্ৰত্যেকখন বিদ্যালয়ৰ কাৰণে এখন School Rule Book প্ৰস্তুত কৰা যিখন Rule Book ৰ দ্বাৰা স্কুলখন পৰিচালিত হ'ব পাৰিব। শেষত মাননীয় গনেশ লিম্বু ডাঙৰীয়াই নেপালী ভাষাৰ কেইটামান প্ৰশ্ন উত্থাপন কৰিছে, হয়, নেপালী ভাষাটো যিবিলাক মাধ্যম আছিল, সেইখিনি তেওঁলোকে বন্ধ কৰি দিলে। এতিয়া অন্যান্য বিষয় language subject হিচাপে দাবী উত্থাপন কৰিছে। ইতিমধ্যে চৰকাৰে এই ক্ষেত্ৰত ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু মই এই কথাও জনাওঁ যে, গোৰ্খা সম্প্ৰদায়ৰ লোক সকলে নেপালী ভাষাত তেওঁলোকে যদি প্ৰাথমিক পৰ্য্যায়ত ইয়াক পুনৰ মাধ্যম হিচাপে বিচাৰে upto class I to Class V তেওঁলোকে যদি বিচাৰে শিক্ষাৰ অধিকাৰ আইনৰ আধাৰত সংবিধানৰ মেণ্ডেটৰ আধাৰত এই মাতৃভাষাক আমি মাধ্যম হিচাপে প্ৰাথমিক পৰ্য্যায়ত নিশ্চিতভাবে আমি প্ৰয়োগ কৰিম। আৰু তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব। যিটো গাৰো মাধ্যমৰ কথা কৈছে, সেইটোও ইতিমধ্যে চৰকাৰখনে সিদ্ধান্ত গ্ৰহণ কৰিছে। মিচিং ৰাভাৰ ক্ষেত্ৰটো সিদ্ধান্ত গ্ৰহণ কৰিছে।

**মাননীয় অধ্যক্ষ** ঃ- আপুনি আৰু কেই মিনিট ল'ব ?

**ড° ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)**ঃ- মই ২-৩ মিনিটৰ ভিতৰত শেষ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, সময় শেষ হ'ল, আপুনি উত্তৰটো দিব কিন্তু যিহেতু ২ বাজিল, মই বাকীথকা যিখিনি পৰিপূৰক দাবী মঞ্জুৰী সেইখিনি আলোচনা কৰিব নোৱাৰো, সেই কাৰণে বাকী থকা সকলো পৰিপূৰক দাবী মঞ্জুৰী এইখিনি গিলেটিনত দি দিলো। আপুনি ৫ মিনিটত উত্তৰটো দি দিয়ক। আমি বাকীখিনি গিলেটিনত দি দিলো আৰু কোনো আলোচনা নহয়।

**ড° ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ- মই কেইটামান ইনফৰমেশ্যন আপোনালোকক জনাবলৈ বিচাৰিছো যে, বিদ্যালয়সমূহত ইউনিফ্ৰম আৰু মিড ডে মিল এইটো সম্পূৰ্ণৰূপে স্বচ্ছতাৰ কাৰণে আৰু আমাৰ সৰ্বশিক্ষা অভিযান, সমগ্ৰ শিক্ষাৰ অভিযানে এই পুঁজিটো আমি স্কুল সমূহক বিদ্যালয় সমূহলৈ পোন পতীয়াকৈ দিওঁ। ইয়াত আমি কোনো ধৰণে ইউনিফ্ৰম ক্ৰয় কৰা, এইটোৰ লগত চৰকাৰ জৰিত নহয়। বিদ্যালয় সমূহলৈ পুঁজিটো হস্থান্তৰ কৰা হয়, মিড ডে মিলৰ পুঁজিটো বিদ্যালয় সমূহলৈ হস্থান্তৰ কৰা হয়। এতেকে এই SMC আৰু SMDC সমূহৰ দায়িত্বটো অপৰিসীম। তেওঁলোকৰ ওপৰত বহু গুৰুত্ব থাকে, আৰু এই SMC আৰু SMDC বিলাকে সঠিক ভাৱে যাতে কাম কৰিছে, তাৰ কাৰণে বিভাগীয় নিৰীক্ষণৰ উপৰিও যাতে এটা সামাজিক নীৰিক্ষনো তেওঁলোকৰ ওপৰত ভালধৰণে হ'ব পাৰে, সেই কাৰণে এটা পঞ্চায়ত, ব্লক and District Level Monitoring and Vigilance Committee গঠন কৰা হ'ল। কিন্তু এই পঞ্চায়ত ব্লক বা District Level Vigilance and Monitoring যি Committee আছে, এই কমিটি খিনি কতো ভালধৰণে সক্ষম ভাৱে তেওঁলোকে কাম কৰা নাই। এইটো মই অনুৰোধ জনাম যে আমি সকলোৱোৰে সহায় সহযোগিতা আগবঢ়াই এই Vigilance and Monitoring Committee খিনি সক্ৰিয় কৰি তুলিব পাৰিলে আমি ভাল ফলাফল পাম। শ্ৰীঅখিল গগৈ ডাঙৰীয়াই drop out ৰ কথাটো উল্লেখ কৰিছে। Drop out গোটেই ভাৰতবৰ্ষৰ এটা সমস্যা। Rural area বিলাকত গোটেই ভাৰতবৰ্ষৰে সমস্যা। আজি আমাৰ কিমান ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক

দিছে বুলি ক'লে প্ৰায় ৪ লাখ ১২-১৩ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিছে। একেই সমসংখ্যক ছাত্ৰ-ছাত্ৰী হাইয়াৰ চেকেণ্ডাৰীটো থাকিব লাগে। কিন্তু হাইয়াৰ চেকেণ্ডাৰীৰ সংখ্যাটো প্ৰায় আঢ়ৈ লাখৰ তললৈ নামি আহে। অৰ্থাৎ যিমান সংখ্যকে মেট্ৰিক দিয়ে, একে সংখ্যকে হাইয়াৰ চেকেণ্ডাৰী নিদিয়ে। মেট্ৰিক দিয়াৰ পাছতে বিশেষকৈ পিছপৰা অঞ্চল বিলাক গাওঁৰ ছাত্ৰ-ছাত্ৰী তেওঁলোকে বিভিন্ন ধৰণে কাম-কাজ কৰিবলৈ গুচি যায়। এই Higher education লৈ নোযোৱাৰ এটা কাৰণটো হ'ল যে, খুব early stage ৰ emploment দ্বিতীয় কাৰণ এটা আছে যে আমাৰ quality education যিটো শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই উল্লেখ কৰিছিল যে, elementary education level ত আমি foundation টো খুব ভাল কৰিব নোৱাৰাৰ কাৰণে Particularly Methematics, Science and English এই তিনিটা subject ত ছাত্ৰ-ছাত্ৰীৰ foundation টো শক্তিশালী কৰিব নোৱাৰাটো drop out হোৱাৰ অন্যতম এটা কাৰণ যে তেওঁলোকে higher education টো ভয় কৰে। Higher education ৰ কাৰণে তেওঁলোকৰ foundation টো অতি দুৰ্বল আৰু সেই কাৰণে এই foundation টো শক্তিশালী কৰাৰ কাৰণে আমি বিশেষভাৱে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছো। অন্য সময়ত আপোনালোকে এইখিনি গম পাব আৰু আপোনালোকক জনাবলৈ পাই সুখী হৈছে আমাৰ drop out rate যোৱা বছৰতকৈ এই বছৰত কমিছে। যোৱা বছৰ আৰু তাৰ পূৰ্বৰ বছৰতকৈ কমিছে। অৰ্থাৎ ইয়াৰ trend টো downward trend যিখিনি statistics লাগে মোৰ লগত ইয়াত আছে মই statistics খিনি পঢ়িব নাযাও। আপোনালোকৰ যাৰ প্ৰয়োজন এইটো এটা serious matter কিন্তু our drop out rate is in a downward trend situation is improving. আমি ইয়াক improve কৰিবৰ কাৰণে সক্ষম হৈছো। বিদ্যালয় সমূহৰ upgradation যিহেতু নতুন শিক্ষানীতিৰ অধীনতে মহাবিদ্যালয়ৰ পৰা class 11 & 12 delinked হ'ব আৰু এইটো higher secondary লৈ আহিব, তাৰ কাৰণে ইতিমধ্যে যোৱা বছৰ আমি ২১৩ খন হাইস্কুলক হাইয়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিছো আৰু এইবাৰ ৮৭৮ খন বিদ্যালয়ক আমি পুণৰ ৭৭৮ বিদ্যালয়ক আমি আৰু উন্নীত কৰাৰ কাৰণে আঁচনি গ্ৰহণ কৰিছো। এই যিখিনি high school upgrad কৰিম এইখিনি চিনাক্ত কৰিছো, সেইবিলাক অঞ্চল য'ত কলেজৰ পৰা ছাত্ৰ-ছাত্ৰী অহা বছৰ কলেজত admission লৈ higher secondary ত admissionলব আৰু এই বিদ্যালয় সমূহৰ আন্তঃগাঁথনি টো শক্তিশালী কৰাৰ তাক উন্নীত কৰাৰ কাৰণেও আমি বিশেষভাৱে পদক্ষেপ গ্ৰহণ কৰিছো তাৰ কাৰণে NABARD ৰ পৰা পোৱা যি পইচা, সেই পইচা বিশেষভাৱে টাৰ্গেট কৰি এই হাইস্কুল খিনি ২ হাজাৰ ৫ শ স্কুলত আমি হাইয়াৰ চেকেণ্ডাৰীৰ কাৰণে তাক prepear কৰিব পাৰো, উন্নত আন্তঃগাথনি হয় তাৰ কাৰণে নিদাৰ আঁচনিখন গ্ৰহণ তকৰা হৈছে। In edition to haritage school য'ত আমি ২ শ ৯ খন বিদ্যালয় ৩ কোটিকৈ টকা প্ৰদান কৰি সেই বিদ্যাকেইখনক আমি উন্নীত কৰিম। ইয়াৰ উপৰি যিখিনি সমষ্টি ভিত্তিক আপোনালোকৰ প্ৰশ্ন কথাবাৰ্তা আছিল, সেইখিনিৰ ক্ষেত্ৰত মই ব্যক্তিগত ভাৱে আপোনালোকে জানিব বিচাৰিলে মই লিখি লৈছো, আপোনালোকেও মোক whatsApp এটা কৰি দিলে মই সেই নিৰ্দিষ্ট সমষ্টিভিত্তিক ইচ্ছ্যুখিনিৰ ক্ষেত্ৰত পদক্ষেপ ল'ম বুলি মই আপোনালোকক জনাইছো আৰউ শেষত যদিও কৰ্তন প্ৰস্তাৱ হৈ গ'ল। এইটো কৰ্তন প্ৰস্তাৱ আছিল mainly tutor সকলৰ। যোৱা যিহেতু জানুৱাৰী মাহত নিযুক্তি হৈছিল, কিন্তু তেওঁলোকক আমি বাজেটখন ইতিমধ্যে financial year টো শেষ হৈ গ'ল। তেওঁলোকৰ এটা বকেয়া ধন বাকী আছে, এৰিয়াৰ পইচা এটা বাকী আছে সেই

provincialised হোৱা সেই tutor সকলক সেই ধনখিনি আমি দিয়াৰ কাৰণে এই ১০ কোটি টকা supplementary ৰ পৰিপূৰক দাবীটো আনিছিলো আপোনালোকে সেইটো সমৰ্থন জনাব। শিক্ষক সকলে সেই দৰমহাখিনি পাব সেইটো ভাল কথা হ'ব আৰু এই কথাকেইটা কৈ চৰকাৰখনে যিখিনি reformation আৰু নতুন সংযোজনৰ কাম কৰিছে শিক্ষা বিভাগত, সেইখিনিৰ সহায়-সহযোগিতা কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া গোটেই দাবী মঞ্জুৰী গিলেটিনত দি দিয়া হৈ গ'ল। সেই কাৰণে পৰিপূৰক দাবী মঞ্জুৰীসমূহ অনুমোদনৰ বাবে আগবঢ়ালো। দাবীসমূহ হ'ল- ৭১, ৬৪, ১১, ১২, ২৫, ২৭, ২৯, ৩৯, ৪২, ৪৪ আৰু ৫৮ যিসকল মাননীয় সদস্য-সদস্যা মঞ্জুৰী সমূহৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল মাননীয় সদস্য-সদস্যা এই মঞ্জুৰী প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে পৰিপূৰক দাবী মঞ্জুৰী নং ৭১, ৬৪, ১১, ১২, ২৫, ২৭, ২৯, ৩৯, ৪২, ৪৪ আৰু ৫৮ গৃহীত হ'ল।

সদন আবেলি ৩ বজালৈ স্থগিত ৰখা হ'ল।

**াননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীক "অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" উত্থাপন কৰিবৰ বাবে মই সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি আছেনে?

(সদনে অনুমতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** অনুমতি দিয়া হ'ল। ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২২ চনৰ ১৪ মাৰ্চ তাৰিখে এটা বাণী পঠিয়াইছে। বাণীটো হ'ল-Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.I) Bill, 2022 in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীক বিধেকখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়িবলৈ অনুৰোধ জনাইছো।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** বিধেয়কখনৰ শিৰোনাম "অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২।"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখনৰ সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০২২ চনৰ ১৪ মাৰ্চ তাৰিখে এটা বাণী পঠিয়াইছে।

বাণীটো হ'ল-

Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that

the Assam Appropriation (No.I) Bill, 2022 taken into consideration by the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীক বিধেকখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল-"অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখন সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখন ও বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফা দুটাৰ লগতে অনুসূচীখনৰ.

সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনে বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল-বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল-"অসম বিনিয়োজন (নং-১) বিধেয়ক, ২০২২" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৰো ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে, ‘হয়’ ৰ সপক্ষে

প্ৰস্তাৱটো পাৰিত কৰা হ’ল। বিধেয়কখনো পাৰিত কৰা হ’ল।

এতিয়া মই মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ২০২২-২৩ চনৰ বাৰ্ষিক বিত্তীয় প্ৰ-বিৰৰণী সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন-প্ৰথমে মই এই পৱিত্ৰ সদনৰ প্ৰতি সন্মান জনাই ২০২২-২৩ বৰ্ষৰ পূৰ্ণাঙ্গ বাজেট উত্থাপন কৰিবলৈ লৈছো আৰু সকলোৰে আশীষ কামনা কৰিছো। আৰম্ভণিতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ এটি গীতৰ কলিৰে ক’ব বিচাৰিছো-তোৰে মোৰে আলোকেৰে যাত্ৰা

অব্যৰ্থ অব্যৰ্থ

**বাজেট পাঠ কৰে .............**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ অলপ ক’বলগীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** আজি নহ’ব। আমাৰ সদন শেষ হ’ল।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** কেৱল এটা বাক্য অধ্যক্ষ মহোদয়- Statical Handbook is a integeral part of Budget presentation আমাক Economical Survey টো দিছে। Statical Handbook আমি পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** হয়তো আপুনি হাতত পোৱা নাই। এইটো পাই যাব। এতিয়া অহা কালি ৰাতিপুৱা ৯.৩০ বজালৈ সদন স্থগিত ৰখা হ’ল - ধন্যবাদ ।

**( ইংৰাজী ১৬-০৩-২০২২ তাৰিখৰ বাজেট অধিবেশনৰ কাৰ্য্যক্ৰমণিকা ৫.২০ বজাত সমাপ্ত হয়)**